GPH S4 01

ভাৰতীয় দর্শন ২

চতুর্থ ষান্মাসিক

দর্শন

খণ্ড ঃ ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক(অবসাৰপ্রাপ্ত) শিৱনাথ শর্মা, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক সৌৰভপ্রাণ গোস্বামী, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
শ্রীপ্রদীপ খাটনিয়াৰ, সহযোগী অধ্যাপক, দর্শন বিভাগ, কটন কলেজ

সমন্বয়ৰক্ষী

ড° ভাস্কৰ ভট্টাচার্য্য, সহকাৰী অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	প্রস্তুতি গোটৰ সদস্য	ভাষান্তৰকাৰী
৯,১১,১২ ১৩,১৪	ড° নিলীমা গোস্বামী, আর্যবিদ্যাপিঠ কলেজ (অৱসৰপ্রাপ্ত)	ড° নিলীমা গোস্বামী,
১০	ড° পাৰুল চৌধুৰী, কে. আৰ. বি ছোৱালী মহাবিদ্যালয়	মাইনু দেৰী বৰুৱা
১৫	ড° মাইনা শর্মা, বি বৰুৱা কলেজ	গীতাঞ্জলী মেধী

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড°অঞ্জনা নেওগ (অবসাৰপ্রাপ্ত),প্রাগজ্যোতিষ মহাবিদ্যালয়
ড° নীলিমা গোস্বামী(অবসৰপ্রাপ্ত), আর্য্যবিদ্যাপীঠ কলেজ
ড° যুথিকা দাস(অবসৰপ্রাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়

ভাষা সম্পাদনা ঃ ড° ৰেখাৰাণী দেৰী, গুৱাহাটী বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

আগষ্টা ২০১৮

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত,

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
উপ-মুখ্য কার্যালয় ঃ হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৯ ঃ শঙ্কৰাচার্য বেদান্ত ঃ ব্রহ্ম আৰু মায়া -

অদ্বৈত বেদান্ত, ব্রহ্ম সম্পর্কীয় ধাৰণা, ব্রহ্মৰ স্বৰূপ, (ক) ব্রহ্মৰ স্বৰূপ লক্ষণ, (খ) ব্রহ্মৰ তটস্থ লক্ষণ, ব্রহ্মৰ নেতি-নেতি ধাৰণা, মায়াৰ অর্থ, মায়া অভিজ্ঞতালব্ধ বিষয়, মায়াৰ দুই কার্য, মায়াৰ বৈশিষ্ট্য।

অধ্যায় ১০ ঃ শংকৰৰ দর্শনত ব্রহ্মৰ মান বা শ্রেণী -

ব্রহ্ম কি ? সত্যতা, ব্রহ্ম আৰু ইয়াৰ আকাৰসমূহ, ব্রহ্মৰ মান বা শ্রেণীসমূহ।

অধ্যায় ১১ ঃ ৰামানুজৰ বেদান্ত ঃ ঈশ্বৰ সম্পর্কে ধাৰণা -

ৰামানুজৰ দর্শনত ঈশ্বৰৰ ধাৰণা, ঈশ্বৰৰ বৈশিষ্ট্য তাৎপর্য্য, ঈশ্বৰ গুণ বিশিষ্ট, ঈশ্বৰ ত্রিসত্বাত্মক, ঈশ্বৰৰ ভেদ আছে স্বগতঃ ভেদ, অপৃথকসিদ্ধি, ঈশ্বৰ জগতৰ সৃষ্টিকর্তা, ৰামানুজৰ দর্শন ঈশ্বৰবিশ্বাসী, ঈশ্বৰৰ পাঁচ অভিব্যাক্তি, অর্চা, বিভব, ব্যুহ, সুক্ষ্ম, অন্তর্যামী, ব্রহ্ম আৰু ঈশ্বৰ অভিন্ন।

অধ্যায় ১২ ঃ ৰামানুজৰ জীৱ আৰু জগত -

ৰামানুজৰ মতে জীৱৰ তিনি প্রকাৰ, জীৱৰ বৈশিষ্ট্য, জীৱ ঈশ্বৰৰ অংশ, জীৱ আৰু ঈশ্বৰ, জীৱ আৰু অবিদ্যা, জীৱ আৰু ব্রহ্ম, **ৰামানুজৰ জগত সম্পর্কে ধাৰণা,** ৰামানুজৰ প্রকৃতি সম্পর্কে ধাৰণা, ৰামানুজৰ প্রকৃতি আৰু সাংখ্য প্রকৃতিৰ পার্থক্য, ব্রহ্ম জগতৰ কাৰণ, ৰামানুজৰ সৎকার্যবাদ, জগত ব্রহ্মৰ সঁচা সৃষ্টি।

অধ্যায় ১৩ ঃ ৰামানুজৰ দর্শনত মোক্ষৰ ধাৰণা -

মোক্ষৰ পথ,পাঁচ প্রকাৰৰ মোক্ষ, ৰামানুজই বিদেহ মুক্তিত বিশ্বাস কৰে, প্রপত্তিৰ বৈশিষ্ট্য।

অধ্যায় ১৪ ঃ মধ্ব— ব্রহ্মৰ ধাৰণা -

মধ্বৰ দ্বৈতবাদ, ব্রহ্ম বা ঈশ্বৰৰ ধাৰণা, ব্রহ্মৰ বৈশিষ্ট্য, ঈশ্বৰ গুণসম্পন্ন (সগুণ), ঈশ্বৰ জগতৰ কাৰণ, ঈশ্বৰ জীৱৰ মূল কাৰণ, ঈশ্বৰ অবর্ণনীয়, ব্রহ্মণ সর্বশক্তিমান ঈশ্বৰ, ঈশ্বৰৰ চাৰি অৱতাৰ, ঈশ্বৰ দয়াৰে পূর্ণ, মধ্বৰ পঞ্চভেদ সিদ্ধান্ত, ঈশ্বৰ আৰু জীৱৰ মাজত ভেদ, ঈশ্বৰ আৰু জড়ৰ মাজত ভেদ, এক জীৱ আৰু আন জীৱৰ মাজত ভেদ, জীৱ আৰু জড়ৰ মাজত ভেদ, এক জড় আৰু আন জীৱৰ মাজত ভেদ, মধ্বৰ ঈশ্বৰবাদ বহুসত্ত্বাবাদী, মধ্বৰ ঈশ্বৰবাদ বাস্তববাদী।

অধ্যায় ১৫ ঃ শংকৰদেৱ — ভক্তিৰ ধাৰণা, ঈশ্বৰ আৰু মানুহৰ মাজৰ সম্পর্ক -

ভক্তিৰ ধাৰণা, ভক্তিৰ নটা ৰূপ, ভক্তৰ প্রকৃতি, ভক্তিৰ তিনিটা শ্রেণী, ঈশ্বৰ ধাৰণা, ঈশ্বৰ আৰু মানুহৰ মাজৰ সম্পর্ক।

খণ্ড পৰিচয় ঃ

এই খণ্ডটিত সাতটা আধ্যায় সন্নিবিষ্ট কৰা হৈছে ।

নৱম আধ্যায়টো হ'ল শঙ্কৰাচার্য বেদান্ত ঃ ব্রহ্ম আৰু মায়া। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ অদ্বৈত বেদান্ত, ব্রহ্ম সম্পৰ্কীয় ধাৰণা, ব্রহ্মৰ স্বৰূপ, (ক) ব্রহ্মৰ স্বৰূপ লক্ষণ, (খ) ব্রহ্মৰ তটস্থ লক্ষণ, ব্রহ্মৰ নেতি-নেতি ধাৰণা, মায়াৰ অর্থ, মায়া অভিজ্ঞতালব্ধ বিষয়, মায়াৰ দুই কার্য, আৰু মায়াৰ বৈশিষ্ট্য।

দশম অধ্যায়টো হ'ল **শংকৰৰ দর্শনত ব্রহ্মৰ মান বা শ্রেণী। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ** ব্রহ্ম কি ? সত্যতা, ব্রহ্ম আৰু ইয়াৰ আকাৰসমূহ, আৰু ব্রহ্মৰ মান বা শ্রেণীসমূহ।

একাদশ অধ্যায় হ'ল **ৰামানুজৰ বেদান্ত ঃ ঈশ্বৰ সম্পর্কে ধাৰণা। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ** ৰামানুজৰ দর্শনত ঈশ্বৰৰ ধাৰণা, ঈশ্বৰৰ বৈশিষ্ট্য তাৎপর্য্য, ঈশ্বৰ গুণ বিশিষ্ট, ঈশ্বৰ ত্রিসত্বাত্মক, ঈশ্বৰৰ ভেদ আছে স্বগতঃ ভেদ, অপৃথকসিদ্ধি, ঈশ্বৰ জগতৰ সৃষ্টিকর্তা, ৰামানুজৰ দর্শন ঈশ্বৰবিশ্বাসী, ঈশ্বৰৰ পাঁচ অভিব্যাক্তি, অর্চা, বিভব, ব্যুহ, সুক্ষ্ম, অন্তর্যামী, আৰু ব্রহ্ম আৰু ঈশ্বৰ অভিন্ন।

দ্বাদশ অধ্যায় হ'ল **ৰামানুজৰ জীৱ আৰু জগত। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ** ৰামানুজৰ মতে জীৱৰ তিনি প্রকাৰ, জীৱৰ বৈশিষ্ট্য, জীৱ ঈশ্বৰৰ অংশ, জীৱ আৰু ঈশ্বৰ, জীৱ আৰু অবিদ্যা, জীৱ আৰু ব্রহ্ম, **ৰামানুজৰ জগত সম্পর্কে ধাৰণা,** ৰামানুজৰ প্রকৃতি সম্পর্কে ধাৰণা, ৰামানুজৰ প্রকৃতি আৰু সাংখ্য প্রকৃতিৰ পার্থক্য, ব্রহ্ম জগতৰ কাৰণ, ৰামানুজৰ সৎকার্যবাদ, আৰু জগত ব্রহ্মৰ সঁচা সৃষ্টি।

ত্রয়োদশ অধ্যায় হ'ল **ৰামানুজৰ দর্শনত মোক্ষৰ ধাৰণা। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ** মোক্ষৰ পথ,পাঁচ প্রকাৰৰ মোক্ষ, ৰামানুজই বিদেহ মুক্তিত বিশ্বাস, আৰু প্রপত্তিৰ বৈশিষ্ট্য।

চর্তুদশ অধ্যায় হ'ল **মধ্ব— ব্রহ্মৰ ধাৰণা। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ** মধ্বৰ দ্বৈতবাদ, ব্রহ্ম বা ঈশ্বৰৰ ধাৰণা, ব্রহ্মৰ বৈশিষ্ট্য, ঈশ্বৰ গুণসম্পন্ন (সগুণ), ঈশ্বৰ জগতৰ কাৰণ, ঈশ্বৰ জীৱৰ মূল কাৰণ, ঈশ্বৰ অবর্ণনীয়, ব্রহ্মণ সর্বশক্তিমান ঈশ্বৰ, ঈশ্বৰৰ চাৰি অৱতাৰ, ঈশ্বৰ দয়াৰে পূর্ণ, মধ্বৰ পঞ্চভেদ সিদ্ধান্ত, ঈশ্বৰ আৰু জীৱৰ মাজত ভেদ, ঈশ্বৰ আৰু জড়ৰ মাজত ভেদ, এক জীৱ আৰু আন জীৱৰ মাজত ভেদ, জীৱ আৰু জড়ৰ মাজত ভেদ, এক জড় আৰু আন জীৱৰ মাজত ভেদ, মধ্বৰ ঈশ্বৰবাদ বহুসত্ত্বাবাদী, মধ্বৰ ঈশ্বৰবাদ বাস্তববাদী।

পঞ্চদশ অধ্যায় হ'ল **শংকৰদেৱ — ভক্তিৰ ধাৰণা, ঈশ্বৰ আৰু মানুহৰ মাজৰ সম্পর্ক।** এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ ভক্তিৰ ধাৰণা, ভক্তিৰ নটা ৰূপ, ভক্তৰ প্রকৃতি, ভক্তিৰ তিনিটা শ্রেণী, ঈশ্বৰ ধাৰণা, আৰু ঈশ্বৰ আৰু মানুহৰ মাজৰ সম্পর্ক।

অধ্যায় ৯ ঃ শঙ্কৰাচার্য বেদান্ত ঃ ব্রহ্ম আৰু মায়া

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ অদ্বৈত বেদান্ত

৯.৪ ব্রহ্ম সম্পর্কীয় ধাৰণা

৯.৫ ব্রহ্মৰ স্বৰূপ

৯.৫.১ (ক) ব্রহ্মৰ স্বৰূপ লক্ষণ

৯.৫.২ (খ) ব্রহ্মৰ তটস্থ লক্ষণ

৯.৬ ব্রহ্মৰ নেতি-নেতি ধাৰণা

৯.৭ মায়াৰ অর্থ

৯.৮ মায়া অভিজ্ঞতালব্ধ বিষয়

৯.৯ মায়াৰ দুই কার্য

৯.১০ মায়াৰ স্বৰূপ

৯.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.১২ অধিক জানিবলৈ

৯.১৩ অগ্রগতিৰ খতিয়ান

৯.১৪ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বেদান্ত দর্শনৰ অর্থ জানিব পাৰিব,
- শংকৰৰ অদ্বৈত বেদান্তৰ ব্যাখ্যা কৰিব পাৰিব,
- ব্রহ্মৰ বিষয়ে বর্ণনা কৰিব পাৰিব,
- ব্রহ্মৰ স্বৰূপ লক্ষণ বর্ণনা কৰিব পাৰিব,
- ব্রহ্মৰ নেতি নেতি ধাৰণা ব্যাখ্যা কৰিব পাৰিব,
- অদ্বৈত বেদান্তত মায়াৰ গুৰুত্ব সম্বন্ধে বর্ণনা কৰিব পাৰিব,
- মায়াৰ অর্থ ব্যাখ্যা কৰিব পাৰিব,
- মায়াৰ দুই কার্য বর্ণনা কৰিব পাৰিব,
- মায়াৰ বৈশিষ্ট্য উল্লেখ কৰিব পাৰিব।

৯.২ পৰিচয়

এই অধ্যায়টিত শঙ্কৰাচার্যৰ ব্রহ্মৰ বিষয়ে আলোচনা কৰা হ'ব। ব্রহ্মৰ বিষয়ে জনাৰ আগতে আমি বেদান্ত দর্শন বুলিলে কি বুজায় তাক জনাটো দৰকাৰ। গতিকে আমি প্রথমতে বেদান্ত দর্শনৰ বিষয়ে আলোচনা কৰো আহক। ভাৰতৰ বিভিন্ন দর্শন সম্প্রদায়ৰ ভিতৰত বেদান্ত দর্শনে এক বিশিষ্ট স্থান অধিকাৰ কৰিছে। ইয়াক ভাৰতীয় আধ্যাত্মিকতাৰ মূল ভেটি বুলিব পাৰি। উপনিষদেই হৈছে বেদান্ত দর্শনৰ মূল উৎস। বেদান্ত বুলিলে 'বেদৰ অন্ত' বোলা হয়। সাধাৰণতে উপনিষদ আৰু বেদান্ত দর্শনক সমার্থক হিচাপে ধৰা হয়। পিচলৈ উপনিষদৰ পৰা উদ্ভুত সকলো চিন্তাকে বেদান্ত নামেৰে অভিহিত কৰা হৈছিল। সমগ্র বৈদিক চিন্তাধাৰাৰ পূর্ণবিকাশ উপনিষদতে ঘটিছে। বিভিন্ন কাৰণত উপনিষদক বেদান্ত বোলা হয়। তলত ইয়াৰে কেইটামান উল্লেখযোগ্য কাৰণ বর্ণনা কৰা হ'ল।

(ক) উপনিষদেই হৈছে বৈদিক যুগৰ শেষৰ ৰচনা। বৈদিক যুগৰ ৰচনাক তিনি প্রকাৰত ভাগ কৰিব পাৰি -- সংহিতা, ব্রাহ্মণ আৰু উপনিষদ। উপনিষদ হৈছে বৈদিক যুগৰ শেষ সৃষ্টি য'ত দার্শনিক তত্ত্বসমূহৰ বিচাৰ কৰা হৈছে।

(খ) পাঠবিধি অনুসাৰেও উপনিষদৰ স্থান সর্বশেষত। ভাৰতীয় সামাজিক ব্যৱস্থাত মানুহৰ জীৱনক চাৰিটা আশ্রমত বিভক্ত কৰা হৈছে -- ব্রহ্মচর্য, গার্হস্থ্য, বানপ্রস্থ আৰু সন্ন্যাস। শাস্ত্রৰ বিধান অনুযায়ী মানুহে প্রথমতে ব্রহ্মচর্য্য আশ্রমত সংহিতা পাঠ কৰিব। গার্হস্থ্যকালত গৃহধর্ম অনুসৰি ব্রাহ্মণ পাঠৰ নির্দেশ দিয়া হৈছে। সর্বশেষত মানুহে যেতিয়া সাংসাৰিক কর্তব্য সমাপন কৰি স্থিৰ মস্তিস্কৰে দার্শনিক তত্ত্বৰ উপলব্ধিৰ বাবে অগ্রসৰ হয় তেতিয়া উপনিষদ পাঠৰ বাবে যোগ্য হয়। সেয়েহে জীৱনৰ বিয়লিবেলাত উপনিষদ অধ্যয়নৰ নির্দেশ দিয়া হৈছে।

(গ) সর্বশেষত উপনিষদতেই বৈদিক চিন্তাৰ পৰিপূর্ণ বিকাশ আৰু পৰিণতি লাভ কৰা বুলি ক'ব পাৰি। উপনিষদৰ সাৰতত্ত্ব উপলব্ধি নকৰালৈকে মানুহ পূর্ণজ্ঞানী হ'ব নোৱাৰে। বৈদিক চিন্তাৰ চৰম প্রকাশ হিচাপে উপনিষদক বেদান্ত বোলা হয়।

এইখিনিতে মনত ৰাখিব লাগিব যদিও উপনিষদক বেদান্ত বোলা হয়, তথাপি বেদান্ত দর্শনে কেৱল উপনিষদকে নুবুজায়। যিবোৰ গ্রন্থত ব্রহ্মজ্ঞানৰ বিষয়ে আলোচিত হৈছে, সেই সকলো গ্রন্থই বেদান্ত দর্শনৰ অন্তর্গত। এই অর্থত বেদান্ত দর্শনে উপনিষদৰ লগতে ভাগৱদগীতা, ব্রহ্মসূত্র আৰু ব্রহ্মজ্ঞানৰ লগত জড়িত সকলো ধৰণৰ ভাষ্য গ্রন্থকেই সামৰি লৈছে। উপনিষদ, ভাগৱতগীতা আৰু ব্রহ্মসূত্র এই তিনিওটাকে একেলগে প্রস্থানএয় বোলা হয়। প্রস্থান শব্দ অর্থ হ'ল 'আকাৰ গ্রন্থ'। উপনিষদবোৰত যিবোৰ দার্শনিক তত্ত্ব আছে সেইবোৰ প্রণালীবদ্ধ হৈ নথকা বাবে মহর্ষি বাদৰায়নে এইবোৰৰ সমন্বয় সাধন কৰি ব্রহ্মসূত্র ৰচনা কৰে। আনহাতে ভাগৱদগীতাত উপনিষদৰ দার্শনিক তত্ত্বৰ মূল সাৰ ভাগ সন্নিবিষ্ট হৈছে। মুঠতে উপনিষদ,

ব্রহ্মসূত্র আৰু ভাগৱদগীতা এই তিনিওটাই হৈছে বেদান্ত দর্শনৰ মূল ভেটি। শঙ্কৰৰ অদ্বৈত বেদান্তত মায়াবাদে এক বিশেষ স্থান দখল কৰিছে। শঙ্কৰৰ দর্শনত কোৱা হৈছে যে ব্রহ্মহে একমাত্র সত্য আৰু জগতখন ব্রহ্মৰেই অৱভাস মাথোন। এই দৃশ্যমান জগতখন কিদৰে অৱভাস হ'ল এই তত্ত্বটো মায়াবাদৰ সহায়ত শঙ্কৰে অতি সুন্দৰকৈ তেওঁৰ দর্শনত ব্যাখ্যা কৰিছে।

আপোনালোকে জনা দৰকাৰ যে যদিও মায়াবাদ শঙ্কৰৰ দর্শনৰ এক বিশিষ্ট অৱদান, তথাপিও শঙ্কৰক মায়াবাদৰ প্রতিষ্ঠাতা বা জন্মদাতা বুলিব নোৱাৰি। ভাৰতৰ প্রাচীন দার্শনিক সাহিত্য যেনে বেদ, উপনিষদ, ভাগৱদগীতা, ব্রহ্মসূত্র, গৌড়পাদৰ সাংখ্যকাৰিকা আদিৰ পৰা আহৰণ কৰা গভীৰ জ্ঞানেৰে শঙ্কৰে মায়াবাদৰ অৱতাৰণা কৰিছিল।

আমাৰ আগৰ অধ্যায়ৰ পৰা আপোনালোকে জানিব পাৰিছে যে অদ্বৈত বেদান্তৰ মতে ব্রহ্মই একমাত্র পৰম সত্য আৰু জগতখন ব্রহ্মৰেই অৱভাস মাত্র। এতিয়া প্রশ্ন হ'ল যদিহে ব্রহ্মই একমাত্র সত্য তেনেহ'লে ব্রহ্ম আৰু জগতৰ মাজত সম্বন্ধ কি? ব্রহ্মৰ পৰা জগতৰ অৱভাস কেনেদৰে হ'ল? অদ্বৈত বেদান্তৰ মতে ব্রহ্ম আৰু জগতৰ মাজত কোনো সম্বন্ধৰ প্রশ্নই উঠিব নোৱাৰে। কাৰণ দুটা বস্তুৰ মাজত সম্বন্ধ হ'বলৈ হ'লে সম্বন্ধিত বস্তু দুটা পৰস্পৰ পৃথক হ'ব লাগিব। ব্রহ্ম আৰু জগতৰ মাজত যদি কোনো সম্বন্ধ থাকে তেনেহ'লে সিহঁত এটা আনটোতকৈ পৃথক হ'ব লাগিব। কিন্তু অদ্বৈত বেদান্তৰ মতে ব্রহ্ম পৰম সত্য আৰু জগতখন ব্রহ্মৰ অৱভাস মাত্র। গতিকে সাধাৰণ অর্থত ব্রহ্ম আৰু জগতৰ মাজত কোনো সম্বন্ধ থাকিবই নোৱাৰে। অর্থাৎ ব্রহ্ম আৰু জগত পৰস্পৰ পৃথক নহয় আৰু সেয়েহে ব্রহ্ম আৰু জগতৰ মাজত সাধাৰণ অর্থত কোনো সম্বন্ধ থাকিব নোৱাৰে।

অদ্বৈত দর্শনত শঙ্কৰে অতি বলিষ্ঠ আৰু যুক্তিসংগত প্রক্রিয়াৰে মায়াবাদৰ সহায়ত ব্রহ্ম আৰু জগত তত্ত্বৰ জটিল তত্ত্বটো ব্যাখ্যা কৰি দেখুৱাইছে। শঙ্কৰৰ পূর্বে কোনো দার্শনিক সম্বন্ধটো মায়া সম্পর্কে তাত্ত্বিক আলোচনা কৰা দেখা নাযায়। পোন প্রথম বাৰৰ বাবে তেওঁ মায়াক এটা তাত্ত্বিক ৰূপ কি জগতখনৰ ব্যাখ্যা দিবলৈ চেষ্টা কৰিছে। মায়াৰ সহায়ত তেওঁ প্রমাণ কৰিছে যে ব্রহ্মই একমাত্র পৰম সত্য আৰু জগতখন ব্রহ্মৰ অৱভাস মাত্র। যাদুকৰে যাদুশক্তিৰে এটা মুদ্রাক এশ মুদ্রালৈ পৰিবর্তন কৰি দেখুৱাব পাৰে। আমি ইয়াৰ কোনো ব্যাখ্যা দিব নোৱাৰো। আমি কেৱল ইয়াক 'মায়া' আখ্যা দিও। অদ্বৈত দর্শনত ব্যৱহাৰ হোৱা এটা বিশেষ উদাহৰণ হ'ল ৰচী আৰু সাপৰ ভ্রম (ৰজ্জু সর্প ভ্রম)। আন্ধাৰত ৰচীডালক সাপ বুলি ভবা হয়। সেইদৰে মায়া বা অজ্ঞানতাৰ বাবে ব্রহ্মক জগত প্রপঞ্চ বুলি ভবা হয়। ৰচী অবিহনে সাপৰ ভ্রম হ'ব নোৱাৰে। সেইদৰে ব্রহ্মৰ অবিহনে জগত হ'ব নোৱাৰে। যিদৰে আন্ধাৰ বা অজ্ঞতাৰ বাবেই ৰচিক সাপ দেখা যায়, তেনেহ'লে মায়াৰ বাবেই ব্রহ্মৰ সলনি জগতখন দেখা যায়। এইদৰে শঙ্কৰে মায়াৰ সহায়ত ব্রহ্ম আৰু জগতৰ সম্বন্ধ সুন্দৰকৈ ব্যাখ্যা কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ বেদান্ত দর্শন বুলিলে কি বুজায়? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্রশ্ন ২ ঃ উপনিষদক কিয় বেদান্ত বোলা হয়? (৬২টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্রশ্ন ৩ ঃ বেদান্ত দর্শনৰ প্রস্থানত্রয় কি কি?

.....

.....

.....

প্রশ্ন ৪ ঃ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক

(ক) বেদান্ত মানে 'বেদৰ অন্ত'। (শুদ্ধ/অশুদ্ধ)

(খ) অদ্বৈত বেদান্ত শঙ্কৰৰ নামেৰে জনা যায়। (শুদ্ধ/অশুদ্ধ)

(গ) উপনিষদ ভাগৱদ গীতা আৰু ব্রহ্মসূত্রক একে লগে প্রস্থানত্রয় বোলা হয়। (শুদ্ধ/অশুদ্ধ)

৯.৩ অদ্বৈত বেদান্ত

বেদান্ত দর্শনৰ বিভিন্ন সম্প্রদায় আছে। তাৰ ভিতৰত শঙ্কৰাচার্যৰ অদ্বৈত বেদান্ত আৰু ৰামানুজৰ বিশিষ্টদ্বৈত বেদান্ত উল্লেখযোগ্য। আটাইবোৰ সম্প্রদায়ৰ ভিতৰত শঙ্কৰাচার্যৰ অদ্বৈত বেদান্তই ভাৰতৰ দার্শনিক ইতিহাসত এক উচ্চতম স্থান দখল কৰিবলৈ সক্ষম হৈছে। সাধাৰণতে শঙ্কৰাচার্যকেই অদ্বৈতবাদৰ প্রতিষ্ঠাতা বুলি কোৱা হয়। কাৰণ অদ্বৈতবাদ শঙ্কৰৰ নামৰ লগত বিশেষভাৱে জড়িত। কিন্তু শঙ্কৰৰ জন্মৰ বহু আগতেই অদ্বৈতবাদৰ আবির্ভাব হৈছিল। ভাৰতৰ অন্য দার্শনিক সম্প্রদায়ৰ দৰে অদ্বৈত চিন্তাধাৰাও এটা যুগৰ সৃষ্টি নহয়। ই হৈছে ভাৰতৰ প্রাচীন গ্রন্থ যেনে ঋকবেদৰ সময়ৰ পৰা আৰম্ভ কৰি লাহে লাহে সম্প্রসাৰিত হোৱা এক সম্প্রদায়। ঋকবেদৰবিখ্যাত উক্তি হৈছে 'একম্ সদ্ বিপ্রা বহুধা বদন্তি' ইয়াৰ অর্থ হ'ল পৰম সত্তা। এক আৰু ই বিভিন্ন ধৰণে প্রকাশ হয়। ঋকবেদতেই প্রথম অদ্বৈতবাদী চিন্তাৰ উদ্ভৱ হয় আৰু সমগ্র ভাৰততে সম্প্রসাৰিত হৈছিল।

গতিকে দেখা গ'ল শঙ্কৰাচার্যক অদ্বৈত বেদান্তৰ প্রতিষ্ঠাতা বুলি ক'লে সঠিক নহ'ব। শঙ্কৰাচার্যই নিজেও অদ্বৈত বেদান্তৰ প্রতিষ্ঠাতা হিচাপে নিজকে প্রকাশ কৰা নাছিল। প্রকৃততে অদ্বৈতবাদৰ প্রথম নিদর্শন পোৱা যায় গৌড়পাদকাৰিকাত। আচার্য গৌড়পাদ শঙ্কৰাচার্যৰ গুৰুৰ গুৰু (পৰম গুৰু) আছিল। গৌড়পাদৰ মাণ্ডুক্যকাৰিকাত অদ্বৈতবাদৰ মূল তত্ত্বখিনি সুন্দৰকৈ প্রকাশিত হৈছে। তথাপি শঙ্কৰাচার্যৰ দর্শনৰ বিশেষত্ব এয়ে যে তেওঁৰ দর্শনতে পোন প্রথম বাৰৰ বাবে ভাৰতীয় দর্শনৰ আধ্যাত্মিক, নৈতিক, ধার্মিক আদি সকলো দিশতে এক অদ্বৈতভাৱধাৰা পূর্ণৰূপ পাই বিকশিত হৈছিল। সেয়েহে শঙ্কৰাচার্যক অদ্বৈত বেদান্তৰ প্রধান পৃষ্ঠপোষক আখ্যা দিব পাৰি। তেৱেই অদ্বৈত বেদান্তক বিজ্ঞানসম্মত আৰু সুসংগঠিতভাৱে জগতত প্রতিষ্ঠা কৰিছিল। উপনিষদক বেদান্ত বোলাৰ বিভিন্ন যুক্তিসংগত কাৰণ আছে।

এতিয়া আমি আমাৰ পাঠভিত্তিক আলোচ্য বিষয় ব্রহ্মৰ বিষয়ে জানো আহক।

৯.৪ ব্রহ্ম

শঙ্কৰৰ দর্শনৰ মূল তত্ত্বখিনি মাত্র এটি অর্দ্ধশ্লোকত সুন্দৰকৈ প্রকাশ কৰা হৈছে "ব্রহ্ম সত্য, জগত মিথ্যা, জীৱো ব্রহ্মৈ ৱ নাপৰঃ" অর্থাৎ "ব্রহ্মই হৈছে একমাত্র সত্য, জগতখন মিছা আৰু জীৱাত্মাসমূহ ব্রহ্মৰ পৰা পৃথক নহয়।" গতিকে শঙ্কৰৰ বেদান্ত দর্শনৰ মূল তত্ত্ব হৈছে যে ব্রহ্মই একমাত্র সত্য, এই বিশ্বজগত ব্রহ্মৰেই অবভাস মাত্র আৰু এই অবভাসৰ মূল কাৰণ হৈছে মায়া। শঙ্কৰৰ দর্শনক কোৱা হয় ব্রহ্মবিদ্যা, কাৰণ ইয়াৰ মূল বিষয়েবস্তু হৈছে ব্রহ্মজ্ঞান। ব্রহ্ম কি, ইয়াৰ স্বৰূপ কি ইত্যাদি উপনিষদ আৰু শাস্ত্রত নিৰূপণ কৰা হৈছে আৰু শঙ্কৰৰ দর্শন পঢ়িলে আমি দেখা পাওঁ যে অদ্বৈত বেদান্তত একেই প্রাচীন পৰম্পৰা অনুসৰণ কৰি ব্রহ্মৰ স্বৰূপ নির্ণয় কৰা হৈছে।



চিন্তা-চর্চা কৰক ৯.১

জগতখন সত্যনে? আপুনি কি ভাৱে আলোচনা কৰক?

.....

.....

৯.৫ ব্রহ্মৰ স্বৰূপ

উপনিষদত ব্রহ্মক দুটা দৃষ্টিভংগীৰে বর্ণনা কৰা হৈছে। সেইবোৰ হৈছে পাৰমার্থিক দৃষ্টিভংগী বা স্বৰূপলক্ষণ বা তটস্থলক্ষণ। শঙ্কৰৰ অদ্বৈত বেদান্ততো উপনিষদৰ দৰেই ব্রহ্মৰ স্বৰূপ দুটা দৃষ্টিভংগীৰে বর্ণনা কৰা হৈছে।

৯.৫.১ (ক) ব্রহ্মৰ স্বৰূপ লক্ষণ

স্বৰূপ লক্ষণ বা পাৰমার্থিক দৃষ্টিভংগীৰে উপনিষদত ব্রহ্মক বর্ণনা কৰা হৈছে "সত্যম্ জ্ঞানম্ অনন্তম্ ব্রহ্ম," অর্থাৎ ব্রহ্ম সত্য, জ্ঞান আৰু অনন্ত স্বৰূপ।

ব্রহ্ম সত্য ঃ ব্রহ্ম সদায় একে আৰু অপৰিবর্তনীয়। ই সত্য আৰু ইয়াত কোনো বিৰূদ্ধ ভাৱ নাই। ই সৎ বা সত্য।

- **ব্রহ্ম জ্ঞান স্বৰূপ ঃ** ব্রহ্মৰ ক্ষেত্রত জ্ঞান সাধাৰণ অর্থত কোনো লোৱা হোৱা নাই। সাধাৰণ অর্থত জ্ঞান হৈছে জ্ঞাতা আৰু জ্ঞেয়ৰ সম্বন্ধ। ব্রহ্ম হৈছে এনে জ্ঞান যিটো বিষয় আৰু বিষয়ী, বা জ্ঞাতা আৰু জ্ঞেয়ৰ উর্দ্ধত। জ্ঞান ব্রহ্মৰ গুণ নহয়। ব্রহ্ম নিজেই জ্ঞানস্বৰূপ।
- **ব্রহ্ম অনন্ত ঃ** ব্রহ্ম অসীম, অনন্ত আৰু অশেষ। স্থান, কাল আৰু কার্যকাৰণ সূত্রৰ পৰা ব্রহ্ম সদায় মুক্ত। ব্রহ্মৰ কোনো উৎপত্তিও নাই, পৰিণতিও নাই। কাৰণ ব্রহ্ম অনন্ত।

  অন্য এক সূত্রৰে ব্রহ্মক বর্ণনা কৰা হৈছে। সেই মত অনুযায়ী ব্রহ্ম হৈছে সৎ, চিৎ আৰু আনন্দ (সচ্ছিদানন্দ ব্রহ্ম)। সৎ, চিৎ আৰু আনন্দ ব্রহ্মৰ গুণ নহয়, ব্রহ্ম নিজে সচ্ছিদানন্দ স্বৰূপ।
- **ব্রহ্ম সৎ ঃ** ইয়াৰ অর্থ হৈছে ব্রহ্ম সত্য আৰু ব্রহ্ম কেতিয়াও মিছা হ'ব নোৱাৰে।
- **ব্রহ্ম চিৎ ঃ** ব্রহ্ম চিৎ বা স্বপ্রকাশ।
- **ব্রহ্ম আনন্দ ঃ** ব্রহ্ম আনন্দস্বৰূপ। আনন্দ মানে সুখ নুবুজায়। সুখ ব্রহ্মৰ গুণ নহয়, ব্রহ্ম নিজেই আনন্দ স্বৰূপ।

গতিকে দেখা গ'ল সৎ বা অস্তিত্ব, চিৎ বা জ্ঞান আৰু আনন্দ ব্রহ্মৰ কোনো গুণ নহয়। ব্রহ্ম জ্ঞানৰ বিষয়ে হ'ব নোৱাৰে। ব্রহ্ম হৈছে নিগুর্ণ ব্রহ্ম। উপনিষদত ব্রহ্মক 'নির্গুণোগুনী' বুলি উল্লেখ কৰা হৈছে।

অন্য এক সূত্রমতে ব্রহ্ম সকলো প্রকাৰৰ ভেদমুক্ত (ভেদৰহিতম্)। ভেদ বা পার্থক্য তিনি প্রকাৰৰ। যেনে -- (i) স্বজাতীয় ভেদ। একে জাতিৰ অন্তর্গত দুজন ব্যক্তিৰ মাজত যি ভেদ বা পার্থক্য তাক কোৱা হয় স্বজাতীয় ভেদ। উদাহৰণ স্বৰূপে দুডাল আমগছৰ মাজত এনে পার্থক্য পোৱা যায়। (ii) বিজাতীয় ভেদ দুটা ভিন্ন জাতিৰ মাজত থকা ভেদ বা পার্থক্য হৈছে বিজাতীয় ভেদ। (iii) স্বগতঃ ভেদ -- এটা বস্তুৰ অন্তর্গত বিভিন্ন অংশৰ মাজত থকা ভেদ বা পার্থক্য হৈছে স্বগতঃ ভেদ। গছ এডালৰ বিভিন্ন অংশ যেনে শিপা, গা-গছ, ডাল, পাত, ফল, ফুল আদিৰ মাজত স্বগতঃ ভেদ পোৱা যায়।

ব্রহ্মৰ কোনো ধৰণৰ ভেদ থাকিব নোৱাৰে। ব্রহ্মৰ কোনো স্বজাতীয় ভেদ

নাই। কাৰণ ব্রহ্ম হৈছে এক বা একক। দ্বিতীয় এনে কোনো ব্রহ্ম নাই যাৰ লগত স্বজাতীয় ভেদ আনিব পাৰি।

ব্রহ্মৰ কোনো বিজাতীয় ভেদ নাই। কাৰণ অদ্বৈত বেদান্তত অন্য কোনো দ্বিতীয় সত্তাৰে অস্তিত্ব থাকিব নোৱাৰে। গতিকে ব্রহ্মক কোনো অন্য পৰম সত্তাৰ লগত ৰিজাব নোৱাৰি। সেয়েহে শাস্ত্রক কোৱা হৈছে "সর্বম খলু ইদম্ ব্রহ্ম" অর্থাৎ ব্রহ্মই সকলো। ব্রহ্মই একমাত্র চৈতন্য স্বৰূপ পৰম সত্তা আৰু ব্রহ্মক বহুধা বিভক্ত কৰিব নোৱাৰি। গতিকে ব্রহ্ম স্বগত ভেদমুক্ত।

৯.৫.২ (খ) ব্রহ্মৰ তটস্থলক্ষণ

তটস্থলক্ষণ বা ব্যৱহাৰিক দৃষ্টিকোণৰ পৰা ব্রহ্মক বিচাৰ কৰিলে ব্রহ্মক সগুণ ব্রহ্ম হিচাপে পোৱা যায়। ব্রহ্মক বিভিন্ন গুণেৰে, নামেৰে বর্ণনা কৰা হয় যিবোৰ মানুহে ব্রহ্মৰ গাত আৰোপ কৰে। তটস্থলক্ষণৰ ফালৰ পৰা নির্গুণ ব্রহ্মক নাম-ৰূপ আৰু কর্মৰ দ্বাৰা বর্ণনা কৰা হয়। ব্রহ্মই হৈছে জগতৰ মূল কাৰক। তেৱেই হৈছে জগতৰ সৃষ্টিকর্তা, পালন কর্তা আৰু সংহাৰ কর্তা। ব্যৱহাৰত ব্রহ্মই হৈছে সগুণ ব্রহ্ম বা ঈশ্বৰ। ব্রহ্ম হৈছে নিত্য, শুদ্ধ, বুদ্ধ, মুক্ত চৈতন্য স্বৰূপ আৰু নির্গুণ। কিন্তু মানুহে লোকব্যৱহাৰত ব্রহ্মক জগত স্রষ্টা, ৰক্ষক, সংহাৰক, কৰুণাময়, দয়াময়, ভক্তৰ ভগৱান ইত্যাদি নানা বিশেষণেৰে বিভূষিত কৰে। এয়েই হৈছে তটস্থলক্ষণ ব্রহ্ম বা সগুণ ব্রহ্ম।

গতিকে দেখা গ'ল অদ্বৈত বেদান্তত ব্রহ্মক দুটা দৃষ্টিভংগীৰে বিচাৰ কৰা হয়। এটা হৈছে স্বৰূপ লক্ষণ বা নির্গুণ ব্রহ্ম আৰু আনটো হৈছে তটস্থলক্ষণ। ব্রহ্ম নিজে নির্গুণ নির্বিশেষে, এয়া হৈছে ব্রহ্মৰ পাৰমার্থিক সত্তা। কিন্তু ব্যৱহাৰিক দৃষ্টিত ব্রহ্ম সর্বময়জ্ঞাতা, কর্তা, ভোক্তা। অদ্বৈত বেদান্তত এইদৰে ব্রহ্মৰ বিষয়ে দুটা ধৰণৰ বর্ণনা পোৱা যায় --- পাৰমার্থিক আৰু ব্যৱহাৰিক, পৰা আৰু অপৰা, নির্গুণ আৰু সগুণ ব্রহ্ম।

এতিয়া প্রশ্ন হ'ব পাৰে ব্রহ্মৰ প্রকৃত স্বৰূপ কি? প্রকৃততে ব্রহ্ম নির্গুণ, নিৰাকাৰ, নির্বিশেষ নে ব্রহ্ম সগুণ, সাকাৰ আৰু নানা বিশেষণ সম্বলিত?

ৰামানুজৰ দৰে বিশিষ্টাদ্বৈতবাদী দার্শনিকসকলৰ মতে ব্রহ্ম সদায় সগুণ আর্থাৎ নানা গুণ সম্পন্ন। ব্রহ্মই হৈছে জগতৰ সৃষ্টিকর্তা, পালন কর্তা আৰু সংহাৰ কর্তা। তেওঁলোকে ব্রহ্মক সর্বজ্ঞ, অন্তর্য্যামী, সর্বশক্তিমান, সর্বব্যাপ্ত ঈশ্বৰ ৰূপে বর্ণনা কৰে। তেওঁলোকৰ মতে উপনিষদত বর্ণনা কৰা ব্রহ্মই সগুণ ব্রহ্মক বুজায় আৰু নির্গুণ ব্রহ্মই কেৱল ব্রহ্মৰ অস্তিত্বকহে সূচায়।

আনহাতে অদ্বৈতবাদী শঙ্কৰে তেওঁৰ দর্শনত সুন্দৰকৈ ব্যাখ্যা কৰিছে যে নির্গুণ ব্রহ্মই পৰম ব্রহ্ম বা পাৰমার্থিক সত্তা। অপৰাব্রহ্ম বা ঈশ্বৰ হৈছে বৌদ্ধিক দৃষ্টিৰে নির্ণয়

কৰা ব্রহ্ম। ঈশ্বৰ কেতিয়াও পৰম সত্য হ'ব নোৱাৰে। কাৰণ ই বিধেয়াত্মক আৰু তর্কপ্রসুত। ঈশ্বৰ সগুণ সম্পন্ন। কিন্তু ব্রহ্ম স্বৰূপত নির্গুণ, নিৰাকাৰ, শুদ্ধ সত্তা মাত্র। মানুহে যেতিয়া পৰম জ্ঞান বা ব্রহ্ম জ্ঞান লাভ কৰে, তেতিয়াহে নির্গুণ ব্রহ্মক লাভ কৰিব পাৰে, আৰু যেতিয়ালৈকে মানুহৰ আধ্যাত্মিক জ্ঞানৰ উত্তৰণ নহয়, যেতিয়ালৈকে মানুহে ব্যৱহাৰিক সত্তা স্তৰ অতিক্রম কৰি পাৰমার্থিক স্তৰৰ জ্ঞানত উপনীত হ'ব নোৱাৰে, তেতিয়ালৈকে মানুহে ব্রহ্মক সগুণ ব্রহ্ম অর্থাৎ মায়াময় ঈশ্বৰ হিচাপে জানিব। গতিকে এক পৰম ব্রহ্মইয়ে দুটা ভিন্ন দৃষ্টিৰে পৰা নির্গুণ আৰু সগুণ এই তত্তটো শঙ্কৰৰ দর্শনত অতি সুন্দৰকৈ উপনিষদৰ তথ্য সহকাৰে বর্ণনা কৰিছে।



চিন্তা-চর্চা কৰক ঃ ৯.২

ব্রহ্মক জানিব পাৰিনে? আপুনি কি ভাৱে? আলোচনা কৰক।

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ অদ্বৈত বেদান্তৰ পৰম সত্য সম্পর্কে থকা দুটা ধাৰণা কি কি?

.....

.....

প্রশ্ন ৬ ঃ নির্গুণ ব্রহ্ম কাক বোলে?

.....

.....

প্রশ্ন ৭ ঃ সগুণ ব্রহ্ম কাক বোলে?

.....

.....

প্রশ্ন ৮ ঃ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক —

(ক) ব্রহ্মক দুটা দৃষ্টিভংগীৰে জানিব পাৰি। (শুদ্ধ/অশুদ্ধ)

(খ) সচ্চিদানন্দ ব্রহ্মৰ স্বৰূপা লক্ষণ। (শুদ্ধ/অশুদ্ধ)

(গ) ব্যৱহাৰিক দৃষ্টিভংগীৰে ব্রহ্ম হৈছে জগতৰ মূল কাৰণ। (শুদ্ধ/অশুদ্ধ)

(ঘ) স্বৰূপার্থত ব্রহ্ম নির্গুণ। (শুদ্ধ/অশুদ্ধ)

৯.৬ ব্রহ্মৰ নেতি নেতি ধাৰণা

ব্রহ্ম এনে এক পৰম সত্তা, যাৰ বিষয়ে কোনো বর্ণনা দিবলৈ চেষ্টা কৰা মানে অসীম সত্তাক সীমিত কৰাৰ চেষ্টা কৰা। সেয়েহে ব্রহ্মক অনির্বচনীয় কোৱাহয়। অর্থাৎ ব্রহ্মক কোনো বৌদ্ধিক জ্ঞানেৰে বর্ণনা কৰিব নোৱাৰি। সেয়েহে উপনিষদত কোৱা হৈছে যে ব্রহ্মক কেৱল নঞৰ্থক ধাৰণাৰেহে জানিব পাৰি। নঞৰ্থক ধাৰণাৰে ব্রহ্মৰ জ্ঞান আহৰণ কৰাই হৈছে উত্তম উপায়। 'ন-ইতি', 'ন-ইতি', (নেতি নেতি) ৰ অর্থ হৈছে জাগতিক বস্তুবোৰৰ ধাৰণাৰে 'ব্রহ্ম এইটো নহয়', 'ব্রহ্ম সেইটো নহয়' -- এনে ধৰণৰ ব্যাখ্যাৰে ব্রহ্মৰ জ্ঞান লাভ কৰাৰ উপায় উপনিষদত নির্দেশ কৰা হৈছে। 'নেতি-নেতি' ধাৰণাৰে ব্রহ্মক অস্বীকাৰ কৰা বুজোৱা নাই। ইয়াৰ দ্বাৰা ব্রহ্মৰ ক্ষেত্রত সকলো ধৰণৰ গুণ বা বিশেষণেৰে অস্বীকাৰ কৰা হৈছে। মানুহে কেতিয়াও ব্যৱহাৰিক বা বৌদ্ধিক জ্ঞান প্রক্রিয়াৰে ব্রহ্মক জানিব নোৱাৰে। কিন্তু নঞৰ্থক ধাৰণাৰে জাগতিক বিষয়ক অতিক্রম কৰি ব্রহ্মক অনুভৱ কৰিব পাৰি। ব্রহ্ম জ্ঞানৰ বিষয়বস্তু নহয়, ব্রহ্ম জ্ঞান স্বৰূপ। সেয়েহে বৌদ্ধিক জ্ঞান আৰু ব্রহ্ম জ্ঞান বা আত্ম জ্ঞান একে নহয়। ব্রহ্মজ্ঞান হৈছে উপলব্ধিৰ বস্তু য'ত ব্রহ্মৰ সৈতে একাত্মবোধ হয়। ধাৰণাৰে (নেতি-নেতি) ব্রহ্মৰ স্বৰূপৰ আভাস মাত্র পাব পাৰি। উপলব্ধিৰ দ্বাৰাহে ব্রহ্মজ্ঞান হয়। সেয়েহে শাস্ত্রত কোৱা হৈছে -- "ব্রহ্ম বেদ, ব্রহ্মৈৰ ভবতি" -- অর্থাৎ ব্রহ্মক জনা মানে ব্রহ্ম স্বৰূপ হোৱা।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে শঙ্কৰৰ দর্শনৰ মতে ব্রহ্মই হৈছে একমাত্র পৰম সত্য। পৰম সত্য ব্রহ্মক দুটা দৃষ্টিভংগীৰে বর্ণনা কৰিব পাৰি। সেইটো হৈছে পাৰমার্থিক দৃষ্টিভংগী আৰু ব্যৱহাৰিক দৃষ্টিভংগী। পাৰমার্থিক দৃষ্টিভহংগীৰে ব্রহ্ম হৈছে নির্গুণ, নিৰাকাৰ আৰু ব্যৱহাৰিক দৃষ্টিভংগীৰে ব্রহ্মক সগুণ ব্রহ্ম বোলা হয়। যিসকল বিৰল প্রতিভাশালী ব্যক্তিয়ে কঠোৰ সাধনাৰে ব্রহ্মজ্ঞানৰ অধিকাৰী হৈছে তেওঁলোকেহে নির্গুণ ব্রহ্মক অনুভৱ কৰিব পাৰে। আনহাতে ব্যৱহাৰিক দৃষ্টিভংগীৰে আমি মাত্র সগুণ ব্রহ্মকহে জানিব পাৰো। সগুণ ব্রহ্ম হৈছে ধর্মীয় পৰম্পৰাৰ ভগৱান বা ঈশ্বৰ যাৰ দ্বাৰা মানুহৰ ধর্মীয় অনুভূতিৰ উপলব্ধি হয়।

৯.৭ মায়াৰ অর্থ

প্রাচীন ভাৰতীয় চিন্তাধাৰাত 'মায়া' শব্দটো কোনো নির্দিষ্ট অর্থত ব্যৱহাৰ হোৱা দেখা নাযায়। সেই কাৰণেই বোধহয় মায়া তত্ত্বটো অতি ব্যাপকভাৱে ভ্রান্ত ধাৰণা বিকৃত অর্থত বিভিন্ন দার্শনিকে ব্যাখ্যা কৰিছে। অকল ভাৰতবর্ষতে নহয়, পাশ্চাত্য দার্শনিকসকলৰ চিন্তা-চর্চাটো মায়া শব্দৰ অর্থ ভিন্ন জনে ভিন্ন ধৰণে দিছে। সেয়েহে মায়াবাদ ব্যাপক সমালোচনাৰ বিষয় হৈছে।

'মায়া' শব্দটো সাধাৰণতে ইংৰাজীত 'Illusion' হিচাপে অনুবাদ কৰা হয়। অকল পাশ্চাত্য দর্শনতেই নহয় ভাৰতীয় দর্শনতো মায়াৰ অনুবাদ 'Illusion' যাৰ অর্থ হৈছে 'ভ্রম' বা 'মিছা'। শঙ্কৰৰ অদ্বৈত বেদান্তত যেতিয়া কোৱা হয় 'জগতখন মায়া', ইয়াৰ অর্থ হ'ব 'জগতখন মিছা' বা 'জগতথন ভ্রম'। এনে ধৰণৰ অনুবাদে মায়া তত্ত্বটোৰ ভ্রান্ত ধাৰণাহে সৃষ্টি কৰে। গতিকে দেখা যায় শঙ্কৰৰ মায়াবাদৰ বিভ্রান্তিৰ মূল কাৰণ হৈছে 'মায়াক' ইংৰাজী শব্দ 'Illusion' লৈ অনুবাদৰ চেষ্টা কৰা। কাৰণ 'মায়া'ৰ দৰে সংস্কৃত শব্দক ইংৰাজীলৈ অনুবাদৰ চেষ্টা কৰিলে ই তাৰ মূল তাৎপর্যটোকে হেৰুৱাই পেলায়। গতিকে সংস্কৃত শব্দ 'মায়াক' মায়া হিচাপে ব্যৱহাৰ কৰাই যুক্তি সংগত আৰু ইয়াক কোনো ইংৰাজী শব্দলৈ অনুবাদৰ চেষ্টা কৰিব নালাগে।

সংস্কৃত শব্দ মায়া দুটা শব্দৰ সংযুক্ত ফল -- 'মা' আৰু 'য়া' ৰ পৰা আহিছে। 'মা' ৰ অর্থ 'নহয়' আৰু 'য়া'ৰ অর্থ 'যিটো' আৰু দুয়োটাৰ একলগে অর্থ হ'ব 'মায়া হৈছে সেইটো, যিটো প্রকৃততে নহয়।' গতিকে 'জগতখন মায়া' -- ইয়াৰ অর্থ হ'ব জগতখন পৰম সত্যৰ এক অৱভাস যিটো পৰম সত্য পৰম সত্যৰ জ্ঞানৰ ওচৰত যাৰ কোনো অস্তিত্ব নাথাকে।

শঙ্কৰৰ মতে জগত প্রপঞ্চৰ মূল কাৰণ হৈছে মায়া। বিভিন্ন সময়ত শঙ্কৰে মায়াৰ অর্থত অজ্ঞান, অবিদ্যা, মায়া, প্রকৃতি, অব্যক্ত ইত্যাদি শব্দ প্রয়োগ কৰিছে। এই শব্দবোৰ মায়াৰ লগত সমার্থক হিচাপে ব্যৱহাৰ কৰা হয়। মায়াৰ সহায়ত শঙ্কৰৰ দর্শনত যুক্তিপূর্ণ ভাৱে ব্যাখ্যা কৰিছে যে ব্রহ্মই একমাত্র সত্য আৰু এই বিশাল জগতখন, য'ত আমি জন্মৰ পৰা মৃত্যুলৈকে থাকো, অভিজ্ঞতা পাওঁ, ই ব্রহ্মৰেই অৱভাস মাত্র। গতিকে মায়াবাদে শঙ্কৰৰ দর্শনত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে।

মায়াৰ ধাৰণা ভাৰতীয় দর্শন সাহিত্যত অতি প্রাচীন ঋকবেদত কোৱা হৈছে যে ইন্দ্রই মায়া শক্তিৰে অনেক ৰূপ ধাৰণ কৰে। গতিকে ঋক বেদত মায়াক এক শক্তি হিচাপে বর্ণনা কৰা হৈছে। উপনিষদতো 'মায়া' শব্দটো ব্যাপকভাৱে প্রয়োগ হৈছে। বৃহদাৰণ্যক উপনিষদত মায়াক এক যাদুকৰী শক্তি হিচাপে কোৱা হৈছে। 'পৰমাত্মা' এক হ'লেও মায়াৰ বাবেই অনেক ৰূপত প্রকাশ হয়। শ্বেতাশ্বতৰ উপনিষদত মায়াক 'প্রকৃতি' আখ্যা দিয়া হৈছে আৰু পৰম ব্রহ্ম পৰমেশ্বৰৰ শক্তি হিচাপে কোৱা হৈছে। ভাগৱদগীতাতো মায়া শব্দৰ প্রয়োগ হৈছে। ইয়াতো মায়াক ঈশ্বৰৰ শক্তি বোলা হৈছে। মায়া হৈছে মোহ সৃষ্টিকাৰী এক শক্তি, যাৰ দ্বাৰা মোহিত হৈ জীৱই অনেক নকৰিবলগীয়া কর্ম কৰে। গৌড়পাদৰ দর্শনত মায়া এক শক্তি যাৰ বাবে জীৱই জগতক সত্য বুলি ভাবে আৰু পৰম তত্ত্বক অনুভৱ কৰিব নোৱাৰে।

শঙ্কৰৰ মায়াবাদৰ পৃষ্ঠভূমিৰ ৰূপত বেদ, উপনিষদ, গীতা তথা গৌড়পাদৰ স্পষ্ট প্রভাৱ দেখা যায়। শঙ্কৰে মায়াৰ স্বৰূপ বর্ণনা কৰাৰ লগতে মায়াৰ কিছুমান বৈশিষ্ট্যৰ বর্ণনা কৰিছে। তলত আমি এই বিষয়ে আলোচনা কৰিম।

৯.৮ মায়া এক অভিজ্ঞতালব্ধ বিষয়

মায়া এটা মনে সজা ধাৰণা মাত্র নহয়। ই এক অভিজ্ঞতালব্ধ বিষয়। আমি আমাৰ অভিজ্ঞতাত দেখা পাওঁ যে বস্তু এটা ইয়াৰ মূল তত্ত্বতকৈ বেলেগ হয়। বাস্তৱ উদাহৰণেৰে কথাটো স্পষ্ট কৰো আহক। চলন্ত ট্রেইনৰ পৰা বাহিৰলৈ চালে গছ, ঘৰ ইত্যাদি বস্তুবোৰ পিছলৈ দৌৰি থকা দেখা যায়। আকাশত মেঘবোৰ গৈ থাকিলে এনে লাগে যেন মেঘবোৰ নহয়, চন্দ্রটোহে যেন গৈ আছে। লাঠি এডালৰ এটা মূৰত জুই লগাই জোৰেৰে ঘু�ৰাই দিলে জুই শিখা চক্রাকাৰে ঘুৰি থকা যেন লাগে। এই সকলোবোৰেই হৈছে মায়া। মায়াৰ বাবে বস্তু এটাৰ স্বৰূপটো লুকাই পৰে আৰু এক নতুন ৰূপত আমাৰ চকুত ধৰা পৰে আৰু এনে অভিজ্ঞতা আমাৰ দৈনন্দিন জীৱনত ঘটি আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৯ ঃ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক

(ক) মায়াৰ ধাৰণাই মত দাঙি ধৰে যে পৃথিৱীখন পৰম সত্তাৰ সৃষ্ট এক আভাসহে মাথোন। (শুদ্ধ/অশুদ্ধ)

(খ) মায়া হৈছে সেইটো, যিটো প্রকৃততে নহয়। (শুদ্ধ/অশুদ্ধ)

(গ) শঙ্কৰাচার্য হ'ল মায়া ধাৰণাটোৰ প্রণেতা। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ১০ ঃ বৃহৎ আৰণ্যক উপনিষদ মতে, মায়াৰ অর্থ কি?

.....

.....

প্রশ্ন ১১ ঃ শঙ্কৰৰ (মায়া সম্বন্ধে) ধাৰণাটো লিখক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ১২ ঃ মায়া মানে হৈছে যাদুকৰী শক্তি। কোনখন উপনিষদত এই কথাটো কোৱা হৈছে?

.....

.....

.....

৯.৯ মায়াৰ দুই কার্য

শঙ্কৰৰ মতে মায়া হৈছে এনে এক বিষয় বস্তুৰ প্রকৃত ৰূপ লুপ্ত কৰে আৰু তাৰ স্থানত এক বিকৃত ৰূপ প্রদান কৰে। মায়া ব্রহ্মাৰ এনে এক শক্তি যাৰ দ্বাৰা পৰম ব্রহ্মাৰ ৰূপ লুপ্ত হয় আৰু উদ্দেশ্য বিধেয় আকাৰত এই বহুধা বিভক্ত জগতৰ অৱভাস হয়। মায়াৰ এই শক্তি দুই ধৰণৰ। আৱৰণ শক্তি আৰু বিক্ষেপন শক্তি। আৱৰণ শক্তিৰ বাবে আমি বিষয়ৰ যথার্থ ৰূপ দেখা নাপাওঁ। ইয়াৰ দ্বাৰা মায়াই ব্রহ্মাক আবৃত কৰি ৰাখে। বিক্ষেপনৰ ফলতেই সৃষ্টি হয় ভ্রান্তি বা মিথ্যা জ্ঞানৰ। ৰচী এডালক সাপ, শামুকত মুকুতা, দেহাটোক আত্মা, মৰুভূমিত মৰীচিকাক পানী বুলি ভবা ইত্যাদি এনে ভ্রম। মায়াৰ আৱৰণ শক্তিয়ে ব্রহ্মাৰ স্বৰূপ আচ্ছাদন কৰে। এই আৱৰণে প্রকৃততে নির্গুণ ব্রহ্মাক প্রভাৱিত নকৰে, জীৱকহে কৰে। ডাৱৰে আচলতে সূর্যক নাঢাকে, মানুহকহে সূর্যৰ পৰা ঢাকে। ডাৱৰৰ আৱৰণৰ দ্বাৰা সূর্যৰ কোনো হানি-বিঘিনি নহয়। ঠিক তেনেদৰে মায়াৰ আৱৰণৰ দ্বাৰা নির্গুণ ব্রহ্মাৰ কোনো হানি-বিঘিনি নহয়। ঠিক তেনেদৰে মায়াৰ আৱৰণৰ দ্বাৰা নির্গুণ ব্রহ্মাৰ কোনো হানি-বিঘিনি নহয়। মায়াই মাত্র জীৱৰ ব্রহ্মাৰ সৈতে অভিন্নতা নাশ কৰে। মায়াৰ বিক্ষেপনৰ দ্বাৰা জীৱৰ জগৎ ভ্রম হয়। মিথ্যা জগতক জীৱৰ আগত সুচাৰূপে প্রকট কৰায়।

ইয়াতে এটা প্রশ্ন হয় যে অসীম, নিত্য, চিৰ চৈতন্য স্বৰূপ ব্রহ্মাক কেনেকৈ মায়াই আৱৰণ শক্তিৰে ঢাকিব পাৰে? এই ক্ষেত্রত শঙ্কৰৰ দর্শনত ব্যাখ্যা কৰা হৈছে যে এটুকুৰা ক'লা ডাৱৰে চিৰ প্রকাশমান সূর্যটোক কিছু সময়লৈকে ঢাকি ৰাখিব পাৰে, সকলো সময়ৰ বাবে নহয়। ঠিক সেইদৰে অজ্ঞানতা বা মায়াই ব্রহ্মাক সাময়িক ভাবেহে ঢাকি ৰাখে। পৰম জ্ঞান বা ব্রহ্ম জ্ঞানৰ উদয় হ'লেই জগতৰ ভ্রম আঁতৰি যায় আৰু সকলো ব্রহ্ম স্বৰূপ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১৩ ঃ (ক) শঙ্কৰে ব্রহ্ম আৰু জগতৰ সম্পর্ক ব্যাখ্যা কৰিবলৈ মায়াবাদৰ অৱতাৰণা কৰিছিল। (শুদ্ধ/অশুদ্ধ)

(খ) মায়া শব্দটোৰ ইংৰাজী অনুবাদ হৈছে 'Illusion' (শুদ্ধ/অশুদ্ধ)

(গ) মায়া শব্দটোৰ সমার্থক হিচাপে অজ্ঞান, অবিদ্যা, প্রকৃতি, অব্যক্ত ইত্যাদি শব্দ ব্যৱহাৰ কৰা হয়। (শুদ্ধ/অশুদ্ধ)



চিন্তা-চর্চা কৰক ৯.১

শঙ্কৰৰ দর্শনত মায়া বুলিলে কি বুজা যায়? আলোচনা কৰক।

.....

.....

৯.১০ মায়াৰ স্বৰূপ

মায়া হৈছে জগতৰ অৱভাসৰ মূল কাৰণ। মায়াৰ বাবেই পৰম ব্রহ্মৰ স্থানত বহুধা জগত প্রতিভাত হয়। যিদৰে ভ্রমৰ বাবেই ৰচীৰ স্থানত সাপৰ জ্ঞান হয়, সেইদৰে মায়া বা অবিদ্যাৰ বাবেই ব্রহ্মৰ স্থানত জগতৰ জ্ঞান হয়। শঙ্কৰে মায়াৰ স্বৰূপ বুজাবলৈ অনেক বৈশিষ্ট্যৰ উল্লেখ কৰিছে। এতিয়া আমি তেনে কিছুমান উল্লেখযোগ্য বৈশিষ্ট্যৰ বিষয়ে জানো আহক ---

১। **মায়া হৈছে ঈশ্বৰৰ শক্তি** -

শঙ্কৰৰ মতে ব্রহ্মই পৰম সত্য। কিন্তু মায়াৰ দ্বাৰা যুক্ত হৈ ব্রহ্মই সগুণ ব্রহ্ম বা ঈশ্বৰৰ নাম পায়। মায়া হৈছে ঈশ্বৰৰ শক্তি, অন্তর্নিহিত গুণ যাৰ দ্বাৰা ঈশ্বৰে জগত সৃষ্টি কৰে। গতিকে মায়া ঈশ্বৰৰ শক্তি আৰু ঈশ্বৰৰ পৰা পৃথক নহয়

২। **মায়া বীজশক্তি –**

মায়াক এই বাবেই বীজশক্তি বুলি কোৱা হয় যে মায়াৰ বাবেই নির্গুণ, নিস্ক্রিয়, ব্রহ্মই জগত সৃষ্টি কৰে। মায়াৰ বাবেই পৰম ব্রহ্ম জগতৰ সৃষ্টিকর্তা, ত্রাণকর্তা আৰু সংহাৰকর্তা ঈশ্বৰৰ ৰূপ পায়।

৩। **মায়া অধ্যাস** -

অধ্যাস অর্থ হৈছে মিথ্যা জ্ঞান। কোনো এটা বস্তুত অন্য কোনো বস্তুৰ জ্ঞান আৰোপ কৰাকে অধ্যাস কোৱা হয়। ৰচী আৰু সাপৰ ভ্রমত মানুহৰ আন্ধাৰৰ বাবে ৰচীত সাপৰ জ্ঞান হয়। অর্থাৎ সাপৰ জ্ঞান ৰচীডালত আৰোপ কৰা হয়। ইয়াত 'অজ্ঞানতা' বা অন্ধকাৰে ৰচীডালক আবৃত্ত কৰে আৰু সাপৰ জ্ঞান তাত আৰোপ কৰা হয়। ইয়াকে বোলা হয় অধ্যাস আৰু মায়াৰ বাবেই অধ্যাস হয়। শঙ্কৰৰ দর্শনত অধ্যাসৰ ওপৰত বিস্তৃত আলোচনা কৰা হৈছে।

৪। মায়া অনাদি --

মায়া অনাদি অর্থাৎ মায়াৰ কোনো আদি বা আৰম্ভণি নাই। কেতিয়াৰ পৰা ব্রহ্ম আৰু মায়াৰ সম্পর্ক হয় সেইটো কোৱাটো সম্ভৱ নহয়। পৃথিৱীৰ ইতিহাসৰ সমানেই ই পুৰণি আৰু কেতিয়াৰ পৰা জগতৰ আৰম্ভ হৈছে সেই কথা কোনেও ক'ব নোৱাৰে। গতিকে মায়াৰ উৎপত্তি আমাৰ জ্ঞানৰ অতীত। কাৰণ আমি নিজেই মায়াৰ সৃষ্টি। কিন্তু মায়া যদিও অনাদি বা আৰম্ভণিবিহীন, ই কিন্তু অনন্ত নহয় অর্থাৎ ইয়াৰ পৰিণতি আছে। ব্রহ্মজ্ঞান লাভৰ পিছত মানুহে মায়াৰ পৰা মুক্ত হ'ব পাৰে। গতিকে মায়া যদিও অনাদি তথাপি অনন্ত নহয়।

৫। মায়া ভাবৰূপ --

অদ্বৈত বেদান্তৰ মতে মায়া হৈছে ভাবৰূপ, কাৰণ মায়া হৈছে জগত উৎপত্তিৰ কাৰণ। মায়াই কেৱল ব্রহ্মৰ সত্যতাকে লুপ্ত নকৰে, লগতে ই সত্যতাক বিভ্রান্ত কৰি বহুধা জগতৰ জ্ঞান দিয়ে। মায়া হৈছে জ্ঞান বিৰোধী। ইয়াৰ অর্থ হৈছে মায়া বা অজ্ঞানতা যথার্থ জ্ঞানৰ উদয় হ'লে অর্থহীন হৈ পৰে। যিদৰে পোহৰৰ আগমনৰ লগে লগে আন্ধাৰৰ প্রস্থান হয়, সেইদৰে জ্ঞানৰ উদয়ৰ লগে লগে মায়া অন্তর্ধান হয়। গতিকে মায়া জ্ঞানৰ অভাৱেই নহয়, ই জ্ঞানৰ বিৰোধীও।

৬। মায়া অনির্বচনীয় --

মায়া অনির্বচনীয় অর্থাৎ ই বর্ণনাতীত। মায়াক বর্ণনা কৰিব নোৱাৰি। মায়া দৃশ্যও নহয়, অদৃশ্যও নহয়, বা দৃশ্য আৰু অদৃশ্য নহয়। ই ব্রহ্মৰ সমান নহয়, ব্রহ্মতকৈ পৃথক নহয় বা দুয়োটা একেলগে মায়াৰ ক্ষেত্রত প্রযোজ্য নহয়। মায়া অংশৰ সমষ্টিও নহয়, অংশবিহীন নহয় বা দুয়োটা একেলগে মায়াৰ ক্ষেত্রত প্রয়োগ কৰিব নোৱাৰি। গতিকে মায়া বর্ণনাতীত।

মায়া ব্রহ্মৰ দৰে সৎ নহয়, কাৰণ জ্ঞানৰ প্রকাশ হ'লে মায়া অর্থহীন হৈ পৰে। আকাশ কুসুম বা শহাৰ শিঙৰ দৰে মায়া অসৎ বা অবাস্তৱ নহয়, কাৰণ মায়াক আমি অভিজ্ঞতাত পাব পাৰো। আকৌ মায়া সৎ আৰু অসৎ উভয়ে হ'ব নোৱাৰে যিহেতু ই আত্ম বিৰোধী। আকৌ মায়া ব্রহ্মৰ সমান নহয়, ব্রহ্মতকৈ পৃথক নহয় আৰু যিহেতু সমানে আৰু পৃথক, দুয়ো আত্মবিৰোধী। গতিকে মায়াৰ ক্ষেত্রত দুয়োটাই একেলগে প্রযোজ্য হ'ব নোৱাৰে। আকৌ মায়া অংশৰ সমষ্টি বা অংশবিহীন বা অংশ আৰু অংশবিহীন উভয়ে হ'ব নোৱাৰে। গতিকে এই সকলোবোৰ বিবেচনা কৰি বেদান্ত দর্শনে কৈছে যে মায়া অনির্বচনীয় বা বর্ণনাতীত। অর্থাৎ মায়াক কোনো ব্যৱহাৰিক জ্ঞানেৰে বর্ণনা কৰিব নোৱাৰি।

৭। মায়া ত্রিগুণাত্মক --

মায়া ত্রিগুণাত্মক অর্থাৎ মায়া সত্ত্ব, ৰজ আৰু তম এই তিনি গুণৰ সমষ্টি। সাংখ্য দর্শনৰ প্রকৃতিৰ দৰে মায়া ত্রিগুণাত্মক।

এইখিনিতে এটা কথা মনত ৰাখিব লাগিব মায়া যদিও প্রকৃতিৰ দৰে ত্রিগুণাত্মক তথাপি সাংখ্যৰ প্রকৃতিৰ লগত মায়াৰ পার্থক্য আছে। সাংখ্যৰ প্রকৃতি হৈছে এটা পৰম তত্ত্ব, ই পুৰুষতকৈ পৃথক আৰু স্বাধীন। কিন্তু অদ্বৈত বেদান্তত মায়া হৈছে জগতৰ মূল কাৰণ আৰু ই সম্পূর্ণ ৰূপে ব্রহ্মৰ অধীন। মায়া হৈছে ঈশ্বৰৰ শক্তি স্বৰূপ আৰু জগত সৃষ্টিৰ মূল কাৰণ আৰু ই ঈশ্বৰৰ অধীন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১৪ ঃ মায়াৰ দুটা কার্য কি কি? মায়াৰ বাবেই ব্রহ্ম জগত ৰূপত অৱভাস হয়। কথাষাৰ সঁচানে?

.....

.....

প্রশ্ন ১৫ ঃ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক

(ক) মায়াৰ বাবেই ব্রহ্ম জগত ৰূপত অবভাস হয়। (শুদ্ধ/অশুদ্ধ)

(খ) মায়া অনির্বচনীয়। (শুদ্ধ/অশুদ্ধ)

(গ) মায়াক এক সদর্থক সত্তা। (শুদ্ধ/অশুদ্ধ)

(ঘ) মায়া অনাদি। (শুদ্ধ/অশুদ্ধ)

(ঙ) মায়াৰ দ্বাৰা যুক্ত হৈ ব্রহ্মই ঈশ্বৰ নামেৰে পৰিচিত হয়। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ১৬ ঃ মায়া ত্রিগুণাত্মক, (অর্থাৎ মায়া সত্ত্ব, ৰজ আৰু তম এই তিনি গুণৰ সমষ্টি) কি কি?

.....

.....

.....

.....



৯.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আপোনালোকে বেদান্ত দর্শনৰ বিশেষকৈ শঙ্কৰৰ অদ্বৈত বেদান্তৰ বিষয়ে জানিব পাৰিলে। শঙ্কৰৰ ব্রহ্মৰ বিষয়ে এই অধ্যায়ত নিম্নলিখিত বিষয়বোৰ আলোচনা কৰা হ'ল---

- বেদান্ত দর্শনৰ মূল আলোচ্য বিষয় হৈছে ব্রহ্মৰ জ্ঞান।
- বেদান্ত দর্শন প্রস্থানত্রয়ৰ ওপৰত প্রতিষ্ঠিত। প্রস্থানত্রয় হৈছে -- উপনিষদ, ভাগৱদগীতা আৰু ব্রহ্মসূত্র।
- অদ্বৈত বেদান্ত হৈছে বেদান্ত দর্শনৰ এক বিশেষ উল্লেখযোগ্য সম্প্রদায়।
- অদ্বৈত বেদান্ত শঙ্কৰৰ নামেৰেই বিখ্যাত যদিও শঙ্কৰ অদ্বৈত বেদান্ত দর্শনৰ প্রতিষ্ঠাতা নহয়।
- প্রাচীন ভাৰতীয় দর্শন সাহিত্যৰ ওপৰত ভিত্তি কৰি শঙ্কৰে অদ্বৈত বেদান্ত দর্শনক সুদৃঢ় ভাৱে প্রতিষ্ঠিত কৰিছিল।
- উপনিষদৰ তথ্যৰ আধাৰত শঙ্কৰে ব্রহ্মৰ ব্যাখ্যা কৰিছিল।
- উপনিষদৰ মত অনুযায়ী শঙ্কৰৰ দর্শনত ব্রহ্মক দুটা দৃষ্টিকোণৰ পৰা ব্যাখ্যা কৰা হয়। নির্গুণ আৰু সগুণ ব্রহ্ম।
- পাৰমার্থিক দৃষ্টিকোণৰ পৰা ব্রহ্ম হৈছে নির্গুণ আৰু ব্যৱহাৰিক দৃষ্টিকোণৰ পৰা ব্রহ্ম সগুণ।
- ব্যৱহাৰিক বা বৌদ্ধিক জ্ঞান প্রক্রিয়াৰে ব্রহ্মজ্ঞান লাভ কৰা নাযায়। পাৰমার্থিক জ্ঞানেৰেহে ব্রহ্মজ্ঞান লাভ কৰা সম্ভৱ।
- উপনিষদৰ মতে 'নেতি-নেতি' ধাৰণাৰে নঞৰ্থক দৃষ্টিভংগীৰে আমি ব্রহ্মক জানিব পাৰো।
- যি সকলে ব্রহ্মক হৃদয়ত উপলব্ধি কৰিব পাৰে ব্রহ্মৰ লগত একাত্ম হ'ব পাৰে তেওঁহে ব্রহ্ম জ্ঞান লাভ কৰিব পাৰে।

- শঙ্কৰে জগত সৃষ্টিৰ বিষয়ে বর্ণনা কৰিবলৈ মায়াবাদৰ অৱতাৰণা কৰিছিল।
- ভাৰতীয় দর্শনত মায়াৰ কোনো নির্দিষ্ট অর্থত ব্যৱহাৰ হোৱা নাই, সেয়েহে মায়াবাদৰ ওপৰত যথেষ্ট সমালোচনা আৰু বিভ্রান্তিৰ সৃষ্টি হৈছে।
- মায়াবাদে মিথ্যা বা ভ্রম নুবুজায়।
- মায়া হৈছে সেইটো যিটো প্রকৃততে নহয়।
- মায়া এক অভিজ্ঞতালব্ধ বিষয়।
- মায়াৰ দুটা কার্য হৈছে -- আৱৰণ আৰু বিক্ষেপন।
- মায়াৰ নানা বৈশিষ্ট্য আছে।



৯.১২ অধিক জানিবলৈ

১. ভট্টাচার্য, জ্যোৎস্না, *ভাৰতীয় দর্শন,*

২. বৰুৱা, গিৰীশ , *ভাৰতীয় দর্শন,*

৩. পূজাৰী, বন্দনা, *ভাৰতীয় দর্শন,*

৪. ভাৰতীয় দর্শন পৰিচয়ঃ পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয়।

৫. ভাৰতীয় দর্শন (দ্বিতীয় খণ্ড) ঃ পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, ডিবৰুগড় বিশ্ববিদ্যালয়।

৬. ভট্টাচার্য, জ্যোৎস্না, *ভাৰতীয় দর্শন* ,

৭. বৰুৱা, গিৰীশ , *ভাৰতীয় দর্শন,*

৮. পূজাৰী, বন্দনা , *ভাৰতীয় দর্শন,*

৯. ভাৰতীয় দর্শন পৰিচয়ঃ পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয়।

১০. ভাৰতীয় দর্শন (দ্বিতীয় খণ্ড) ঃ পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, ডিবৰুগড় বিশ্ববিদ্যালয়।



৯.১৩ অগ্রগতিৰ খতিয়ান

১নং প্রশ্ন উত্তৰ ঃ যি দর্শনত ব্রহ্ম জ্ঞানৰ বিষয়ে আলোচনা কৰা হৈছে সেই দর্শনেই হৈছে বেদান্ত দর্শন। ভাৰতবর্ষক 'আধ্যাত্মিকতাৰ দেশ' বুলি কোৱাৰ ক্ষেত্রত বেদান্তক ভেটি হিচাপে ধৰা হয়। বেদান্ত দর্শনে উপনিষদ, ভাগৱদগীতা, ব্রহ্মসূত্রৰ লগতে ব্রহ্ম জ্ঞানৰ লগত জড়িত সকলো ধৰণৰ ভাষ্যগ্রন্থকে বুজায়। ভার্ষিক অথবা আক্ষৰিক বেদান্তক বেদৰ অন্ত হিচাপে জনা যায়।

২নং প্রশ্ন উত্তৰ ঃ বিভিন্ন কাৰণত উপনিষদক বেদান্ত বোলা হয়। তাৰ ভিতৰত উল্লেখযোগ্য কাৰণবোৰ হ'ল-

- ৰচনাৰ ফালৰ পৰা উপনিষদ বৈদিক যুগৰ শেষৰ সৃষ্টি য'ত দার্শনিক তত্ত্বৰ আলোচনা কৰা হৈছে।

- পাঠবিধি অনুসৰিও উপনিষদৰ স্থান সর্বশেষত। মানুহে সকলো সাংসাৰিক বন্ধনৰ পৰা মুক্ত হৈ জীৱনৰ শেষ কালত দার্শনিক জ্ঞানৰ বাবে উপনিষদ অধ্যয়ন কৰে।
- উপনিষদতে দার্শনিক চিন্তাৰ পূর্ণবিকাশ ঘটিছে। বৈদিক চিন্তাৰ চৰম প্রকাশ হিচাপেও উপনিষদক বেদান্ত বোলা হয়।

৩নং প্রশ্ন উত্তৰ ঃ উপনিষদ, ভাগৱদগীতা আৰু ব্রহ্মসূত্রক একেলগে বেদান্ত দর্শনৰ প্রস্থানত্রয় বোলা হয়।

৪নং প্রশ্ন উত্তৰ ঃ (ক) উত্তৰ ঃ শুদ্ধ

(খ) উত্তৰ ঃ শুদ্ধ

(গ) উত্তৰ ঃ শুদ্ধ

৫নং প্রশ্ন উত্তৰ ঃ সগুণ ব্রহ্ম আৰু নির্গুণ ব্রহ্ম।

৬নং প্রশ্ন উত্তৰ ঃ পাৰমার্থিক দৃষ্টিৰে ব্রহ্ম সম্পর্কে যি ধাৰণা কৰা হয় সেয়ে হৈছে নির্গুণ ব্রহ্ম। নির্গুণ ব্রহ্ম হৈছে পৰম সত্তা যাক কোনো বৌদ্ধিক জ্ঞানেৰে বর্ণনা কৰিব নোৱাৰি। কেৱল পৰম জ্ঞানেৰে নির্গুণ ব্রহ্মক উপলব্ধি কৰিব পাৰি।

৭নং প্রশ্ন উত্তৰ ঃ উত্তৰ ঃ ব্যৱহাৰিক দৃষ্টিৰে ব্রহ্মৰ যি বর্ণনা কৰা হয় সেয়ে হৈছে সগুণ ব্রহ্ম। সগুণ ব্রহ্ম হৈছে জগতৰ সৃষ্টিকর্তা, ৰক্ষাকর্তা আৰু সংহাৰকর্তা। তেৱেই হৈছে সর্বজ্ঞ, সর্বব্যাপ্ত, সর্বশক্তিমান ঈশ্বৰ।

৮নং প্রশ্ন উত্তৰ ঃ (ক) উত্তৰ ঃ শুদ্ধ

(খ) উত্তৰ ঃ অশুদ্ধ

(গ) উত্তৰ ঃ অশুদ্ধ

(ঘ) উত্তৰ ঃ শুদ্ধ

৯ নং প্রশ্ন উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ

১০ নং প্রশ্ন উত্তৰ ঃ বৃহদাৰণ্যক উপনিষদৰ মতে, মায়া হৈছে যাদুকৰী শক্তি।

১১ নং প্রশ্ন উত্তৰ ঃ শঙ্কৰৰ মতে জগত প্রপঞ্চৰ মূল কাৰণ হৈছে মায়া। বিভিন্ন সময়ত শঙ্কৰে মায়াৰ অর্থত অজ্ঞান, অবিদ্যা, মায়া, প্রকৃতি, অব্যক্ত ইত্যাদি শব্দ প্রয়োগ কৰিছে। এই শব্দবোৰ মায়াৰ লগত সমার্থক হিচাপে ব্যৱহাৰ কৰা হয়। মায়াৰ সহায়ত শঙ্কৰৰ দর্শনত যুক্তিপূর্ণ ভাৱে ব্যাখ্যা কৰিছে যে ব্রহ্মই একমাত্র সত্য আৰু এই বিশাল জগতখন, য'ত আমি জন্মৰ পৰা মৃত্যুলৈকে থাকো, অভিজ্ঞতা পাওঁ, ই ব্রহ্মৰেই অৱভাস মাত্র।

১২ নং প্রশ্ন উত্তৰ ঃ বৃহদাৰণ্যক উপনিষদ

১৩ নং প্রশ্ন উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ

১৪ নং প্রশ্ন উত্তৰ ঃ আৱৰণ আৰু বিক্ষেপন কার্য

১৫ নং প্রশ্ন উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ

(ঘ) শুদ্ধ (ঙ) শুদ্ধ

১৬ নং প্রশ্ন উত্তৰ ঃ সত্ত্ব, ৰজ আৰু তম্



৯.১৪ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন নং১ ঃ 'বেদান্তৰ' আক্ষৰিক অৰ্থ কি?

প্ৰশ্ন নং২ ঃ ' ব্রহ্ম সত্য জগৎ মিথ্যা'ৰ অৰ্থ কি?

প্ৰশ্ন নং৩ ঃ শঙ্কৰৰ মতে, সগুণ ব্রহ্ম বুলিলে কি বুজা যায়?

প্ৰশ্ন নং৪ ঃ ব্রহ্ম সম্পৰ্কে থকা মত কেইটা কি কি?

প্ৰশ্ন নং৫ ঃ 'মায়া'ৰ ধাৰণাৰ এটা উদাহৰণ দিয়ক।

প্ৰশ্ন নং৬ ঃ 'মায়া' শব্দটিৰ লগত জড়িত থকা দুটা শব্দ কি কি?

প্ৰশ্ন নং৭ ঃ কি ধৰণে বৃহদ আৰণ্যক উপনিষদে মায়াৰ ধাৰণাটোৰ সংজ্ঞা দিয়ে?

প্ৰশ্ন নং ৮ ঃ 'মায়া' এক শক্তি হিচাপে কাৰ্য সম্পাদিত কৰে। ইয়াৰ কাৰ্য কি কি?

প্ৰশ্ন নং ৯ ঃ মায়াৰ দুটা উল্লেখযোগ্য বৈশিষ্ট্য কি কি?

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং১ ঃ ব্রহ্ম সম্পৰ্কে চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং২ ঃ ব্রহ্মৰ প্রকৃতি সম্পৰ্কে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন নং৩ ঃ ব্রহ্মৰ তটস্থ লক্ষণ কি? চমুকৈ আলোচনা কৰক।

প্ৰশ্ন নং৪ ঃ নেতি-নেতি ধাৰণাৰ বিষয়ে চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন নং৫ ঃ মায়া অবৰ্তনীয়। মায়াৰ এটা বৈশিষ্ট্যৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন নং৬ ঃ অদ্বৈত বেদান্তত মায়াৰ গুৰুত্বটো কি? চমুকৈ আলোচনা কৰক

(গ) চমুটোকা লিখক (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং১ ঃ অদ্বৈত বেদান্ত

প্ৰশ্ন নং২ ঃ স্বৰূপ লক্ষণ ব্রহ্মাণ

(ঘ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং১ ঃ উপনিষদক কিয় বেদান্ত বোলা হয়। আলোচনা কৰক

প্ৰশ্ন নং২ ঃ ব্রহ্মৰ ধাৰণা সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন নং৩ ঃ বেদান্ত দৰ্শনৰ প্রস্তানত্রয় সম্পৰ্কে ব্যাখ্যা কৰক।

প্ৰশ্ন নং৪ ঃ নিৰ্গুণ ব্রহ্ম কি? ব্যাখ্যা কৰক।

প্ৰশ্ন নং৫ ঃ ব্রহ্ম নিৰ্গুণ হয় নে? আলোচনা কৰক।

প্ৰশ্ন নং৬ ঃ ব্রহ্মক কেনেকৈ সগুণ হিচাপে ব্যাখ্যা কৰিব পাৰি। আলোচনা কৰক।

প্রশ্ন নং৭ ঃ ব্রহ্মৰ নেতি-নেতি ধাৰণাটো কি? আলোচনা কৰক।

প্রশ্ন নং৮ ঃ শঙ্কৰৰ মায়াৰ বিষয়ে ব্যাখ্যা কৰক।

প্রশ্ন নং৯ ঃ মায়াৰ অর্থ ব্যাখ্যা কৰক।

প্রশ্ন নং১০ ঃ মায়াৰ দুই কার্যৰ বিষয়ে ব্যাখ্যা কৰক।

প্রশ্ন নং১১ ঃ মায়াৰ প্রকৃতি সম্পর্কে বর্ণনা দিয়ক।

****

অধ্যায় ১০ ঃ শংকৰৰ দর্শনত ব্রহ্মৰ মান বা শ্রেণী

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ব্রহ্ম কি?
১০.৪ সত্যতা, ব্রহ্ম আৰু ইয়াৰ আকাৰসমূহ
১০.৫ ব্রহ্মৰ মান বা শ্রেণীসমূহ
১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৭ অধিক জানিবলৈ
১০.৮ অগ্রগতিৰ খতিয়ান
১০.৯ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টিৰ অধ্যয়ন কৰি আপুনি সক্ষম হ'ব—

- ব্রহ্ম আৰু ইয়াৰ মানসমূহৰ সংজ্ঞা দিবলৈ সক্ষম হ'ব,
- সত্যতা আৰু সত্ত্বা বা ব্রহ্মক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- ব্রহ্মৰ বিভিন্ন মানসমূহক বিশ্লেষণ কৰিবলৈ সক্ষম হ'ব,
- পৰম ব্রহ্মই একমাত্র সত্য, আন সকলো অভিজ্ঞতা কেৱল অৱভাষহে- এই- কথা জনিবলৈ সক্ষম হ'ব,

১০.২ পৰিচয়

আমি ইতিমধ্যে পাই আহিছো যে শংকৰে উপনিষদত অদ্বৈতবাদী ভাৱৰ ওপৰত জোৰ দিছে আৰু ইয়াক এক সু-সংবদ্ধ অদ্বৈতবাদলৈ উন্নীত কৰিছে। তেওঁ চর্তহীন আৰু নির্গুণ ব্রহ্মৰ সত্যতাৰ ওপৰত জোৰ দিছে আৰু ঈশ্বৰ, ব্যক্তিগত আত্মা আৰু জগতক জাগতিক মায়াৰ হেতু অৱভাস হিচাপে স্বীকাৰ কৰিছে, যি বাস্তৱো নহয়, অৱাস্তৱও নহয় বৰঞ্চ সংজ্ঞাবিহীন।

পৰম সত্ত্বাই হৈছে একমাত্র সত্য, যাক ব্রহ্ম নাইবা আত্মা বোলা হয়। ব্রহ্ম এক, শাশ্বত, সর্বশ্রেষ্ঠ, শুদ্ধ চৈতন্য। ই হৈছে অতীন্দ্রিয় সত্ত্বা, বিষয়হীন চৈতন্য, যি দেশ, কাল আৰু কৰ্ণতাৰ দ্বাৰা সীমাৱদ্ধ নহয়। ব্রহ্ম- অর্থাৎ আত্মা হৈছে শাশ্বত চৈতন্য আৰু পৰম সত্য, যি অভিজ্ঞলব্ধ বিশ্ব ব্রহ্মাণ্ডৰ ভেঁটি। শংকৰে তাত্ত্বিক সত্ত্বা আৰু অভিজ্ঞতালব্ধ সত্ত্বাৰ মাজত পার্থক্য নিৰূপন কৰিছে। ব্রহ্ম অর্থাৎ তাত্ত্বিক সত্ত্বাক জানিব পাৰি উচ্চ জ্ঞান (পৰাবিদ্যা) ৰ দ্বাৰা, আনহাতে, অভিজ্ঞতালব্ধ সত্ত্বাক জানিব পাৰি সাধাৰণ জ্ঞান (অপৰাবিদ্যা)ৰ দ্বাৰা।

ব্ৰহ্ম অৰ্থাৎ পৰম সত্ত্বা অভিজ্ঞতালব্ধ জগতখনৰ ভেটি। কিন্তু শংকৰে বহু আয়াসী জগতখনক অস্বীকাৰ কৰি এই বক্তব্যটিৰ লগত সৃষ্টি সম্বন্ধে পুনৰ মিলন কৰিবলৈ অসুবিধা পাইছে। সকলো আৰোপিত চিহ্নক অস্বীকাৰ কৰাৰ হেতু ব্ৰহ্মৰ বৰ্ণনা প্ৰকৃততে অবোধগম্য হৈ পৰে, যদিহে তেওঁ সৃষ্টিকাৰক হিচাপে সত্য হয়। ব্ৰহ্মৰ উপলব্ধিত সকলো ভিন্নতাৰ অনুপস্থিতিকোও বুজিব পৰা নাযায়। সত্ত্বা বা সত্যৰ জ্ঞানৰ উদয়ে কেৱল সত্য হিচাপে অসত্যৰ উপস্থিতিক দূৰ কৰিব পাৰে, কিন্তু সি প্ৰকৃতাৰ্থত সত্য তাক নহয়। এই ধাৰণাই শংকৰক জগতৰ ৰহস্য বা মায়াৰ প্ৰতি সুংসুত্ৰৰ যোগান ধৰে। যদি জগতখন সপোন নাইবা ভ্ৰমত দেখা এটা বস্তুৰ দৰে কেৱল অৱভাসহে, তেন্তে জগতৰ বৰ্ত্তমান অৱভাস আৰু সত্ত্বা বা সত্যৰ জ্ঞানত ইয়াৰ অনুপস্থিতি বোধগম্য হৈ পৰে। এই কথা ধাৰণা কৰাটো সম্পূৰ্ণৰূপে বিভ্ৰান্তিমূলক যে শংকৰে জগতখনক মায়াময় নাইবা ভ্ৰমাত্মক নাইবা সম্পূৰ্ণৰূপে যথাৰ্থ বা সত্য ৰূপে বিবেচনা কৰিছে। তেওঁ জগতৰ আপেক্ষিক,অভিজ্ঞতাসিদ্ধ নাইবা প্ৰয়োগবাদী যথাৰ্থতাক স্বীকাৰ কৰিছে। তেওঁ মায়া বা ভ্ৰমতকৈ ইয়াৰ প্ৰতিহে অধিক সন্মতি জনাইছে, যিবোৰ অসত্য আৰু যি ব্ৰহ্মতকৈ কম যথাৰ্থ। আৰু ব্ৰহ্মই হৈছে একমাত্ৰ তাত্বিক সত্ত্বা। গতিকে, সত্ত্বাৰ ধাৰণা আৰু সত্ত্বাৰ মানসমূহক শংকৰৰ অদ্বৈতবাদক গুৰুত্বসহকাৰে আলোচনা কৰা হৈছে।

১০.৩ ব্ৰহ্ম বা সত্ত্বা-ই কি?

শংকৰৰ অদ্বৈতবাদে একমাত্ৰ, অদ্বৈত আৰু একক তাত্ত্বিক সত্যক স্বীকাৰ কৰিছে, যাক কোৱা হয় ব্ৰহ্ম। ব্ৰহ্ম-অৰ্থাৎ আত্মা হৈছে সৰ্বপ্ৰধান, সম্পূৰ্ণ, পৰম সত্ত্বা। প্ৰত্যেকেই তেওঁৰ নিজৰ আত্মাৰ উপস্থিতিক জানে। আত্মাৰ অস্তিত্ব, যি স্বয়ং অস্তিত্বশীল, আৰু স্বয়ং প্ৰমানিত, সি পৰম সত্ত্বাৰ অস্তিত্বক প্ৰমাণ কৰে, যি ব্ৰহ্ম। ইন্দ্ৰিয়গ্ৰাহ্য আত্মাত চিৰন্তন ব্ৰহ্মই হৈছে একমাত্ৰ পাৰমাৰ্থিক সত্ত্বা। ই হৈছে ভেঁটিমূলক চৈতন্য, যি ইন্দ্ৰিয়গ্ৰাহ্য আত্মা আৰু ইন্দ্ৰিয়গ্ৰাহ্য বিশ্ব-ব্ৰহ্মাণ্ডৰ অতিন্দ্ৰীয় ভিত্তি।

ব্ৰহ্মক সৎচ্চিদানন্দ বোলা হয়। সৎ, চিৎ আৰু আনন্দ ব্ৰহ্মৰ স্বৰূপ। ব্ৰহ্ম সৎ অৰ্থাৎ শাশ্বত, অনাদি আৰু অনন্ত। ইয়ে হৈছে একমাত্ৰ পাৰমাৰ্থিক অস্তিত্ব, অসীম, চিৰন্তন, পৰম জ্ঞান আৰু অনন্ত, শাশ্বত পৰম আনন্দ। পৰম সত্ত্বা অৰ্থাৎ ব্ৰহ্ম অমৰ, ধ্বংসবিহীন, যিহেতু অস্তিত্ব, জ্ঞান আৰু আনন্দ ব্ৰহ্মৰ অনিবাৰ্য্য বৈশিষ্ট্য আৰু ইয়াৰ অংশই হওঁক নাইবা ইয়াৰ গুণেই হওঁক, যিয়ে ব্ৰহ্মক অৱভাসিক জগতৰ পৰা পৃথক কৰিব নোৱাৰে, যি অৱাস্তৱ, অ-বোধগম্য আৰু দুখৰ স্বৰূপ।

প্ৰকৃত সত্ত্বা দেশবিহীন, কালবিহীন, কাৰণতবিহীন আৰু অতীন্দ্ৰিয় অভিজ্ঞতাভিত্তিক অস্তিত্ব। ই অতীত, বৰ্ত্তমান আৰু ভৱিষ্যৎ আৰু কাৰ্য কাৰণকো অতিক্ৰম কৰি যায়। ই ভেদৰহিত। অৰ্থাৎ, দেশ কাল, দ্ৰব্য, গুণ, ক্ৰিয়া আৰু ইয়াৰ দৰে সকলো বস্তুৰ পৰাও মুক্ত। ই একক গুণবিহীন আৰু অনিৰ্দিষ্ট প্ৰকৃতি সত্ত্বা। ব্ৰহ্ম এক আৰু অদ্বিতীয়। ই নিষ্ক্ৰিয় আৰু পৰিবৰ্ত্তনহীন।

ব্রহ্ম সকলো দুখ যাতনা আৰু জাতি বা বর্গ, গুণ, কর্ম আৰু অন্যান্য নিষ্পত্তি আদিৰ দৰে নিশ্চয়তা ৰহিত। এই প্রকৃত সত্ত্বাই একমাত্র ব্রহ্ম, যি পৰম ব্রহ্ম, যিয়ে ইন্দ্রিয়গ্রাহ্য নিশ্চয়তাসমূহক নিষ্পত্তি কৰে। ই অতীন্দ্রিয় আৰু আৰোপিত আৰু সকলো ইন্দ্রিয়গ্রাহ্য বস্তু বা বিষয়ৰ উর্দ্ধত।

গতিকে, ব্রহ্ম হৈছে একমাত্র সত্য বা সত্ত্বা। বাকী সকলো মাত্র ভ্রান্ত অৱভাসহে । ব্রহ্ম কার্য্য বা পৰিণামৰ আকাৰত নিজকে প্রসাৰিত কৰে, আৰু কেৱল নাম আৰু আকাৰ হিচাপে প্রকাশিত হয়। ই বহুমূখী ইন্দ্রিয়গ্রাহ্য জগতৰ পাৰমার্থিক ভিত্তি। সমগ্র বিশ্ব ব্রহ্মৰ নিজৰেই প্রকাশ। ই একক । একক, শাশ্বত ব্রহ্মই অজ্ঞানতাবশতঃ বহুমূখী অৱভাস ৰূপে দৃশ্যমান হয়।

ব্রহ্ম সমজাতীয়, বিজাতীয় আৰু আভ্যন্তৰীণ সকলো প্রকাৰৰ পার্থক্য ৰহিত। আন কোনো প্রকৃত সত্ত্বা নাই, যি ইয়াৰ সৈতে একে বা বেলেগ আৰু যি এটাৰ পৰা আনটো পৃথক, যিদৰে এজোপা গছত ডাল, পাত, ফল আৰু ফল এটা আনটোৰ পৰা পৃথক। ব্রহ্মৰ বাহিৰে আন প্রকৃত সত্ত্বা নাই, যি কাল বিহীন আৰু অনন্ত। এই পৰম সত্ত্বাই হৈছে সকলো জীৱৰ আন্তৰিক আত্মা, সকলো জ্ঞাতাৰ আত্মাই হৈছে ব্রহ্ম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ঃ খালী ঠাই পূৰোৱাঃ

(ক) একমাত্র অদ্বৈত আৰু একক পাৰমার্থিক সত্ত্বা হৈছে.....।

(খ) ব্রহ্ম হৈছে.....,.....,.....,.....।

প্রশ্ন ২ঃ প্রকৃত সত্ত্বা কি?

.....

.....

প্রশ্ন ৩ঃ সত-চিৎ-আনন্দৰ অর্থ কি?

.....

.....

প্রশ্ন ৪ঃ ব্রহ্মৰ স্বৰূপ কি?

.....

.....

১০.৪ সত্যতা, প্রকৃত সত্ত্বা আৰু ইয়াৰ আকাৰসমূহ

সত্যতা বিৰোধীতাৰ পৰা মুক্ত। পৰম সত্য কেতিয়া বিৰোধী হ'ব নোৱাৰে। ই স্থিৰ আৰু অপৰিবর্ত্তনীয় অস্তিত্ব। চৰম সত্য সম্পূর্ণ, স্বতন্ত্র, চিৰন্তন অস্তিত্ব। সেই কাৰণে, ই একক, শুদ্ধ,

অতীন্দ্রিয় আৰু অতি ইন্দ্রিয়জ সত্ত্বা। ই সম্পূর্ণৰূপে সদর্থক, সম্পূর্ণৰূপে সৰল, সম্পূর্ণৰূপে অর্নিদৃষ্ট। ব্রহ্মই একমাত্র চৰম সত্যৰ লগতে চৰম সত্ত্বাত্ত।

চৰম সত্ত্বা হিচাপে ব্রহ্মই চৰম অস্তিত্ব, আনহাতে, অন্যান্য অৱভাসসমূহ আপেক্ষিক অস্তিত্ব। ব্রহ্ম অর্নিদৃষ্ট আৰু র্নিদৃষ্ট দুয়োটায়ে নহয়। ই নিজে অর্নিদৃষ্ট, কিন্তু জাগতিক অজ্ঞানতা আৰু ইয়াৰ সৃষ্টিসমূহৰ সীমিত প্রয়োজনীয় উপাদানসমূহৰ হেতু র্নিদৃষ্ট হিচাপে দৃশ্যমান হয়। অর্নিদৃষ্ট আৰু অ-পার্থক্যতা হিচাপে ব্রহ্মই বিভিন্ন ৰূপ বা আকাৰ ধাৰণ কৰিব নোৱাৰে। ব্রহ্ম নিজে নিজৰ মাজত অ-দ্বিতীয়, কিন্তু প্রার্থনাৰ উদ্দেশ্যে তেওঁ বিভিন্ন ঈশ্বৰ আৰু আত্মা, আৰাধ্য আৰু আৰাধনা কৰোঁতাজন ৰূপে দেখা দিয়ে। কিন্তু এনেধৰণৰ অভিজ্ঞতাপ্রসূত দ্বৈততা অবিদ্যা উপাধিসমূহৰ সীমিতকৰণৰ পৰা মুক্ত ব্রহ্ম হৈছে প্রজ্ঞা বা স্বজ্ঞাৰ বিষয় আৰু যেতিয়া ই উপাধিসমূহৰ সীমিতকৰণৰ দ্বাৰা চর্তসাপেক্ষ হৈ থাকে, তেতিয়া ই উপাসনাৰ বিষয় হৈ পৰে। ঈশ্বৰ উপাসনাৰ বিষয়; কিন্তু অর্নিদৃষ্ট ব্রহ্ম উপাসনাৰ বিষয় নহয়, কিয়নো ই কর্ত্তা আৰু কর্মৰ উর্দ্ধত। যেতিয়া ব্রহ্মৰ অভিন্নতাৰ পৰিচয়ৰ জ্ঞান উদয় হয়, তেতিয়া দ্বৈততাৰ সকলো জ্ঞান অদৃশ্য হৈ যায়। অনির্দৃষ্ট ব্রহ্মৰ জ্ঞানৰ উপলব্ধি সম্ভৱ হয় কেৱল অতি বৌদ্ধিক (Supra-intellectual) স্বজ্ঞাৰ দ্বাৰাহে। এই অর্থত দুমুখীয়া ব্রহ্মক জনা যায়; এটা হৈছে সকলো উপাধিৰ পৰা মুক্ত ব্রহ্ম আৰু আনটো হৈছে অভিজ্ঞতা প্রসূত নাম আৰু আকাৰৰ উপাধিৰ দ্বাৰা বৈশিষ্ট্যপূর্ণ বা সগুণ ব্রহ্ম।

১০.৫ প্রকৃত সত্ত্বা বা ব্রহ্মৰ মান বা শ্রেণীসমূহ

শংকৰে প্রকৃত সত্ত্বা বা ব্রহ্মৰ তিনিটা মান বা শ্রেণী স্বীকাৰ কৰিছে। যেনেঃ (১) তাত্ত্বিক বা পাৰমার্থিক (২) ব্যৱহাৰিক নাইবা সাধাৰণ অভিজ্ঞতা আৰু (৩) মায়া বা প্রতিভাসিক সত্ত্বা। ব্রহ্মৰ মান বা শ্রেণীৰ এই তিনিওটা মতবাদক সত্ত্বা এয়িবিদ্ধবাদ (Satta -Traividyavada) বুলি জনা যায়।

প্রথমে, ই হৈছে চৰম সত্য আৰু শুদ্ধ অস্তিত্ব, যিয়ে নিজকে সকলো অভিজ্ঞতাৰ মাজেৰে প্রকাশ কৰে, আৰু ই বিৰোধীও নহয় নাইবা তাক বিৰোধ কৰিবলগীয়াও নহয়। ইয়ে হৈছে পাৰমার্থিক সত্ত্বা। ব্রহ্মই হৈছে এই শুদ্ধ অস্তিত্ব- পাৰমার্থিক চৰম সত্ত্বা।

দ্বিতীয়তে, প্রকৃত সত্ত্বাৰ মান হৈছে ব্যৱহাৰিক সত্ত্বা। আমাৰ জাগ্রত অভিজ্ঞতাত দৃশ্যমান হোৱা বস্তুবোৰ, দেশ আৰু কালত জগতখন, আৰু কাৰণতাৰ বিষয়, বিশেষ আৰু পৰিবর্ত্তণীয় বস্তুবোৰ, যিয়ে আমাৰ সাধাৰণ নাইবা ব্যৱহাৰিক জীৱনৰ ভেঁটি গঢ় দিয়ে, কিন্তু যি ব্রহ্মৰ সহজে বোধগম্য জ্ঞানৰ আর্বিভাৱৰ দ্বাৰা অসঙ্গঁত হৈ পৰে, সিয়েই ব্যৱহাৰিক সত্ত্বা। গতিকে, আমাৰ অভিজ্ঞতাৰ জগতখনেই ব্যৱহাৰিক সত্ত্বা।

তৃতীয়তে, প্রকৃত সত্ত্বাৰ তৃতীয়টো মান হৈছে মায়া বা প্রতিভাসিক সত্ত্বা। যিবোৰ বস্তু মায়া বা সপোনত কেৱল ক্ষণিক ভাৱেহে দৃশ্যমান হয়, আৰু আন অভিজ্ঞতাৰ দ্বাৰা বাধাপ্রাপ্ত

হয়, সিয়েই প্রতিভাসিক সত্ত্বা। অর্থাৎ, সর্পৰজ্জু ভ্রম নাইবা সপোনৰ অভিজ্ঞতা একপ্রকাৰ প্রতিভাসিক সত্ত্বা বা সত্য।

প্রকৃত সত্য বা সত্ত্বাৰ এই তিনিওটা মানৰ ভিতৰত প্রথমটোৱে চৰম সত্যক প্রতিনিধিত্ব কৰিছে আৰু বাকী দুটা দোষজনিত কাৰণত ভ্রান্ত। ব্যৱহাৰিক আৰু প্রতিভাসিকৰ মাজত পার্থক্য এয়ে যে মোক্ষ বা মুক্তি নোপোৱালৈকে ব্যৱহাৰিক প্রত্যক্ষৰ দোষসমূহক আবিষ্কাৰো কৰিব নোৱাৰি আৰু নাইকীয়াও কৰিব নোৱাৰি। আনহাতে, প্রতিভাসিক সত্য বা সত্ত্বাৰ দোষ, যি বহুতো স্বতন্ত্র ৰূপ (যেনেঃ সংবেদনৰ, টোপনি আদিৰ ক্রটি)ত আমাৰ সাধাৰণ অভিজ্ঞতাৰ জগতত সংঘটিত হয়, সি ব্যৱহাৰিকতকৈ অধিক ক্ষণস্থায়ী। কিন্তু, যি দৰে ব্যৱহাৰিক জগতখনক অজ্ঞানতাৰ এক ইন্দ্রিয়গ্রাহ্য পৰিবর্ত্তন ৰূপে ধৰা হয়, নাইবা আমাৰ বিষয়গত অভিজ্ঞতাৰ অংশ হিচাপে ধৰা হয়, সেয়ে মায়া বা ভ্রম (যেনেঃ ৰচীত সাপ প্রত্যেক্ষ কৰা) ক ও দোষৰ অভিকৰণৰ দ্বাৰা অবিদ্যাৰ এক পৰিবর্ত্তন হিচাপে স্বীকাৰ কৰা হয়।

এইদৰেই, শংকৰে বিশ্বাস কৰে যে জগতৰ অৱভাসত প্রকৃত সত্ত্বা বা সত্যৰ সকলো অৱভাস প্রকৃতার্থত ব্রহ্মৰ সত্যতাৰ পৰাই নিঃসৃত হৈছে, যি আমাৰ সকলো অভিজ্ঞতাত স্বয়ং জ্যোতিষ্মান। জগতৰ অৱভাস এক মায়া বা ভ্রমাত্মক সৃষ্টি, কিন্তু ইয়াৰ সত্যতাৰ অর্থ হৈছে ইয়াৰ প্রতি ব্রহ্মৰ বৈশিষ্ট্যৰ এক অন্যতাখ্যাতি (misattribution) । সেয়েহে, শংকৰে ভাৱে যে ব্রহ্মই হৈছে একমাত্র সত্যতা আৰু প্রকৃত সত্ত্বা, যিয়ে আমাৰ সকলো মায়াময় জগতৰ অভিজ্ঞতাৰ প্রকৃত সত্য বা সত্ত্বা হিচাপে নিজকে প্রকাশিত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ শংকৰৰ ব্রহ্মৰ বিভিন্ন ৰূপসমূহৰ বিষয়ে লিখক।

.....

.....

প্রশ্ন ৬ ঃ সত্ত্বা-ত্রয়িবিদ্ধ মতবাদটো কি?

.....

.....

প্রশ্ন ৭ ঃ প্রকৃত সত্য বা সত্ত্বাৰ ভিন্ন মানসমূহ ব্যাখ্যা কৰক।

.....

.....

প্রশ্ন ৮ ঃ ব্যৱহাৰিক আৰু প্রতিভাসিক সত্ত্বাৰ মাজৰ পার্থক্য টো কি?

.....

.....



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শংকৰে চৰ্তহীন আৰু নিৰ্গুণ ব্ৰহ্মৰ সত্যতাৰ ওপৰত জোৰ দিছে আৰু ঈশ্বৰ, ব্যক্তি আত্মা আৰু জগতখনক মায়াৰ হেতু অৱভাস হিচাপে গ্ৰহণ কৰিছে।
- শংকৰে পাৰমাৰ্থিক সত্ত্বা, যাক পৰাবিদ্যাৰ দ্বাৰা মানিব পাৰি আৰু অভিজ্ঞতাপ্ৰসূতি বা ব্যৱহাৰিক সত্ত্বা যাক অপৰাবিদ্যাৰ দ্বাৰা জানিব পাৰি এই দুটাৰ মাজত পাৰ্থক্য নিৰূপন কৰিছে।
- চৰম সত্ত্বা অৰ্থাৎ আত্মা হৈছে শাশ্বত চৈতন্য, যি ব্যৱহাৰিক বা অভিজ্ঞতাৰ জগতখনৰ ভেঁটি।
- চৰম সত্য, যি কেতিয়াও বাধাপ্ৰাপ্ত নহয় সি হৈছে চৰম সত্য বা সত্ত্বা। ই হৈছে স্থিৰ আৰু অ-পৰিবৰ্ত্তণীয় অস্তিত্ব।
- ব্ৰহ্ম হৈছে সৎ-চিৎ-আনন্দ। অস্তিত্ব, জ্ঞান আৰু কৃপা ব্ৰহ্মৰ আনিবাৰ্য্য বৈশিষ্ট্য। অৰ্থাৎ, ইয়ে হৈছে একমাত্ৰ পাৰমাৰ্থিক সত্ত্বা, অনন্ত, শাশ্বত, সৰ্বোচ্চ জ্ঞান আৰু চিৰন্তন সৰ্বোচ্চ কৃপা।
- প্ৰকৃত সত্ত্বা আৰু ইয়াৰ ভিন্ন ৰূপ আৰুপ্ৰকৃত সত্য বা সত্ত্বাৰ বিভিন্ন মান সমূহৰ ওপৰত শংকৰৰ দৰ্শনে অধিক জোৰ দিছে।
- প্ৰকৃত সত্ত্বাৰ প্ৰথম মানটো হৈছে পৰম সত্য। ব্ৰহ্ম শুদ্ধ অস্তিত্ব, যি সকলো অভিজ্ঞতাৰ মাজেৰে স্বয়ং প্ৰকাশিত আৰু বাধাপ্ৰাপ্তও নহয় আৰু বাধা দিব পৰাও নহয় সিয়েই হৈছে পাৰমাৰ্থিক সত্ত্বা।
- অভিজ্ঞতাৰ জগতখন ব্যৱহাৰিক সত্ত্বা; যি প্ৰকৃত সত্ত্বাৰ ২ য় মান। আমাৰ অভিজ্ঞতাত দেখা দিয়া সকলো বস্তু, দেশ আৰু কালত জগত, আৰু কাৰণতাৰ বিষয়, পৰিবৰ্ত্তনকামী বস্তু সমূহ, যিবোৰ আমাৰ সাধাৰণ জীৱন নাইবা ব্যৱহাৰিক জীৱনৰ ভিত্তি সিয়েই ব্যৱহাৰিক সত্ত্বা।
- ভ্ৰম বা মায়া আৰু সপোনত যিবোৰ বস্তু ক্ষণস্থায়ীভাৱে দৃশ্যমান হয়, সেইবোৰ অন্যান্য অভিজ্ঞতাৰ দ্বাৰা বাধাপ্ৰাপ্ত হয় আৰু সেইবোৰেই প্ৰতিভাসিক সত্ত্বা অৰ্থাৎ, প্ৰকৃত সত্ত্বাৰ ৩ য় মান।



১০.৭ অধিক জানিবলৈ

1. S.Raddhakrishnan,Indian Philosophy,Vol-II George Allen & Unwin Ltd.New York,Humanities,Press-INC.
2. Sinha,Judunath,Qutlines of Indian Philosophy,New Central Book Agency,(p) Ltd.8/1 Chintamoni Das Lane,Calcutta-700009,Now Print 1998.
3. S.Chatterjee and D.M.Dutta,An Introduction To Indian Philosophy, University of Calcutta,Publisher Eight Print Edn-1984.
4. Surendra Nath Dasgupta,A History of Indian Philosophy,Vol.-I.,Motilal Banarasidass.



১০.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰঃ

(ক) ব্ৰহ্ম

(খ) সৎ- চিৎ-আনন্দ

২ নং প্ৰশ্ন উত্তৰঃ

একমাত্ৰ একক শাশ্বত, অনন্ত, স্থায়ী, বাস্তৱ, শুদ্ধ অতীন্দ্ৰিয়, চৰ্তবিহীন সত্যতা নাইবা প্ৰকৃত সত্য আৰু ব্যৱহাৰিক জগতৰ ভিত্তিকেই প্ৰকৃত সত্ত্বা বা ব্ৰহ্ম বোলা হয়।

৩ নং প্ৰশ্ন উত্তৰঃ

সৎ-চিৎ- আনন্দৰ অৰ্থ হৈছে অস্তিত্ব, জ্ঞান আৰু আনন্দ বা কৃপা । 'সৎ'ৰ অৰ্থ স্থায়ী অস্তিত্ব, 'চিৎ'ৰ অৰ্থ জ্ঞান আৰু 'আনন্দ'ৰ অৰ্থ কৃপা, যি ব্ৰহ্মৰ অনিবাৰ্য্য বৈশিষ্ট্য।

৪ নং প্ৰশ্ন উত্তৰঃ

শংকৰৰ মতে একমাত্ৰ অদ্বৈত আৰু একক পাৰমাৰ্থিক সত্ত্বাই হৈছে ব্ৰহ্ম। ই হৈছে চৰম সম্পূৰ্ণতা আৰু চৰম সত্য। আত্মা পাৰমাৰ্থিক সত্ত্বা, যি ব্ৰহ্ম। ব্ৰহ্ম এক, চিৰন্তন, সাৰ্বজনীন চৈতন্য। ব্ৰহ্ম সৎ-চিৎ-আনন্দ, অৰ্থাৎ, অস্তিত্ব, জ্ঞান আৰু আনন্দ, যিবোৰ ব্ৰহ্মৰ অপৰিহাৰ্য্য বৈশিষ্ট্য। সৰ্বশ্ৰেষ্ঠ সত্ত্বা ৰূপে ব্ৰহ্মই

সকলো জাগতিক ইন্দ্রিয়গ্রাহ্য বস্তু বা বিষয় অর্থাৎ অতীত, বর্ত্তমান, ভৱিষ্যৎ আৰু কার্য্য-কাৰণক অতিক্রম কৰে। ই দেশ আৰু কাল, দ্রব্য, গুণ, কর্ম আদিৰ দৰে সকলো পার্থক্যৰ পৰা মুক্ত। ই একক গুণবিহীন আৰু অর্নিদৃষ্ট প্রকৃত সত্ত্বা। ব্রহ্ম সকলো উপাধি আৰু জাতি, গুণ, ক্রিয়াৰ দৰে নিষ্পত্তি আৰু অন্যান্য নিষ্পত্তি ৰহিত। উচ্চতম ব্রহ্ম হৈছে নির্গুন ব্রহ্ম। আনহাতে, ব্রহ্ম যেতিয়া ব্যৱহাৰিক জগতৰ নাম আৰু ৰূপৰ দ্বাৰা বৈশিষ্ট্যযুক্ত হয়, তেতিয়া তাক সগুণ ব্রহ্ম বোলা হয়। নিগুন ব্রহ্ম বা পৰব্রহ্ম অ- মানসিক আৰু অপৰিবর্ত্তনীয় আৰু সকলো ইন্দ্রিয়গ্রাহ্য বস্তুক ই অতিক্রম কৰে। একক শাশ্বত ব্রহ্মই অজ্ঞনতাবশত বহুমুখী অৰভাস ৰূপে দৃশ্যমান হয়। ই বহুমুখী ব্যৱহাৰিক জগতৰ পাৰমার্থিক ভিত্তি।

৫ নং প্রশ্ন উত্তৰঃ

ব্রহ্ম দুই প্রকাৰৰ- অর্নিদৃষ্ট আৰু র্নিদৃষ্ট প্রকৃততে, পৰম সত্ত্বা হিচাপে ব্রহ্ম অনির্দৃষ্ট আৰু র্নিদৃষ্ট উভয়েই। ই নিজৰ মাজতেই অর্নিদৃষ্ট, কিন্তু জাগতিক অজ্ঞানতা আৰু ইয়াৰ ফলসমূহৰ উপাধি সীমিতকৰুণৰ বাবে নির্দৃষ্ট ৰূপে প্রতিভাত হয়। অর্নিদৃষ্ট আৰু অবিভাজ্য হিচাপে, ব্রহ্ম বিভিন্ন ৰূপ ধাৰণ কৰিব নোৱাৰে। যেতিয়া ব্রহ্মই বিভিন্ন ঈশ্বৰ আৰু ব্যক্তি আত্মা হিচাপে দৃশ্যমান হয়, এনেধৰণৰ অৱভাস আৰু ব্যৱহাৰিক দ্বৈততা অবিদ্যাজনিত। উপাধিসমূহৰ সীমিতকৰণৰ পৰা মুক্ত অর্নিদৃষ্ট ব্রহ্ম স্বজ্ঞা বা প্রজ্ঞাৰ বিষয়, আৰু যেতিয়া ই উপাধিবোৰৰ দ্বাৰা চর্ত সাপেক্ষ হয়, ই উপাসনাৰ বিষয় হৈ পৰে। ইয়াক নির্দৃষ্ট ব্রহ্মৰ ৰূপ বা আকাৰ বোলা হয়।

৬ নং প্রশ্ন উত্তৰঃ

শংকৰে প্রকৃত সত্ত্বাৰ তিনিটা মান স্বীকাৰ কৰিছে, যাক প্রকৃত সত্ত্বাৰ তিনিটা মান বা সত্ত্বা ত্রিবিদ্ধবাদ মতবাদ ৰূপে জনা যায়। এই তিনিটা মান হৈছে পাৰমার্থিক, ব্যৱহাৰিক আৰু প্রতিভাসিক।

৭ নং প্রশ্ন উত্তৰঃ

প্রকৃত সত্ত্বাৰ তিনিটা মাৰ মতবাদত শংকৰে প্রকৃত সত্ত্বাৰ তিনিটা মান স্বীকাৰ কৰিছে। যেনেঃ পাৰমার্থিক, ব্যৱহাৰিক আৰু প্রতিভাসিক সত্ত্বা।

প্রথমে, প্রকৃত সত্ত্বাৰ প্রথম মান বা শ্রেণী হৈছে চৰম সত্য। ই শুদ্ধ অস্তিত্ব, যি সকলো অভিজ্ঞতাৰ মাজেৰে আত্ম প্রকাশ কৰে, যি বিৰোধীও নহয় নাইবা যাৰ বিৰোধীতাও কৰিব নোৱাৰি অর্থাৎ, শুদ্ধ জ্ঞান আৰু শুদ্ধ কৃপা; ইয়ে হৈছে একমাত্র পাৰমার্থিক সত্য বা সত্ত্বা।

২য় তে, প্রকৃত সত্ত্বাৰ হয়টো শ্রেণী বা মান হৈছে ব্যৱহাৰিক সত্ত্বা। আমাৰ

জাগ্রত অভিজ্ঞতাত দৃশ্যমান বস্তুবোৰ, দেশ আৰু কালত জগত আৰু কাৰণতাৰ বিষয়বস্তু আৰু যি ব্রহ্মৰ স্পষ্ট জ্ঞানৰ দ্বাৰা বাধাপ্রাপ্ত, সিয়েই ব্যৱহাৰিক সত্ত্বা (empirical reality)।

৩য় তে, মায়াময় বা ভ্রমাত্মক সত্ত্বা (যেনেঃ ৰচীত সর্পৰ ভ্রম, নাইবা সপোনৰ অভিজ্ঞতা) হৈছে প্রকৃত সত্ত্বাৰ ৩য় মান বা শ্রেণী, যাক প্রতিভাসিক সত্ত্বা বোলা হয়। এনেধৰণৰ অভিজ্ঞতা কেৱল অস্থায়ী অর্থাৎ ক্ষণস্থায়ীভাৱেহে দৃশ্যমান হয়। এই মায়া বা ভ্রম সার্বিক নহয়, যিহেতু সকলো মানুহে মায়াৰ বা ভ্রমৰ এনেধৰণৰ অভিজ্ঞতা একেসময়তে আহৰণ নকৰে।

৮ নং প্রশ্ন উত্তৰঃ ব্যৱহাৰিক সত্ত্বা আৰু প্রতিভাসিক সত্ত্বাৰ মাজত পার্থক্য এয়ে যে মোক্ষ বা মুক্তি লাভ নকৰালৈকে ব্যৱহাৰিক প্রত্যক্ষৰ দোষসমূহক আবিষ্কাৰো কৰিব নোৱাৰি আৰু নাইকীয়াও কৰিব নোৱাৰি। আনহাতে, প্রতিভাসিক সত্ত্বাৰ দোষ, যি বহুতো স্বতন্ত্র আকাৰ (যেনেঃ সংবেদন, টোপনি আদিৰ ত্রুটি) ত আমাৰ সাধাৰণ অভিজ্ঞতাৰ জগতত সংঘটিত হয়, যি ব্যৱহাৰিক সত্ত্বাতকৈ অধিক ক্ষণস্থায়ী। ব্যৱহাৰিক জগতক অবিদ্যাৰ ইন্দ্রিয়গ্রাহ্য পৰিবর্ত্তন আৰু আমাৰ আত্মগত অভিজ্ঞতা হিচাপে গ্রহণ কৰা হয়। কিন্তু, মায়া বা ভ্রম (যেনেঃ ৰচী এডালক সাপ যেন দেখা) ক ও অবিদ্যাৰেই এক পৰিবর্ত্তন ৰূপে ধৰা হয়।



১০.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ পৰম সত্ত্বা কি?

প্রশ্ন ২ঃ আত্মা ব্রহ্ম নে?

প্রশ্ন ৩ঃ 'সৎ-চিৎ-আনন্দ'ৰ অর্থ কি?

প্রশ্ন ৪ঃ ব্রহ্মৰ দুটা ৰূপ কি কি?

প্রশ্ন ৫ঃ সগুণ ব্রহ্ম কি?

প্রশ্ন ৬ঃ নির্গুণ ব্রহ্ম কি?

প্রশ্ন ৭ঃ ব্রহ্ম উপাসনাৰ বিষয় হয়নে?

প্রশ্ন ৮ঃ প্রকৃত সত্ত্বাৰ তিনিটা মান মতবাদটো কি?

প্রশ্ন ৯ঃ পাৰমার্থিক সত্ত্বা কি?

প্রশ্ন ১০ঃ ব্যৱহাৰিক সত্ত্বা কি?

প্রশ্ন ১১ঃ প্রতিভাসিক সত্ত্বা কি?

প্রশ্ন ১২ঃ অন্যথাখ্যাতি কি?

(খ) চমু প্ৰশ্ন (উত্তৰ প্ৰায় ১৫০ মান শব্দৰ ভিতৰত কৰিব)

প্ৰশ্ন ১ঃ ব্ৰহ্ম কি পৰমসত্ত্বা?

প্ৰশ্ন ২ঃ পৰাবিদ্যা আৰু অপৰাবিদ্যা বুলিলে কি বুজে?

প্ৰশ্ন ৩ঃ অৰ্নিদৃষ্ট ব্ৰহ্ম আৰু নিৰ্দৃষ্ট ব্ৰহ্ম কি?

প্ৰশ্ন ৪ঃ প্ৰকৃত সত্ত্বাৰ তিনিটা ভিন্ন মান কি কি?

প্ৰশ্ন ৫ঃ ব্যৱহাৰিক সত্ত্বা আৰু প্ৰতিভাসিক সত্ত্বা ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ঃ পাৰমাৰ্থিক সত্ত্বা ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (উত্তৰ প্ৰায় ৩০০-৫০০ মান শব্দৰ ভিতৰত কৰিব)

প্ৰশ্ন ১ঃ শংকৰৰ প্ৰকৃত সত্ত্বাৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ২ঃ ব্ৰহ্মৰ দুটা আকাৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ঃ শংকৰৰ প্ৰকৃত সত্ত্বাৰ তিনিটা মানৰ মতবাদটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ঃ প্ৰতিভাসিক সত্ত্বা কি? ব্যৱহাৰিক সত্ত্বাৰ পৰা ই কিদৰে পৃথক।

প্ৰশ্ন ৫ঃ ব্যৱহাৰিক সত্ত্বা আৰু প্ৰতিভাসিক সত্ত্বাৰ মাজত থকা পাৰ্থক্যসমূহ লিখক।

****

অধ্যায় ১১ ঃ ৰামানুজৰ বেদান্ত ঃ ঈশ্বৰ সম্পৰ্কে ধাৰণা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ ৰামানুজৰ দৰ্শনত ঈশ্বৰৰ ধাৰণা

১১.৪ ঈশ্বৰৰ বৈশিষ্ট্য তাৎপর্য্য

১১.৪.১ ঈশ্বৰ গুণ বিশিষ্ট

১১.৪.২ ঈশ্বৰ ত্রিসত্বাত্মক

১১.৪.৩ ঈশ্বৰৰ ভেদ আছে স্বগতঃ ভেদ

১১.৪.৪ অপৃথকসিদ্ধি

১১.৪.৫ ঈশ্বৰ জগতৰ সৃষ্টিকর্তা

১১.৫ ৰামানুজৰ দৰ্শন ঈশ্বৰবিশ্বাসী

১১.৬ ঈশ্বৰৰ পাঁচ অভিব্যাক্তি

১১.৬.১ অর্চা

১১.৬.২ বিভব

১১.৬.৩ ব্যুহ

১১.৬.৪ সুক্ষ্ম

১১.৬.৫ অন্তর্যামী

১১.৭ ব্রহ্ম আৰু ঈশ্বৰ অভিন্ন

১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৯ অধিক জানিবলৈ

১১.১০ অগ্রগতিৰ খতিয়ান

১১.১১ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টিৰ অধ্যয়ন কৰি আপুনি—

- ৰামানুজৰ বিষয়ে জানিব পাৰিব,
- ৰামানুজৰ বিশিষ্টাদ্বৈত দৰ্শনৰ বিষয়ে জানিব পাৰিব,
- ৰামানুজৰ ঈশ্বৰৰ ধাৰণাৰ লগত পৰিচয় হ'ব পাৰিব,
- ঈশ্বৰৰ বৈশিষ্ট্যবোৰ জানিব পাৰিব,
- ঈশ্বৰৰ বিভিন্ন ৰূপ বা অভিব্যাক্তিৰ বিষয়ে জানিব পাৰিব।

১১.২ পৰিচয়

ভাৰতৰ প্ৰখ্যাত বৈষ্ণৱ দাৰ্শনিকসকলৰ ভিতৰত উল্লেখযোগ্য দাৰ্শনিক হৈছে ৰামানুজ। দশম শতিকাত তামিলসকলৰ মাজত বৈষ্ণৱ পন্থা অতি জনপ্ৰিয় হৈছিল। সেইসময়ত সংস্কৃত সাহিত্যৰ বিখ্যাত পণ্ডিতসকল বৈষ্ণৱ সম্প্ৰদায়ৰ উৎকৰ্ষ সাধনৰ বাবে যথেষ্ট বৰঙণি যোগাইছিল। তেওঁলোকক আচাৰ্য উপাধিৰে সন্মানিত কৰা হৈছিল। তেওঁলোকৰ ভিতৰত ৰামানুজৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি।

ৰামানুজৰ দৰ্শনৰ মুখ্য উদ্দেশ্য হৈছে উপনিষদ, ভাগবদগীতা আৰু ব্ৰহ্মসুত্ৰৰ সমন্বয় সাধন কৰি বৈষ্ণৱ দৰ্শনৰ প্ৰতি শ্ৰদ্ধা আৰু বিশ্বাসৰ ভাৱ জাগ্ৰত কৰা। এই দৰ্শনে ভগৱান বিষ্ণুক শ্ৰেষ্ঠ সত্ত্বা হিচাপে মানি তেওঁৰ পূজা-উপাসনাৰ ওপৰত গুৰুত্ব দিয়ে। শঙ্কৰৰ নিৰ্গুণ ব্ৰহ্মৰ বিপৰীতে ৰামানুজৰ দৰ্শনত ঈশ্বৰৰ অস্তিত্বৰ ওপৰত গুৰুত্ব দিয়া হৈছে। মানুহৰ জীৱনত যেতিয়াই বিষম পৰিস্থিতি আহে, তেতিয়াই তেওঁ ঈশ্বৰক অন্তৰেৰে আৰাধনা কৰে আৰু তেওঁৰ প্ৰাৰ্থনা শুনি ঈশ্বৰে তেওঁৰ দুখ নিবাৰণ কৰে। ৰামানুজৰ দৰ্শনে বিশ্বাস কৰে যে এই জগতৰ মূলতঃ এক আধ্যাত্মিক তত্ত্ব আছে। গতিকে এই জগত ভ্ৰম বা ভ্ৰান্তিমাত্ৰ হ'ব নোৱাৰে।

ৰামানুজৰ জীৱন আৰু সাহিত্য ঃ

ৰামানুজৰ জন্ম তামিলনাড়ুৰ ওচৰত শ্ৰীপেৰুম্বুদৰত ১০১৭ ইং চনত হৈছিল। প্ৰাথমিক শিক্ষা গ্ৰহণ সমাপ্ত কৰি তেওঁ কাঞ্চিপুৰমৰ বেদান্ত শাস্ত্ৰত পণ্ডিত যাদৱ প্ৰকাশৰ ওচৰত বেদান্ত অধ্যয়ন কৰিছিল। যাদৱ প্ৰকাশ যিহেতু যমুনাচাৰ্যৰ শিষ্য আছিল, সেয়েহে ৰামানুজক যমুনাচাৰ্যৰ শিষ্য মানা হয়। কোৱা হয় কিছুমান উপনিষদিক সিদ্ধান্তৰ ব্যাখ্যাত তেওঁ তেওঁৰ গুৰুৰ লগত সহমত হ'ব পৰা নাছিল আৰু সেয়েহে তেওঁ অন্য গুৰুৰ সন্ধান কৰিছিল। অৱশেষত তেওঁ শ্ৰীৰঙ্গমত পণ্ডিত চমুনাচাৰ্যৰ ওচৰ চাপিছিল বেদান্ত অধ্যয়নৰ বাবে। দুৰ্ভাগ্যক্ৰমে তেওঁ গৈ উপস্থিত হোৱাৰ পূৰ্বেই তেওঁৰ গুৰুৰ মৃত্যু ঘটিছিল। মতবাদ মতে তেওঁ গুৰুৰ পৰা দৈবিক নিৰ্দেশ পাইছিল আৰু সেই নিৰ্দেশ অনুসৰিয়ে ব্ৰহ্মসুত্ৰৰ ওপৰত এক ভাষ্য লিখিলে। শঙ্কৰৰ নিৰ্গুণ ব্ৰহ্মৰ জ্ঞানাত্মক ব্যাখ্যাৰ বিপৰীতে ৰামানুজই ব্ৰহ্মসুত্ৰৰ ভক্তিপূৰ্বক ব্যাখ্যা লিখিলে, যিখন শ্ৰীভাষ্য নামে বিখ্যাত। তেওঁৰ আৰু বহুতো মূল্যবান ৰচনাৰ ভিতৰত উল্লেখযোগ্য হৈছে গীতাৰহস্য, বেদান্তসাৰ, বেদান্ত দীপা, বেদান্ত সংগ্ৰহ, গদ্য ত্ৰয় ইত্যাদি। তেওঁ দৰ্শন, গীতা, আগম পুৰাণ, মুখ্যতঃ বিষ্ণুপুৰাণ, ভাগৱতপুৰাণ আৰু আলৱাৰসকলৰ ভক্তিমূলক গীত আদিৰ দ্বাৰা প্ৰভাবিত হৈছিল।

ৰামানুজ বৈষ্ণৱবাদৰ এজন নিষ্ঠাবান সমৰ্থক আছিল। বৈষ্ণৱবাদৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে তেওঁ নিজকে নিয়োগ কৰিছিল আৰু বহুতো মঠ-মন্দিৰ প্ৰতিষ্ঠা কৰিছিল। তেওঁ তেওঁৰ ভক্তসকলৰ মাজত যতিৰাজা হিচাপেৰ সন্মানিত আছিল।

ৰামানুজৰ দৰ্শনক বিশিষ্ঠাদ্বৈতবাদ নামেৰে জনা যায়। তেওঁৰ দৰ্শন হৈছে অদ্বৈত,

যদিও ই গুণসম্পন্ন (বিশিষ্ট)। ৰামানুজৰ দর্শনত পৰম তত্ত্ব, যাক ঈশ্বৰ বা ব্রহ্ম কোৱা হয়। আনহাতে ঈশ্বৰ বা ব্রহ্ম হৈছে সগুণ বা গুণবিশিষ্ট। ব্রহ্ম তিনিটা গুণসম্পন্ন— চিৎ, অচিৎ আৰু ঈশ্বৰ। ইয়াত চিৎ (জীৱ) আৰু অচিৎ (জগত) ঈশ্বৰৰ অধীন।

১১.৩ ৰামানুজৰ দর্শনত ঈশ্বৰৰ ধাৰণা

ৰামানুজৰ দর্শনত ব্রহ্ম বা ঈশ্বৰক এনেদৰে প্রকাশ কৰিছে, যিদৰে শঙ্কৰে তেওঁৰ অদ্বৈত বেদান্তত ঈশ্বৰক প্রকাশ কৰিছে। ৰামানুজৰ মতে ঈশ্বৰ হৈছে একমাত্র পৰম তত্ত্ব আৰু ব্রহ্ম আৰু ঈশ্বৰৰ মাজত কোনো পার্থক্য নাই। ড° সর্বপল্লী ৰাধাকৃষ্ণনৰ মতে শঙ্কৰৰ পৰম ব্রহ্ম নির্গুণ, তেওঁ উপাসকসকলৰ মনত ভয় অথবা প্রেমৰ ভাৱনাৰ প্রতি সদায় উদাসীন। ব্রহ্মৰ এই উদাসীনতাৰ বিষয়ে তেওঁ কৈছে যে— যিদৰে তাজমহলৰ প্রশংসা দর্শকসকলে কৰে, কিন্তু তাৰ পৰা তাজমহলৰ একো প্রভাৱ নেপেলায়, সেইদৰে শঙ্কৰৰ নির্গুণ ব্রহ্মই তেওঁৰ উপাসকৰ মনত ভয় আৰু প্রেমৰ ভাব জগাব নোৱাৰে। (ভাৰতীয় দর্শন- Vol.-II)

শঙ্কৰৰ নির্গুণ, নিৰাকাৰ ব্রহ্মৰ বিপৰীতে ৰামানুজৰ ঈশ্বৰবাদৰ উৎপত্তি হৈছে। ৰামানুজৰ মতে ঈশ্বৰে ভক্তৰ আহ্বান শুনে। ভক্তই নিজৰ জীৱনৰ এক চৰম অৱস্থাত পৰম শক্তি ঈশ্বৰক আহ্বান কৰে আৰু এক কৰুণাময় হাত তেওঁক ৰক্ষা কৰিবলৈ আগবাঢ়ি আহে। ৰামানুজৰ দর্শনত ঈশ্বৰ যথার্থতে সত্য আৰু স্বাধীন আৰু জীৱজগত আৰু জড়জগত ঈশ্বৰৰ ওপৰত নির্ভৰশালী।

১১.৪ ৰামানুজৰ ঈশ্বৰৰ বৈশিষ্ট্য

ৰামানুজৰ ঈশ্বৰ হৈছে পুৰুষোত্তম তেওঁ অনন্ত গুণসম্পন্ন সর্বোচ্চ সত্ত্বা। ঈশ্বৰৰ বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি—

১১.৪.১ ঈশ্বৰ গুণবিশিষ্ট

ৰামানুজৰ মতে ঈশ্বৰ পৰম সত্ত্বা। তেওঁ গুণবিশিষ্ট ব্রহ্ম (সগুণ ব্রহ্ম)। ব্রহ্ম স্ববিশেষ নির্বিশেষ নহয়। নির্গুণ আৰু সগুণ ব্রহ্মৰ মাজত কোনো পার্থক্য নাই। ব্রহ্মক নির্গুণ কোৱা হয়, কিয়নো তেওঁৰ কোনো অশুভ গুণ নাই। ব্রহ্ম, নিত্য, সর্বব্যাপী, সুক্ষ্ম, অন্তর্যামী, অক্ষয়, সর্বজ্ঞ, সর্বশক্তিমান আৰু কল্যাণযুক্ত গুণৰে সম্পন্ন। তেওঁ সত্য, জ্ঞান আৰু অনন্ত। গতিকে বিশিষ্টাদ্বৈত বাদৰ অর্থই হৈছে ঈশ্বৰ সকলো ভাল গুণৰ সমষ্টি।

১১.৪.২ ঈশ্বৰ ত্রিগুণাত্মক

শঙ্কৰৰ অদ্বৈতবাদৰ বিপৰীত ৰামানুজৰ দর্শন হৈছে বিশিষ্টদ্বৈতবাদ। ৰামানুজই তিনিটা তত্ত্বৰ স্বীকাৰ কৰে— ঈশ্বৰ, জীৱ (চিৎ) আৰু জড় (অচিৎ)। ঈশ্বৰ এক পৰম

তত্ত্ব আৰু চিৎ আৰু অচিৎ ইয়াৰ দুই অংশ। চিৎ আৰু অচিৎ দুয়ো সত্য আৰু দুয়ো ঈশ্বৰৰ অংশ, দুয়ো ঈশ্বৰৰ অধীন গতিকে ঈশ্বৰ ত্রিগুণাত্মক। যিদৰে ডাল, পাত, ফল, ফুল আদি যদিও প্রত্যেকে পৰস্পৰ পৃথক, তথাপি আটায়ে মিল একে বৃক্ষৰ অপৰিহার্য অংগ, সেইদৰে ঈশ্বৰ, জীৱ আৰু জড়, যদিও পৰস্পৰ পৃথক, তথাপি আটায়ে মিলি ঈশ্বৰৰ অবিচ্ছেদ্য অংগ গঠিত হয়। ৰামানুজৰ ঈশ্বৰক সেয়েহে ত্রিগুণাত্মক কোৱা হয়।

১১.৪.৩ ঈশ্বৰৰ মাজত স্বগতঃ ভেদ বিদ্যমান

ৰামানুজৰ মতে ঈশ্বৰৰ স্বগতঃ ভেদ বিদ্যমান। বেদান্ত দর্শনত তিনি প্রকাৰৰ ভেদ আছে। সেইবোৰ হৈছে সজাতিয় ভেদ, বিজাতিয় ভেদ আৰু স্বগতঃ ভেদ।

১। সজাতিয় ভেদ— একে শ্রেণীৰ মাজত থকা ভেদ, যেনে- দুডাল কলগছৰ মাজত থকা ভেদ।

২। বিজাতিয় ভেদ— এটা জাতি আৰু অন্য এটা জাতিৰ মাজত থকা ভেদ। এটা গাই আৰু এটা ঘোঁৰাৰ মাজত থকা যি ভেদ, সেয়া বিজাতিয় ভেদ।

৩। স্বগতঃ ভেদ— এটা বস্তুৰ মাজত থকা বিভিন্ন অংশৰ মাজত থকা ভেদ হৈছে স্বগতঃ ভেদ। যেনে- গছ এডালৰ শিপা, ডাল, গা-গছ, ফল, ফুলৰ মাজত থকা ভেদ।

ৰামানুজৰ মতে ঈশ্বৰৰ মাজত সজাতিয় ভেদ নাই, কাৰণ ঈশ্বৰৰ বাহিৰে আৰু কোনো দ্বিতীয় সত্ত্বা নাই। ঈশ্বৰৰ মাজত কোনো বিজাতিয় ভেদ নাই, যিহেতু ঈশ্বৰৰ অন্য এক ভিন্ন সত্ত্বা নাই। গতিকে ঈশ্বৰৰ মাজত কোনো বিজাতিয় ভেদ থাকিব নোৱাৰে।

ঈশ্বৰৰ মাজত স্বগতঃ ভেদ আছে। ব্রহ্ম এক সমগ্র সত্ত্বা আৰু এই সমগ্র সত্ত্বাৰ অন্তর্গত দুই অংশ চিৎ আৰু অচিৎ পৰস্পৰ পৃথক। চিৎ আৰু অচিৎ অর্থাৎ জীৱ আৰু জড় জগত হৈছে ঈশ্বৰৰ অবিচ্ছেদ্য অংগ। ঈশ্বৰৰ দৰে দুয়ো সমানে সত্য আৰু দুয়ো মিলি ঈশ্বৰৰ দেহ আৰু আত্মা গঠিত হয়। গতিকে ঈশ্বৰ হৈছে জীৱ আৰু জগতৰ সাম্মিলিত এক সমূহ বা গোট আৰু ইয়েই হৈছে ঈশ্বৰৰ স্বগতঃ ভেদ।

১১.৪.৪ অপৃথকসিদ্ধি

ৰামানুজৰ মতে চিৎ, অচিৎ আৰু ঈশ্বৰৰ মাজত অপৃথকাসিদ্ধি সম্পর্ক আছে। ৰামানুজৰ মতে চিৎ আৰু অচিৎ দুয়ো ব্রহ্মৰ অংশ, এই অংশ আৰু অংশীৰ (ঈশ্বৰ) মাজত আন্তৰিক সম্বন্ধ থাকে, বাহ্য নহয়। ৰামানুজৰ মতে ব্রহ্মক বিশেষ্য আৰু জীৱ জগতক বিশেষণ কোৱা হয় আৰু দুয়োৰে মাজত অপৃথকসিদ্ধি সম্বন্ধ আছে। চিৎ আৰু অচিৎ ঈশ্বৰৰ শক্তি, অংশ, অভিব্যক্তি, অৱতাৰ, বিশেষণ বা শৰীৰ আৰু ঈশ্বৰৰ অন্তৰাত্মা। চিৎ আৰু অচিৎ বা জীৱ আৰু জগত আৰু ঈশ্বৰৰ মাজত অপৃথক সিদ্ধি সম্বন্ধৰ অর্থ হৈছে ই এক আন্তৰিক সম্বন্ধ বা ই তেওঁৰ অবিচ্ছেদ্য গুণ।

১১.৪.৫ ঈশ্বৰ জগতৰ কাৰণ

ৰামানুজৰ মতে ঈশ্বৰ হৈছে পৰমাত্ম জড় আৰু জীৱজগত বা চিৎ আৰু অচিৎ সকলো মিলি ঈশ্বৰৰ শৰীৰ গঠন কৰে। সেয়েহে ঈশ্বৰ হৈছে জগতৰ উপাদান আৰু নিমিত্ত কাৰণ। ঈশ্বৰ তেওঁৰ লীলাৰ দ্বাৰা জগত ৰচনা কৰে। তেওঁ হৈছে জগতৰ সৃষ্টিকৰ্তা, ৰক্ষাকৰ্তা আৰু সংহাৰ কৰ্তা। ঈশ্বৰে তেওঁৰ লীলা প্রকাশৰ ৰবেই এই জগত সৃষ্টি কৰিছে। যিহেতু ঈশ্বৰ এক পূৰ্ণ সত্বা, তেওঁৰ কোনো অপূৰ্ণ কামনা, আশা আকাঙ্খা নাই। তেওঁ সৰ্বজ্ঞ, সৰ্বশক্তিমান জীৱৰ কৰ্মফল অনুযায়ী তেওঁ জগত সৃষ্টি কৰে, জীৱৰ মঙ্গল সাধন কৰে। ঈশ্বৰ কৰ্ম, ভক্তি আৰু জ্ঞানৰ বিধানদাতা। ভক্তই ঈশ্বৰক ভক্তিৰে সন্তুষ্ট কৰি তেওঁৰ কৃপা লাভ কৰে। ঈশ্বৰে এইদৰে জগতৰ সৃষ্টিকৰ্তা, ৰক্ষাকৰ্তা আৰু সংহাৰকৰ্তা আৰু সেয়েহে তেওঁক জগতৰ মূল কাৰণ কোৱা হয়।

১১.৫ ৰামানুজৰ মত ঈশ্বৰবাদী

ৰামানুজৰ দৰ্শন হৈছে ঈশ্বৰবাদী। ঈশ্বৰ বিশ্বাসী মতবাদ মতে ঈশ্বৰৰ প্রতি পৰম বিশ্বাস, সিজনা অন্তৰ্যামী আৰু সৰ্বশ্রেষ্ঠ আৰু তেওঁ স্বয়ং জ্ঞানসম্পন্ন আৰু স্বইচ্ছাৰ অধীন। এই সকলো লক্ষণ ৰামানুজৰ ঈশ্বৰৰ ধাৰণাত বিদ্যমান। ঈশ্বৰ হৈছে সাধনাৰ বিষয় আৰু আমাৰ ধৰ্মীয় অনুভূতিৰ লক্ষ্য। তেওঁ অনন্ত জ্ঞান সম্পন্ন তথা আনন্দ দাতা। তেওঁ অন্তৰ্যামী, ভক্তৰ উপাসনাৰ লক্ষ্য। তেওঁৰ পূজা-অৰ্চনা, প্রার্থনা, ভক্তি-শ্রদ্ধাৰে মানুহ তেওঁৰ কৃপা লাভ কৰি মুক্তি লাভ কৰিব পৰে।

১১.৬ ঈশ্বৰৰ অভিব্যক্তি

ৰামানুজৰ মতে ঈশ্বৰ পাঁচ ৰূপত অভিব্যক্ত হয়। মাধবাচার্যৰ সৰ্ব দৰ্শন সংগ্রহত ঈশ্বৰৰ ৰূপ পাঁচ প্রকাৰেৰে বৰ্ণনা কৰা হৈছে। সেইবোৰ হৈছে- (১) অৰ্চা, (২) বিভৱ, (৩) ব্যুহ, (৪) সুক্ষ্ম আৰু (৫) অনিৰুদ্ধ।

১১.৬.১ অৰ্চা

মূৰ্তিপূজাকে অৰ্চা কোৱা হয়। ঈশ্বৰৰ মূৰ্তি পাথৰ, মাৰ্বল, ধাতু বা অন্য মূল্যবান ধাতুৰে গঢ়া হ'ব পাৰে আৰু সেইবোৰ ভক্তসকলে ভক্তি সহকাৰে গৃহত বা মঠ-মন্দিৰত প্রতিষ্ঠা কৰি পূজা-অচনা কৰে। এই সকলো ঈশ্বৰৰ ৰূপৰ প্রকাশ, যিবোৰ স্বয়ং প্রকাশ হয় বা কোনো সিদ্ধ পুৰুষে প্রতিষ্ঠা কৰে।

১১.৬.২ বিভৱ

যেতিয়া ঈশ্বৰে মানৱৰ ৰূপত বা অন্য ৰূপত আবির্ভাৱ হয়, তেওঁক কোৱা হয়

বিভৰ বা অৱতাৰ। ধৰ্মক ৰক্ষা আৰু ধৰ্মক বিনাশ আৰু লগতে ধৰ্মক পুনৰ প্ৰতিষ্ঠাৰ বৰে তেওঁৰ আবিৰ্ভাৰ হয়। ঈশ্বৰৰ অৱতাৰ দুই প্ৰকাৰৰ পূৰ্ণ অৱতাৰ আৰু আংশিক অৱতাৰ। যেতিয়া তেওঁ নিজেই স্বইচ্ছাই অৱতাৰ হয়, যেনে কৃষ্ণ অৱতাৰ, তেতিয়া সেইটো হয় পূৰ্ণ অৱতাৰ। এনে অৱস্থাত পৰআত্মাই বিশেষ ভক্তৰ ওপৰত অনুগ্ৰহ কৰি সাক্ষাৎ প্ৰকট হয়। আংশিক বা গৌন অৱতাৰত ভগৱানে আবেগ বশত ভক্তৰ মনোকামনা সিদ্ধি কৰিবলৈ প্ৰকট হয়। মৎস, কুৰ্ম, নৰসিংহ আদি এনে অৱতাৰ।

১১.৬.৩ ব্যুহ

ব্যুহ চাৰি প্ৰকাৰৰ— বাসুদেৱ, সংকৰ্ষণ, প্ৰদুম্ন আৰু অনিৰুদ্ধ। সৰ্বশক্তিমান ঈশ্বৰ ছয় প্ৰকাৰৰ শ্ৰেষ্ঠ গুণসম্পন্ন, যেনে- জ্ঞান, শক্তি, বল, শ্ৰেয়, শৌৰ্য্য আৰু উজ্লতা। বাসুদেৱ-জ্ঞান, শক্তি, বল, প্ৰভুতা, পৰাক্ৰম তথা প্ৰতিভা আদি শ্ৰেষ্ঠ গুণেৰে সমৃদ্ধ। সংকৰ্ষণ-জ্ঞান আৰু বলেৰে যুক্ত। প্ৰদুম্ন- ঐশ্বৰ্য আৰু বীৰ্যৰে সমৃদ্ধ। অনিৰুদ্ধ শক্তি আৰু তেজশ্বিতা গুণ সম্পন্ন।

১১.৬.৪ সুক্ষ্ম

সুক্ষ্ম গুণযুক্ত ঈশ্বৰ হৈছে বাসুদেৱ স্বৰূপ। তেওঁক পৰব্ৰহ্ম আখ্যা দিয়া হয়। তেঁৱেই হৈছে নাৰায়ণ, তেওঁৰ বসতিস্থান বৈকুণ্ঠধাম। শ্ৰুতিবাক্যত কোৱা হৈছে যে তেওঁ পৰমাত্মা, পাপৰাহিত, জৰাহীন, মৃত্যুহীন, শোকহীন, ভোক-পিয়াহ বহিত, পূৰ্ণৰূপত অৱস্থিত পৰমাত্মা নাৰায়ণ বৈকুণ্ঠপুৰী নিবাসী। মুক্ত আত্মাই তেওঁক প্ৰাপ্ত কৰে তেওঁ হৈছে, সদগুণ বিগ্ৰহ কেৱল মুক্ত লোকেহে তেওঁক লাভ কৰে।

১১.৬.৫ অন্তৰ্যামী

ঈশ্বৰ অন্তৰ্যামী ৰূপত সকলো জীৱত বসতি কৰে আৰু সকলো জীৱকে নিয়ন্ত্ৰিত কৰে। জীৱাত্মাৰ হৃদয়ত ভিন্ ভিন্ ৰূপত অৱস্থিত হৈ থকা পৰমাত্মাই হৈছে অন্তৰ্যামী। জীৱৰ হৃদয়ত স্থিত অন্তৰ্যামী পৰমাত্মাই সকলো মানৱৰে ভাল-বেয়া কৰ্মত প্ৰবৃত্ত আৰু নিবৃত্ত কৰে। অন্তৰ্যামী হৈছে ঈশ্বৰৰ শ্ৰেষ্ঠ ৰূপ আৰু মাত্ৰ যোগী বা পৰমপুৰুষ সকলেহে তেওঁক সাক্ষাৎ কৰিব পাৰে।

১১.৭ ব্ৰহ্ম আৰু ঈশ্বৰ অভিন্ন

শঙ্কৰৰ দৰ্শনৰ বিপৰীতে ৰামানুজৰ দৰ্শনত মত পোষণ কৰা হয় যে ব্ৰহ্ম আৰু ঈশ্বৰৰ মাজত ভেদ নাই। ব্ৰহ্ম আৰু ঈশ্বৰৰ এক পৰম সত্ত্বাক বুজাবলৈ ব্যৱহাৰ কৰা হয়। সাধাৰণতে দৰ্শনৰ দৃষ্টিৰে পৰম সত্ত্বাক ব্ৰহ্ম অৰ্থত ব্যৱহাৰ কৰা হয় আৰু ধৰ্মীয় দৃষ্টিৰে পৰমসত্ত্বাক ঈশ্বৰ অৰ্থত ব্যৱহাৰ কৰা হয়। কিন্তু ৰামানুজৰ দৰ্শনত ব্ৰহ্ম আৰু ঈশ্বৰ এই পদ দুটা একে অৰ্থতে

ব্যৱহাৰ কৰা হয়। ৰামানুজৰ মতে ব্রহ্ম আৰু ঈশ্বৰ পদে একে পৰম সত্তাকে নির্দেশ কৰে। এনে দার্শনিক দৃষ্টিভঙ্গীৰ বাবেই তেওঁৰ দর্শনক ঈশ্বৰবাদী আখ্যা দিয়া হয়।



চিন্তা-চর্চা কৰক ১১.১

- ৰামানুজৰ দর্শনক বিশিষ্টাদ্বৈতবাদ কোৱা হয়— আলোচনা কৰক।

.....

- ৰামানুজৰ দর্শনক বিশিষ্টাদ্বৈতবাদ কোৱা হয়— আলোচনা কৰক।

.....

- ঈশ্বৰৰ স্বগত ভেদ আছে— ব্যাখ্যা কৰক।

.....

- অপৃথক সিদ্ধি কি? ব্যাখ্যা কৰক।

.....



চিন্তা চর্চা কৰক-১১.২

- চিৎ আৰু অচিৎ ব্যাখ্যা কৰা।

.....

- ঈশ্বৰ জগতৰ কাৰণ— আলোচনা কৰা।

.....

- ঈশ্বৰৰ বিভিন্ন ৰূপ ব্যাখ্যা কৰা।

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ব্রহ্ম বা ঈশ্বৰৰ বৈশিষ্ট্যবোৰৰ বিষয়ে চমুকৈ লিখক।

.....

.....

প্রশ্ন ২ ঃ ৰামানুজৰ দর্শন ঈশ্বৰবাদী— এই বিষয়ে চমুকৈ উত্তৰ দিয়ক।

.....

.....

প্রশ্ন ৩ ঃ ঈশ্বৰ ত্রিসত্ত্বাত্মক— এই বিষয়ে চমুকৈ উত্তৰ দিয়ক।

.....

.....

প্ৰশ্ন ৪ ঃ শুদ্ধ উত্তৰটো বাছি উলিৱাওক ঃ

(ক) ৰামানুজৰ দৰ্শন অদ্বৈতবাদী (শুদ্ধ/অশুদ্ধ) ।

(খ) ঈশ্বৰ হ'ল স্বজাতিভেদ (শুদ্ধ/অশুদ্ধ) ।

(গ) চিৎ আৰু অচিৎ ঈশ্বৰৰ অধীন (শুদ্ধ/অশুদ্ধ) ।

প্ৰশ্ন ৫ ঃ ৰামানুজৰ দৰ্শনৰ মতে তলত দিয়া বাক্যবোৰ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰকঃ

(ক) চিৎ আৰু অচিৎ ঈশ্বৰৰ অপৰিহাৰ্য অংশ (শুদ্ধ/অশুদ্ধ)।

(খ) ৰামানুজ নিৰিশ্বৰবাদী দাৰ্শনিক (শুদ্ধ/অশুদ্ধ)।

(গ) ৰামানুজৰ মতে পৰম সত্য গুণৰাহিত (শুদ্ধ/অশুদ্ধ)।

প্ৰশ্ন ৬ ঃ "ঈশ্বৰ অন্তৰ্যামী"— এই বিষয়ে চমুকৈ উত্তৰ দিয়ক।

.....

.....

প্ৰশ্ন ৭ ঃ "ঈশ্বৰৰ বিভিন্ন অৱতাৰ" সম্পৰ্কে চমু ব্যাখ্যা দিয়ক।

.....

.....



১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ পৰা আমি ৰামানুজৰ ঈশ্বৰ ধাৰণা সম্পৰ্কে আভাষ পালো। ৰামানুজৰ দৰ্শনক বিশিষ্টাদ্বৈতবাদ বা সগুণ অদ্বৈতবাদ নামে জনাজাত। ঈশ্বৰৰ তলত দিয়া ধৰণৰ বৈশিষ্ট্য আছে—

- ঈশ্বৰ গুণসম্পন্ন অর্থাৎ সগুণ। ঈশ্বৰ নানা গুণসম্পন্ন, যেনে- সর্বজ্ঞ, পূর্ণ, সর্বব্যাপ্ত ইত্যাদি।
- ঈশ্বৰ ত্রিগুণাত্মক। ঈশ্বৰৰ চিৎ আৰু অচিৎৰ সম্পর্ক আভ্যন্তৰীণ।
- ঈশ্বৰ জগতৰ উপাদান কাৰণ আৰু নিমিত্ত কাৰণ।
- ৰামানুজ ঈশ্বৰবাদী দার্শনিক।
- ঈশ্বৰ বিভিন্ন ৰূপত প্রকাশ হ'ব।
- ব্রহ্ম আৰু ঈশ্বৰ অভিন্ন।



১১.৯ অধিক জানিবলৈ

1. Radhakrishnan S. Indian Philosophy, Vol.-II
2. Chatterjee S.C. and Dutta D.M. An Introduction to Indian Philosophy.
3. M. Hiriyana. Outlines of Indian Philosophy, Motilal Banarasidass.
4. C.D. Sharma. A Critical Survey of Indian Philosophy. Motilal Banarasidass.
5. Dr. Hridaya Narayan Misra. Bharatiya Darshan (Hindi). Sekhar Prakashan. Alahabad.



১১.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ঈশ্বৰ বিশিষ্ট বা গুণসম্পন্ন, ঈশ্বৰৰ অলেখ গুণ আছে, যেনে- সর্বজ্ঞ, সর্ববপ্ত, পূর্ণ, সর্বগুণী আদি।

২নং প্রশ্নৰ উত্তৰ ঃ ৰামানুজৰ মতে তেওঁৰ দর্শন ঈশ্বৰবাদী। ঈশ্বৰক পূজা কৰা হয় আৰু তেওঁ আমাৰ ধর্মীয় অনুভূতিৰ বিষয়। মানুহে প্রার্থনা, ভক্তি আৰু পূজাৰে ভগৱানৰ কৃপা লাভ কৰে আৰু এইদৰে মুক্তি লাভ কৰে।

৩নং প্রশ্নৰ উত্তৰ ঃ ৰাধাকৃষ্ণণৰ মতে ঈশ্বৰ ত্রিসত্ত্বাত্মক। ঈশ্বৰৰ তিনিটা তত্ত্ব আছে— ঈশ্বৰ, জীৱ (চিৎ) আৰু জড় (অচিৎ)। ঈশ্বৰ এক, চিৎ আৰু অচিৎ তেওঁৰ দুই অংশ আৰু দুয়ো ঈশ্বৰৰ অধীন।

৪নং প্রশ্নৰ উত্তৰ ঃ (ক) গুণসম্পন্ন অদ্বৈতবাদী
(খ) স্বগতঃ ভেদ
(গ) চিৎ আৰু অচিৎ ঈশ্বৰৰ অধীন।

৫নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ
(খ) অশুদ্ধ
(গ) অশুদ্ধ

৬ নং প্রশ্নৰ উত্তৰ ঃ ঈশ্বৰ অন্তর্যামী। ঈশ্বৰে সকলো জীৱতে বাস কৰে আৰু আমাৰ অন্তৰত থাকে আৰু অন্তৰৰ পৰা জীৱক নিয়ন্ত্রণ কৰে। ঈশ্বৰে জীৱৰ অন্তৰত কাম কৰে আৰু সেয়ে তেওঁক অন্তর্যামী বোলা হয়।

৭ নং প্রশ্নৰ উত্তৰ ঃ ঈশ্বৰৰ অৱতাৰ দুই প্রকাৰৰ— পূর্ণ আৰু আংশিক। ঈশ্বৰে যেতিয়া স্বইচ্ছাই অৱতাৰ লয়, তেতিয়া কোৱা হয় পূর্ণ অৱতাৰ, যেনে বিষ্ণু, শিৱ, কৃষ্ণ আদি। আংশিক বা গৌণ অৱতাৰ হৈছে যেতিয়া ঈশ্বৰৰ আত্মাৰ দ্বাৰা প্রেৰিত হৈ অৱতাৰ লয়, যেনে নৰসিংহ, বৌদ্ধ আদি।



১১.১১ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাৰতবৰ্ষত কোন জন বৈষ্ণৱ চিন্তাবিদক শ্ৰেষ্ঠ হিচাপে জনা যায়।

প্ৰশ্ন ২ ঃ বিশিষ্টাদ্বৈতবাদ কি?

প্ৰশ্ন ৩ ঃ বিশিষ্টাদ্বৈতবাদ মতবাদটোৰ কাক মূখ্য প্ৰৱৰ্ত্তক হিচাপে বিবেচনা কৰা হয়।

প্ৰশ্ন ৪ ঃ ব্ৰহ্মসূত্ৰৰ লেখক কোন?

খ) চমু প্ৰশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ ৰামানুজৰ ঈশ্বৰ সম্পৰ্কে থকা ধাৰণাৰ বিষয়ে চমু উত্তৰ দিয়ক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখকঃ

(ক) ঈশ্বৰৰ স্বগতঃ ভেদ

(খ) ঈশ্বৰ অপৃথকসিদ্ধি

(গ) ঈশ্বৰৰ ব্যুহ

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ ৰামানুজৰ মতে ঈশ্বৰৰ ভিন্ন তাৎপৰ্যবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ঈশ্বৰক পৃথিৱীৰ কাৰণ হিচাপে জনা যায়। আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ৰামানুজৰ দৰ্শনত ঈশ্বৰৰ ভিন্ন ৰূপবোৰ সবিশেষ আলোচনা কৰক।

****

অধ্যায় ১২ ঃ ৰামানুজৰ জীৱ আৰু জগত

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ ৰামানুজৰ মতে জীৱৰ তিনি প্ৰকাৰ

১২.৪ জীৱৰ বৈশিষ্ট্য

১২.৪.১ জীৱ ঈশ্বৰৰ অংশ

১২.৪.২ জীৱ আৰু ঈশ্বৰ

১২.৪.৩ জীৱ আৰু অবিদ্যা

১২.৪.৪ জীৱ আৰু ব্ৰহ্ম

১২.৫ ৰামানুজৰ জগত সম্পৰ্কে ধাৰণা

১২.৬ ৰামানুজৰ প্ৰকৃতি সম্পৰ্কে ধাৰণা

১২.৬.১ ৰামানুজৰ প্ৰকৃতি আৰু সাংখ্য প্ৰকৃতিৰ পাৰ্থক্য

১২.৭ ব্ৰহ্ম জগতৰ কাৰণ

১২.৮ ৰামানুজৰ সৎকাৰ্যবাদ

১২.৯ জগত ব্ৰহ্মৰ সঁচা সৃষ্টি

১২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.১১ অধিক জানিবলৈ

১২.১২ অগ্ৰগতিৰ খতিয়ান

১২.১৩ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নিত্যমুক্ত, মুক্ত আৰু বদ্ধ- এই তিনিপ্ৰকাৰৰ আত্মা সম্বন্ধে বিশ্লেষণ কৰিব পাৰিব,
- ঈশ্বৰৰ অংশবোৰৰ সম্বন্ধে জ্ঞান লাভ কৰিব পাৰিব,
- জীৱ আৰু ব্ৰহ্ম পৃথক নহয়- এই সম্বন্ধে জ্ঞান লাভ কৰিব পাৰিব,
- প্ৰকৃতি ঈশ্বৰৰ অংশ- এই সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব,
- ৰামানুজৰ প্ৰকৃতি সম্পৰ্কে থকা ধাৰণাৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- ৰামানুজৰ দৰ্শনত জগতৰ কাৰণ হিচাপে সৎকাৰ্যবাদ ব্যাখ্যা দাঙি ধৰিব পাৰিব।

১২.২ পৰিচয়

শঙ্কৰৰ অদ্বৈতবাদত কোৱা হৈছে 'জীৱো ব্ৰহ্মৈব নাপৰঃ' অর্থাৎ জীৱ ব্ৰহ্মত বাহিৰে অন্য একো নহয়। শঙ্কৰৰ মতৰ বিপৰীতে ৰামানুজই কৈছে যে জীৱ ব্ৰহ্মৰ এক অপৰিহার্য অংশ। জীৱ বা আত্মা যথার্থ, কিন্তু ব্ৰহ্মৰ লগত জীৱৰ তাদাত্ম মানা উচিত নহয়। আত্মা অনু আৰু ব্ৰহ্ম অসীম। আত্মা সীমিত জ্ঞানৰ, কিন্তু ব্ৰহ্ম সর্বজ্ঞ। জীৱাত্মা হৈছে দেহবিশিষ্ট আত্মা। ই দেহ, চেতনা, শক্তিশালী প্ৰাণ, মন, বুদ্ধি আৰু আত্মাৰ সমষ্টি। ৰামানুজৰ মতে আত্মা বা জীৱ যথার্থ, ব্ৰহ্মৰ লগত আত্মাৰ তাদাত্ম সম্পর্কে মানা উচিত নহয়। তেওঁৰ মতে ব্ৰহ্ম অসীম। কিন্তু আত্মা সীমিত। ব্ৰহ্মৰ অংশ হিচাপে জীৱাত্মা যথার্থ, অদ্ভুত, নিত্য, বুদ্ধিসম্পন্ন, চৈতনা যুক্ত, অখণ্ড, অপৰিবর্তনীয়, অদৃশ্য আৰু আনবিক। ই শৰীৰ, ইন্দ্ৰিয়, শক্তিশালী প্ৰাণ আৰু বুদ্ধিৰ পৰা ভিন্ন। ই জ্ঞাতা, কর্ত্তা আৰু ভোক্তা। ই মানৱীয় স্তৰত শৰীৰ তথা শক্তিশালী প্ৰাণেৰে সংযুক্ত, পাঁচ কর্মেন্দ্ৰিয় আৰু পাঁচ জ্ঞানন্দ্ৰিয় ইয়াৰ সাধন। মন আত্মাৰ বাবে আভ্যন্তৰিক অৱস্থাক প্ৰকাশ কৰে আৰু ইন্দ্ৰিয়ৰ সহায়ত বাহ্য অৱস্থাক প্ৰকাশ কৰে (ভাৰতীয় দর্শন ৰাধাকৃষ্ণ, Vol-V,P-606)

১২.৩ জীৱৰ তিনি প্ৰকাৰ

ৰামানুজৰ মতে জীৱৰ তিনিটা অৱস্থা আছে। (১) নিত্য, (২) মুক্ত, (৩) বদ্ধ

১) নিত্য জীৱ— ৰামানুজৰ মতে নিত্য জীৱ হৈছে, যি বৈকুণ্ঠত নিৱাস কৰে। নিত্য জীৱ মুক্ত আৰু ইয়াৰ কেতিয়াও বন্ধন নহয়। ই কর্ম আৰু প্ৰকৃতিৰ পৰা চিৰমুক্ত। শেষ, গৰুড় বিশ্বক্ষণ আদি মুক্তজীৱ।

২) মুক্ত জীৱ— দ্বিতীয় প্ৰকাৰ হৈছে মুক্ত জীৱ, যিসকল এসময়ত বদ্ধ আছিল কিন্তু বর্তমান জ্ঞান, কর্ম আৰু ভক্তিৰ মার্গৰ দ্বাৰা মুক্তি লাভ কৰে।

৩) বদ্ধ জীৱ— তৃতীয় প্ৰকাৰ হৈছে বদ্ধ জীৱ, যিবোৰ সংসাৰ চক্ৰত আবদ্ধ হৈ থাকে। বদ্ধ জীৱই অজ্ঞান তাৰ বাবে সকাম কর্ম কৰি কর্মফল প্ৰাপ্ত হয়। তেনে জীৱক চাৰি ভাগত ভগাব পাৰি, যেনে- অতিমানৱ, মানৱ, জন্তু আৰু স্থাৱৰ জীৱ।

জীৱাত্মাৰ মাজত বর্গভেদ আছে বাবেই তেওঁলোকৰ ভিন ভিন শৰীৰ প্ৰাপ্ত হয়। এই সংসাৰত জীৱাত্মাৰ বিভাগ দুই প্ৰকাৰৰ হ'ব পাৰে। এচামৰ ভৌতিক জগত ভোগ কৰাৰ ইচ্ছা আৰু আনচামৰ মোক্ষ প্ৰাপ্তিৰ ইচ্ছা। যেতিয়ালৈ জীৱই মোক্ষ লাভ নকৰে, তেওঁলোকৰ পুনৰজনম হৈ থাকিব আৰু নিজৰ কর্মফল ভোগ কৰি থাকিব।

১২.৪ জীৱৰ বৈশিষ্ট্য

জীৱৰ স্বৰূপ জানিবলৈ হ'লে ইয়াৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব লাগিব। তলত ৰামানুজৰ দর্শনৰ মতে জীৱৰ মূল বৈশিষ্ট্যবোৰ আলোচনা কৰা হ'ল।

১২.৪.১ জীৱ ঈশ্বৰৰ অংশ

ৰামানুজৰ মতে জীৱ আৰু ঈশ্বৰ এক নহয়। জীৱ ঈশ্বৰতকৈ ভিন্ন। জীৱক ঈশ্বৰৰ অংশ কোৱা হয়। যিদৰে অংশ আৰু সমগ্ৰৰ মাজত সম্বন্ধ, জীৱ আৰু ঈশ্বৰৰ মাজত তেনে সম্বন্ধ। ঈশ্বৰ অংশী আৰু জীৱ অংশ। ঈশ্বৰক স্বতন্ত্ৰ মানা হয়, আনহাতে জীৱক ঈশ্বৰৰ আশ্ৰিত মানা হয়। ঈশ্বৰক যদি পূৰ্ণ মানা হয়, তেন্তে জীৱক অপূৰ্ণ তথা অনু মানা হয়। জীৱক ঈস্বৰৰ শৰীৰ মানা হয় আৰু ঈশ্বৰ হৈছে জীৱৰ আত্মা।

১২.৪.২ জীৱ আৰু ঈশ্বৰ

ঈশ্বৰ আৰু জীৱ উভয়ৰে মাজত সাদৃশ্য আছে। জীৱ আৰু ঈশ্বৰ দুয়ো স্বয়ংপ্ৰকাশ আৰু জ্ঞান স্বৰূপ। দেহযুক্ত অৱস্থাত ই এক সক্ৰিয় কৰ্ত্তা আৰু ভোক্তা। জীৱ চিৎ গুণ যুক্ত আৰু ঈশ্বৰৰ বিশেষণ। জীৱ নিত্য, ই অতীতৰ অনুভৱ স্মৰণ কৰিব পাৰে। জীৱ শৰীৰৰ আত্মা, কিন্তু ই ঈশ্বৰৰ শৰীৰ। জীৱ স্বয়ং প্ৰকাশ আৰু জ্ঞানযুক্ত। প্ৰকৃতিৰ লগত যুক্ত হোৱা বাবে যি কৰ্ম কৰে তাৰ কৰ্মফল প্ৰাপ্তি হয়।

১২.৪.৩ জীৱ আৰু অবিদ্যা

অবিদ্যাৰ বাবেই জীৱৰ জন্ম হয়। অবিদ্যা হৈছে আত্মা আৰু শৰীৰৰ মাজত তাদাত্ম জ্ঞান, যাৰ বাবে জীৱই নিজকে দেহৰ লগত অভিন্ন জ্ঞান কৰে আৰু ঈশ্বৰৰ পৰা ভিন্ন জ্ঞান কৰে। জীৱৰ স্বাভাৱিক গুণ হৈছে জ্ঞান আৰু আনন্দ। ই নিত্য। অবিদ্যা বা অজ্ঞানতাৰ বাবেই জীৱই দেহত বন্দী হয়। বদ্ধ জীৱ অনেক। শৰীৰৰ ভেদৰ বাবেই জীৱৰ ভেদ হয়। প্ৰত্যেক শৰীৰতে ভিন্ন জীৱ বপ্ত থাকে। ৰামানুজৰ মতে জীৱই ভক্তিৰ দ্বাৰা ঈশ্বৰক সন্তুষ্ট কৰে আৰু তেওঁৰ এইদৰে অবিদ্যা নাশ হয়। তেওঁ ব্ৰহ্মৰ অনন্ত আনন্দ অনুভৱ কৰে আৰু এইদৰে জীৱৰ মোক্ষ প্ৰাপ্তি হয়।

১২.৪.৪ জীৱ আৰু ব্ৰহ্ম পৃথক নহয়

সাধাৰণতে জীৱ আৰু ব্ৰহ্ম পৰস্পৰ ভিন্ন। ব্ৰহ্ম স্ৰষ্টা, পালক, সংহাৰক, নিয়ন্ত্ৰক, নিয়ামক, নৈতিক শাসক, আধাৰ আৰু স্বামী। ব্ৰহ্মই জীৱ সৃষ্টি কৰে, ৰক্ষা কৰে। তেঁৱেই জীৱক বিনাশ কৰে ৰক্ষা কৰে। ৰামানুজৰ মতে জীৱ (চিৎ) ঈশ্বৰৰ দেহ আৰু ঈশ্বৰৰ পৰা ভিন্ন নহয়। উপনিষদৰ বিখ্যাত উক্তি হৈছে 'ত্বৎ ত্বম' অসি অৰ্থাৎ তেঁৱেই মই— ইয়াত তেওঁৰ অৰ্থ ঈশ্বৰ, যিজনা সৰ্বজ্ঞ, সৰ্ববপ্ত, জগতৰ সৃষ্টিকৰ্তা। মইৰ (Thon) অৰ্থ হৈছে ঈশ্বৰ, যিজনে দৈহিক শৰীৰত মানৱৰ ৰূপত ব্যক্ত হয়। ৰামানুজই তেওঁৰ জ্ঞানতত্ত্বৰ আধাৰত বিশ্লেষণ কৰি কৈছে যে 'ত্বৎ ত্বম অসি'ৰ অৰ্থ হৈছে ব্ৰহ্ম আৰু জীৱৰ তাত্বিক ঐক্য। দ্ৰব্য আৰু গুণৰ মাজত থকা সম্বন্ধ বা দেহ আৰু আত্মাৰ

মাজত থকা তাত্ত্বিক সম্বন্ধৰ দৰেই সম্বন্ধ জীৱ আৰু ব্ৰহ্মৰ মাজৰ সম্বন্ধ। ৰামানুজৰ মতে ব্ৰহ্ম আৰু জীৱৰ মাজত 'অপৃথক সিদ্ধি'ৰ সম্বন্ধ। গতিকে 'তত্ত্বমাসি'ৰ অর্থ ৰামানুজৰ দৃষ্টিৰে জীৱ আৰু ব্ৰহ্মৰ অভেদ সম্বন্ধ নহয়। ইয়াৰ অর্থ হৈছে, ব্ৰহ্ম জীৱৰ আধাৰ, জীৱ ঈশ্বৰৰ নিত্য অংশ আৰু তেওঁৰ পৰা পৃথক নহয়।



চিন্তা-চর্চা কৰক ১.১

- জীৱ আৰু ঈশ্বৰৰ মাজত সম্বন্ধ কি?

.....

- জীৱৰ তিনিটা প্ৰকাৰ কি কি?

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ঃ (ক) 'জীৱ ঈশ্বৰৰ অপৰিহার্য অংশ'- কথাটো শুদ্ধনে?

.....

(খ) 'নিত্যমুক্ত জীৱ সদায় মুক্ত'- কথাটো শুদ্ধনে?

.....

(গ) 'জীৱই ঈশ্বৰৰ দেহ আৰু আত্মা গঠন কৰে।'- এইটো কাৰ মতবাদ?

.....

প্ৰশ্ন ২ঃ (ক) 'ৰামানুজৰ মতে ঈশ্বৰে নিজৰ পৰাই জগত সৃষ্টি কৰে' —কথাষাৰ সঁচানে?

.....

(খ) 'ৰামানুজৰ জগত সৃষ্টিৰ ধাৰণা উপনিষদ আৰু গীতাৰ মত অনুযায়ী হয়' —কথাটো সঁচানে?

.....

(গ) 'লীলা ঈশ্বৰৰ প্ৰবল ইচ্ছাশক্তি' —কথাটো সঁচানে?

.....

১২.৫ ৰামানুজৰ জগত সম্পর্কে মত

ৰামানুজৰ জগত সম্পর্কে ধাৰণা উপনিষদৰ ধাৰণাৰ লগত সঙ্গতি আছে। ৰামানুজৰ

মতে সর্বশক্তিমান ঈশ্বৰে তেওঁৰ ইচ্ছাশক্তিৰ বলত এই বিশাল বিশ্ব সৃষ্টি কৰিছে। অচিৎৰ পৰাই এই জড় জগতৰ সৃষ্টি হৈছে, যাক কোৱা হয় প্রকৃতি। প্রকৃতি নিত্য আৰু চিৰস্থায়ী। চিৎ অংশৰ পৰাই জীৱ জগতৰ সৃষ্টি হৈছে। ৰামানুজৰ জগত সম্পর্কে মতবাদ এইদৰে শ্বেতাস্বতৰ উপনিষদ, পুৰাণ আৰু স্মৃতিৰ মতামত অনুযায়ী হয়।

১২.৬ প্রকৃতি সম্পর্কে ৰামানুজৰ মত

ৰামানুজৰ দর্শনৰ মতে প্রকৃতি ব্রহ্মৰ এক অংশ। যিদৰে মানুহৰ শৰীৰটো ইয়াৰ আত্মাৰ অধীনত আৰু আত্মাৰ দ্বাৰা নিয়ন্ত্রিত, সেইদৰে প্রকৃতিও ব্রহ্মৰ অধীনত আৰু ব্রহ্মৰ দ্বাৰা নিয়ন্ত্রিত। প্রলয়ৰ সময়ত অচিৎ বা অচেতন প্রকৃতি সূক্ষ্ম অৱস্থান কৰে আৰু অবিভক্ত অৱস্থাত ব্রহ্মৰ লগত থাকে। সৃষ্টিৰ সময়ত জগতৰ মূল উপাদান কাৰণ হিচাপে জগত সৃষ্টি কৰে।

১২.৬.১ ৰামানুজ আৰু সাংখ্য দর্শনৰ প্রকৃতি সম্পর্কে মতৰ পার্থক্য

সাংখ্য দর্শন দ্বৈতবাদী দর্শন। সাংখ্য মতে জগতৰ দুই সত্ত্বা হৈছে— পুৰুষ আৰু প্রকৃতি। ৰামানুজৰ মতৰ বিপৰীত সংখ্যই মত পোষণ কৰে যে প্রকৃতি এক পৰম সত্ত্বা। আনহাতে প্রকৃতি ঈশ্বৰৰ এক অংশ আৰু ঈশ্বৰৰ দ্বাৰা নিয়ন্ত্রিত।

(ক) সাংখ্য প্রকৃতি নিত্য। কিন্তু ৰামানুজৰ দর্শনত প্রকৃতি অনিত্য আৰু ই ঈশ্বৰৰ এক অনিত্য অংশ।

(খ) সাংখ্যদর্শনত প্রকৃতি আৰু পুৰুষ পৰস্পৰ স্বাধীন দুই পৰম তত্ত্ব, কিন্তু ৰামানুজৰ মতে প্রকৃতি ঈশ্বৰৰ অধীন আৰু ঈশ্বৰৰ দ্বাৰা নিয়ন্ত্রিত।

(গ) সাংখ্য দর্শনৰ মতে প্রকৃতি হৈছে তিনিটা গুণৰ সমষ্টি— সত্ত্ব, ৰজ, আৰু তম। কিন্তু ৰামানুজৰ মতে সত্ত্ব, ৰজ, আৰু তম ঈশ্বৰৰ বিশেষণ, সেইবোৰ পৃথক কিন্তু ঈশ্বৰৰ অধীন।

১২.৭ ব্রহ্ম হৈছে জগতৰ মূল কাৰণ

ব্রহ্ম জগতৰ উপাদান কাৰণ আৰু নিমিত্ত কাৰণ। চিৎ আৰু অচিৎ হৈছে জগতৰ জীৱজগত আৰু জড়জগতৰ মূল উৎস আৰু এইদৰে এই বহুধা ভৌতিক জগতৰ মূল উপাদান কাৰণ। সেইদৰে ব্রহ্ম জগতৰ নিমিত্ত কাৰণ, কাৰণ তেঁৱেই জগতক নিয়ন্ত্রিত আৰু পৰিচালিত কৰে।

১২.৮ ৰামানুজৰ দর্শনত সৎকার্যবাদ

ভাৰতীয় দর্শনত কার্যকাৰণ সম্বন্ধীয় মূল প্রশ্নটো হৈছে— উৎপন্ন হোৱাৰ পূর্বে

কার্যটো কাৰণত নিহিত হৈ থাকে নে নেথাকে? বিভিন্ন দার্শনিক সম্প্রদায়ে দিয়া এই প্রশ্নৰ উত্তৰৰ ভিত্তিত কার্যকাৰণ তত্ত্বক দুটা ভাগত ভাগ কৰা হৈছে— অসৎ কার্যবাদ আৰু সৎকার্যবাদ। অসৎ কার্যবাদীৰ মতে উৎপত্তিৰ আগত কার্যটো কাৰণত নিহিত হৈ নাথাকে, ই এক নতুন সৃষ্টি, নতুন আৰম্ভণি। আনহাতে সৎকার্যবাদৰ মতে উৎপন্ন হোৱাৰ পূর্বে কার্যটো কাৰণত নিহিত হৈ থাকে। সৎকার্যবাদ দুই প্রকাৰৰ— পৰিণামবাদ আৰু বির্বত্তবাদ। পৰিণামবাদৰ মতে কার্যটো কাৰণৰ যথার্থ পৰিণতি, আনহাতে, বির্বত্তবাদ মতে কার্যটো কাৰণৰ অযথার্থ ৰূপ। শঙ্কৰৰ অদ্বৈতবাদত বিবর্ত্তবাদ সমর্থন কৰা হয়। আনহাতে ৰামানুজই পৰিণামবাদ সমর্থন কৰে।

ৰামানুজৰ পৰিণামবাদ মতে উৎপত্তিৰ সময়ত কাৰণটো যথার্থতে কার্যলৈ ৰূপান্তৰিত হয়। প্রলয়ৰ সময়ত ব্রহ্ম শুদ্ধ সত্ত্বা (অচিৎ) আৰু শুদ্ধ আত্মা (চিৎ), অব্যক্ত ৰূপত থাকে। এই অৱস্থাকে কাৰণাবস্থা বা কাৰণ ব্রহ্ম বোলা হয়। যেতিয়া সৃষ্টি প্রক্রিয়া আৰম্ভ হয় আৰু সূক্ষ্ম পদার্থ স্থূল অৱস্থালৈ ৰূপান্তৰিত হয় আৰু আত্মা দৈহিক ৰূপত অৱস্থান কৰে, পূর্ব জন্মৰ কর্মফল অনুসৰি জীৱই গুণ বা দোষ প্রাপ্ত হয়। এই অৱস্থাকে কার্য অৱস্থা বোলা হয় আৰু ব্রহ্মক কার্য ব্রহ্ম কোৱা হয়। কার্য আৰু কাৰণ এইদৰে একে ব্রহ্মৰে ৰূপ আৰু জগতখন ব্রহ্মৰ পৰিণাম বা ৰূপান্তৰ মাথোন।

১২.৯ ৰামানুজৰ মতে জগত ব্রহ্মৰ সঁচা সৃষ্টি

ৰামানুজৰ মতে জগত সৃষ্টি সত্য, এক সত্য ঘটনা আৰু জগত সৃষ্টি ঈশ্বৰৰ দৰেই সত্য। ঈশ্বৰৰ ইচ্ছা শক্তিৰ দ্বাৰা উদ্বুদ্ধ হৈ, অবিভক্ত পদার্থ বা প্রকৃতি ইয়াৰ তিনি তত্ত্ব-সত্ত্ব, ৰজ আৰু তমৰ দ্বাৰা এই স্থূল জগতখন সৃষ্টি হৈছে। এইদৰেই ঈশ্বৰ হৈছে জগতৰ আকাৰগত, উপাদানগত আৰু নিমিত্ত কাৰণ। কার্য আৰু কাৰণ উভয়েই সত্য আৰু এই জগতখন ঈশ্বৰৰ প্রবল ইচ্ছাশক্তিৰ পৰিণতি।



১২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি ৰামানুজৰ বিশিষ্ট দ্বৈতবাদৰ মতে জীৱ আৰু জগতৰ ধাৰণা সম্পর্কে আলোচনা কৰিলোঁ। অধ্যায়টিৰ পৰা আমি শিকিলোঁ যে—

- জীৱ হৈছে ব্রহ্মৰ অপৰিহার্য অংশ আৰু ই নিত্য আৰু যথার্থ।
- জীৱ, জ্ঞাতা, কর্ত্তা আৰু ভোক্তা।
- জীৱ তিনি প্রকাৰৰ— নিত্যজীৱ, মুক্তজীৱ আৰু বদ্ধজীৱ।
- ব্রহ্মৰ চিৎ অংশৰ পৰা জীৱৰ উৎপত্তি।

- অবিদ্যাৰ বাবে জীৱৰ উৎপত্তি হয়।
- জীৱ আৰু ব্ৰহ্ম অভিন্ন।
- ৰামানুজৰ জগত সৃষ্টিৰ মতবাদ উপনিষদৰ মতৰ লগত সঙ্গতি আছে।
- ঈশ্বৰৰ অচিৎ অংশৰ পৰা জগতৰ উৎপত্তি হৈছে যাক প্ৰকৃতি বুলিও কোৱা হয়।
- প্ৰকৃতি জগতৰ উপাদান কাৰণ আৰু ঈশ্বৰৰ দ্বাৰা নিয়ন্ত্ৰিত।
- ৰামানুজৰ প্ৰকৃতি সম্পৰ্কে মতবাদ সাংখ্য দৰ্শনৰ প্ৰকৃতিৰ লগত একে নহয়।
- ব্ৰহ্ম জগতৰ মূল কাৰণ।
- ৰামানুজই সৎকাৰ্যবাদত বিশ্বাস কৰে।
- জগতখন ঈশ্বৰৰ যথাৰ্থ সৃষ্টি।



১২.১১ অধিক জানিবলৈ

1. Radhakrishnan S. Indian Philosophy, Vol.-II
2. Chatterjee S.C. and Dutta D.M. An Introduction to Indian Philosophy.
3. M. Hiriyana. Outlines of Indian Philosophy, Motilal Banarasidass.
4. C.D. Sharma. A Critical Survey of Indian Philosophy. Motilal Banarasidass.
5. Dr. Hridaya Narayan Misra. Bharatiya Darshan (Hindi). Sekhar Prakashan. Alahabad.



১২.১২ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ
(খ) শুদ্ধ
(গ) ৰামানুজ

২নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ
(খ) শুদ্ধ
(গ) শুদ্ধ

৩নং প্ৰশ্নৰ উত্তৰ ঃ পৰিণামবাদ আৰু বিবৰ্ত্তবাদ

৪নং প্ৰশ্নৰ উত্তৰ ঃ সত্ত্ব, ৰজ আৰু তম

৫নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰলয়ৰ সময়ত ব্ৰহ্মক কাৰণ ব্ৰহ্ম বোলা হয়।

৬নং প্ৰশ্নৰ উত্তৰ ঃ সৃষ্টিৰ সময়ত ব্ৰহ্মক কাৰ্যব্ৰহ্ম কোৱা হয়।

৭নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ



১২.১৩ আৰ্হি প্ৰশ্ন

(ক) বস্তুনিষ্ঠ প্ৰশ্ন

প্ৰশ্ন ১ ঃ জীৱৰ তিনিটা শ্ৰেণীতো উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ মুক্ত জীৱ বুলি কলে কি বুজা যায়?

প্ৰশ্ন ৩ ঃ বদ্ধজীৱ কি?

প্ৰশ্ন ৪ ঃ 'জীৱ ব্ৰহ্মনৈৱ ইভ নাপাৰ'- এই উক্তিটোৰ অৰ্থ লিখক।

প্ৰশ্ন ৫ ঃ তত্ তবম্ অসি- এই উক্তিৰ অৰ্থটো লিখক।

প্ৰশ্ন ৬ ঃ সৎকাৰ্যবাদ কি?

প্ৰশ্ন ৭ ঃ সৎকাৰ্যবাদৰ প্ৰকাৰ দুটা কি কি?

প্ৰশ্ন ৮ ঃ পৰিণামবাদ কি?

প্ৰশ্ন ৯ ঃ বিবৰ্তবাদ কি?

(খ) চমু প্ৰশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখকঃ

(ক) জীৱ আৰু ঈশ্বৰ (খ) জীৱ আৰু অবিদ্যা

(গ) চিৎ আৰু অচিৎ (ঘ) সৎ কাৰ্যবাদ

প্ৰশ্ন ২ ঃ ৰামানুজৰ মতে জীৱৰ প্ৰকাৰ তিনিটা কি কি? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ সৎকাৰ্যবাদৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃৰামানুজৰ আৰু সাংখ্যৰ প্ৰকৃতিৰ ধাৰণাৰ মাজত থকা পাৰ্থক্যটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ জীৱ আৰু ব্ৰহ্মণ পাৰ্থক্যহীন নেকি? চমুকৈ ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ৰামানুজৰ জীৱৰ ধাৰণা ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ জীৱৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ৰামানুজৰ জীৱৰ গুৰুত্ব সম্পৰ্কে ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ ৰামানুজৰ প্ৰকৃতিৰ বিষয়ে আলোচনা কৰা। ই সাংখ্য মতবাদতকৈ কেনেকৈ পৃথক?

প্ৰশ্ন ৫ ঃ ৰামানুজৰ জগত সম্পৰ্কে থকা মতবাদটো ব্যাখ্যা কৰক।

****

অধ্যায় ১৩ ঃ ৰামানুজৰ দৰ্শনত মোক্ষৰ ধাৰণা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ মোক্ষৰ পথ
১৩.৪ পাঁচ প্ৰকাৰৰ মোক্ষ
১৩.৫ ৰামানুজই বিদেহ মুক্তিত বিশ্বাস কৰে
১৩.৬ প্ৰপত্তিৰ বৈশিষ্ট্য
১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৮ অধিক জানিবলৈ
১৩.৯ অগ্ৰগতিৰ খতিয়ান
১৩.১০ সম্ভাব্য প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰামানুজৰ দৰ্শনৰ মোক্ষ আৰু বন্ধনৰ অৰ্থ বুজিব পাৰিব,
- ভাৰতীয় দৰ্শনৰ মোক্ষৰ পথ সম্পৰ্কে জানিব পাৰিব,
- ৰামানুজৰ দৰ্শনৰ মতে মোক্ষৰ পথৰ বিষয়ে জানিব পাৰিব,
- মোক্ষ দুই প্ৰকাৰৰ— জীৱনমুক্তি আৰু বিদেহমুক্তিৰ বিষয়ে জানিব পাৰিব,
- প্ৰপত্তিৰ বিষয়ে ধাৰণা কৰিব পাৰিব।

১৩.২ পৰিচয়

মোক্ষ বা মুক্তিৰ অৰ্থ হৈছে স্বাধীন হোৱা। দাৰ্শনিক অৰ্থত মোক্ষ মানে হৈছে জন্ম আৰু মৃত্যুৰ চক্ৰৰ পৰা আত্মাৰ মুক্তি। এই সংসাৰত মানুহৰ জীৱনটো হৈছে এক অপূৰ্ণতা, যাকে কোৱা হয় বন্ধন। প্ৰত্যেক ধৰ্ম আৰু দৰ্শনত জীৱৰ বন্ধন অৱস্থা হৈছে এক অপূৰ্ণ অৱস্থা, এক অবনমিত অৱস্থা। আত্মাই এই পৃথিৱীত জন্ম গ্ৰহণ কৰে আৰু সময়ত মৃত্যুক সাৱতি লয় আৰু পিছত আকৌ পুনৰজন্ম হয়। মোক্ষ বা মুক্তিৰ অৰ্থ হৈছে জন্ম আৰু মৃত্যুৰ এই প্ৰক্ৰিয়াৰ অৱসান ঘটা। মুক্তি হৈছে এক নিশ্চয়তা যে আত্মাই যদি এবাৰ মুক্তি লাভ কৰে, তেন্তে আকৌ দেহ বন্ধনত আৱদ্ধ হ'ব নালাগে। ৰামানুজৰ মতে আত্মাৰ বন্ধনৰ মূল কাৰণ হৈছে অবিদ্যা বা অজ্ঞানতা। অজ্ঞানতাৰ বাবে জীৱই সকাম কৰ্ম কৰে আৰু কৰ্মফল প্ৰাপ্ত হয়। কৰ্মফল অনুসৰি জীৱই নিৰ্দিষ্ট শৰীৰত আৱদ্ধ হয়। দৈহিক বন্ধন অৱস্থাত ইয়াৰ চৈতন্য জ্ঞানেন্দ্ৰিয় আৰু

কৰ্মেন্দ্ৰিয় বিশিষ্ট দেহত অৱস্থান কৰে। বন্ধন অৱস্থাত আত্মাৰ স্বৰূপ আৰু গুণ অজ্ঞানতাৰে আবৃত্ত হৈ থাকে আৰু ই নিজকে দেহ বা অনাত্মাৰ লগত একাত্ম সম্পৰ্ক স্থাপন কৰে। এইদৰে অজ্ঞানতাৰ বাবেই আত্মাৰ নিজৰ স্থিতি বিচ্ছিন্ন হয় আৰু বন্ধনপ্ৰাপ্ত হয়।

১৩.৩ যোগ দৰ্শনৰ চমু বৰ্ণনা

ভাৰতীয় দৰ্শনত মোক্ষৰ উপায় তিনিটা— জ্ঞান, কৰ্ম আৰু ভক্তি। শঙ্কৰৰ অদ্বৈতবাদত মোক্ষৰ পথ হিচাপে জ্ঞান মাৰ্গৰ ওপৰত গুৰুত্ব দিছে। আনহাতে ৰামানুজই বিশ্বাস কৰে যে জ্ঞান, কৰ্ম ভক্তিৰ সমন্বয় (জ্ঞানকৰ্ম ভক্তি সমুচ্চয়বাদ) হৈছে মোক্ষৰ উত্তম মাৰ্গ. মোক্ষৰ বাবে জ্ঞান আৰু কৰ্ম মিশ্ৰিত ভক্তিহে প্ৰকৃত পথ। ৰামানুজই বিশ্বাস কৰে যে কৰ্ম আৰু জ্ঞান মোক্ষ প্ৰাপ্তিৰ বাবে দৰকাৰী, কাৰণ তাৰ দ্বাৰাহে ভক্তিৰ মাৰ্গ প্ৰশস্ত হয়। ৰামানুজৰ মতে কৰ্ম হৈছে বেদ বিহিত বিভিন্ন নিত্য আৰু নৈমিত্তিক কৰ্ম, যিবোৰ বৰ্ণ আৰু আশ্ৰম ব্যৱস্থা অনুযায়ী নিৰ্ধাৰণ কৰা হৈছে। এনে কৰ্তব্যবোৰ নিস্কামভাৱে পালন কৰিলে অতীতৰ কৰ্মফলসমূহ খণ্ডন হয়, যিবোৰে জ্ঞান মাৰ্গত বাধাৰ সৃষ্টি কৰে।

জ্ঞানৰ অৰ্থ কেৱল বেদ-বেদান্ত অধ্যয়ন কৰাকেই নুবুজায়। ই এক যথাৰ্থ জ্ঞান, যি স্থিৰ, ঈশ্বৰৰ যথাৰ্থ স্মৃতি (ধ্ৰুৱ স্মৃতি)। ইয়াক বিভিন্ন ধৰণে বৰ্ণনা কৰা হয়, যেনে— ধ্যান, উপাসনা আৰু ভক্তি। ঈশ্বৰৰ একান্ত ধ্যানৰ দ্বাৰা ঈশ্বৰৰ প্ৰতি একান্ত প্ৰেম প্ৰকাশ হয় আৰু ইয়াক নিত্য নৈমিত্তিক কৰ্মৰ দ্বাৰা চৰ্চা কৰা হয় আৰু এইবোৰে জ্ঞানৰ পথত থকা বাধাসমূহ আঁতৰ কৰে।

ভাগৱত পুৰাণ, গীতা আৰু অন্যান্য বৈষ্ণৱ গ্ৰন্থসমূহত ভক্তিৰ মহিমা আৰু উপযোগীতাৰ বিষয়ে বৰ্ণনা কৰা হৈছে। ভক্তিৰ দ্বাৰা ঈশ্বৰৰ প্ৰতি প্ৰেম প্ৰকাশ হয়। যিজন ব্যক্তিৰ অন্তৰ সৰলতা, শ্ৰদ্ধা, অন্তৰৰ পবিত্ৰতা, প্ৰেম ভাৱনাৰে পূৰ্ণ, তেঁৱেই ভক্তিৰ পথত অগ্ৰসৰ হ'ব পাৰে। ৰামানুজৰ মতে জ্ঞানেই মুক্তিৰ কাৰণ আৰু জ্ঞানেই উত্তম ভক্তিৰ পথলৈ লৈ যায়। ঈশ্বৰৰ একান্ত ভক্তিয়ে ভক্তক ঈশ্বৰৰ সাক্ষাৎকাৰলৈ লৈ যায় আৰু এইদৰে মুক্তিৰ দিশে অগ্ৰসৰ হয়।

১৩.৪ পাঁচ প্ৰকাৰৰ মোক্ষ

ৰামানুজই স্মৃতি আৰু পুৰাণৰ মত অনুসৰণ কৰি পাঁচ প্ৰকাৰৰ মোক্ষৰ বিশ্বাস কৰে। স্মৃতি আৰু পুৰাণত পাঁচ প্ৰকাৰৰ মোক্ষৰ উল্লেখ আছে। সালোক্য মুক্তি, শান্তি মুক্তি, সমীপ্য মুক্তি, সাৰুপ্য মুক্তি আৰু সাযুজ্য মুক্তি।

১) সালোক্য মুক্তি— সালোক্য মুক্তিত আত্মা যেতিয়া এবাৰ ব্ৰহ্মলোক প্ৰাপ্ত হ'ব, তাৰ পৰা পুনৰ উভতি অহাৰ ভয় নাথাকে। ব্ৰহ্মলোকত থাকি আত্মাই ব্ৰহ্মৰ ঐশ্বৰ্যৰ আনন্দ লয়।

২) শান্তি মুক্তি— শান্তি অৱস্থাত ভক্তই ভগৱানৰ সান্নিধ্যত থাকি তেওঁৰ সমানেই শক্তি লাভ কৰে।

৩) সমীপ্য মুক্তি— সমীপ্য মুক্তিত ভক্তই ব্ৰহ্মৰ সমীপত অধিষ্ঠিত হয়, সেয়ে ভক্তই ইয়াত সমীপ্য মুক্তি লাভ কৰে।

৪) সাৰুপ্য মুক্তি— সাৰুপ্য মুক্তিত আত্মা ব্ৰহ্মস্বৰূপ হৈ যায়।

৫) সাযুজ্য মুক্তি— সাযুজ্য মুক্তিত আত্মা ব্ৰহ্মৰ সমান হৈ পৰমাত্মাৰ লগত এক হৈ যায়। আত্মাই ব্ৰহ্মৰ শৰীৰত প্ৰবিষ্ট হৈ যায় আৰু ব্ৰহ্মৰ লগত ঐক্য স্থাপন কৰে। এনে স্থিতিকে সাযুজ্য মুক্তি কোৱা হয়।

১৩.৫ ৰামানুজই বিদেহ মুক্তিত বিশ্বাস কৰে

ভাৰতীয় দৰ্শনত দুই প্ৰকাৰৰ মুক্তিত বিশ্বাস কৰা হয়— জীৱন মুক্তি আৰু বিদেহ মুক্তি। জীৱন্ত অৱস্থাতে লাভ কৰা মুক্তিয়ে হৈছে জীৱন মুক্তি। আনহাতে বিদেহ মুক্তি মানে দৈহিক অৱস্থাৰ পৰিসমাপ্তিৰ পিছত লাভ কৰা মুক্তি। ৰামানুজই জীৱন মুক্তিত বিশ্বাস নকৰে। যেতিয়ালৈকে জীৱই দৈহিক বন্ধনত থাকিব, তেতিয়ালৈকে কৰ্ম কৰি থাকিব আৰু যিহেতু কৰ্ম থাকিব, গতিকে আত্মাই মোক্ষ লাভ অৰ্থাৎ অন্তঃ পবিত্ৰতা প্ৰাপ্তি নহয়।

১৩.৬ ৰামানুজৰ দৰ্শনত ভক্তি আৰু প্ৰপত্তিৰ বৈশিষ্ট্য

ৰামানুজৰ মতে ভক্তি হৈছে ভগৱান প্ৰাপ্তিৰ উত্তম মাৰ্গ। ভক্তিৰ দ্বাৰা ভগৱানৰ লগত তাদাত্ম সম্বন্ধ স্থাপন হয়। নাৰদ, শাণ্ডিল্য, ৰামানুজ আদি ভক্তিমাৰ্গৰ একান্ত সমৰ্থক। গীতা, ভাগৱত পুৰাণ আদিত ভক্তিৰ মহিমা আৰু সাৰ্থকতাৰ বিষয়ে প্ৰেৰণাদায়ক বৰ্ণনা পোৱা যায়। ভক্তিত ভগৱানৰ প্ৰতি প্ৰেমৰ সংজ্ঞা দিয়া হয়। ভক্তিৰ বিশেষত্ব এয়ে যে ভগৱানৰ বাহিৰে সংসাৰত কোনো অন্য বস্তুৰে প্ৰেম নকৰিবা। ভগৱানৰ প্ৰতি নিঃস্বাৰ্থ প্ৰেমেই হৈছে ভক্তি। ভক্তিমাৰ্গৰ অধিকাৰী কোন? ইয়াৰ উত্তৰত ক'ব পাৰি যে শ্ৰদ্ধা, সৰলতা, নিস্কপটতা, তথা শুদ্ধ হৃদয়ৰ ব্যক্তিয়েহে ভক্তিমাৰ্গৰ অধিকাৰী। মুঠতে ঈশ্বৰৰ প্ৰতি প্ৰেম, শ্ৰদ্ধা, বিশ্বাস আৰু আস্থা ভক্তিমাৰ্গৰ বাবে অনিবাৰ্য।

প্ৰপত্তি ঃ

ৰামানুজই মোক্ষ প্ৰাপ্তিৰ শ্ৰেষ্ঠ পথ হিচাপে প্ৰপত্তিত বিশ্বাস কৰে। প্ৰপত্তি বা ভগৱানৰ ওচৰত আত্মসমৰ্পণ সম্ভৱ হ'ব ভগৱানৰ একান্ত স্মৃতিৰ দ্বাৰা। এইটো বিশ্বাস কৰা হয় যে জীৱই যেতিয়ালৈ ঈশ্বৰৰ ওচৰত নিজকে সমৰ্পণ নকৰে তেতিয়ালৈ তেওঁ ঈশ্বৰৰ সৈতে মিলিত হ'ব নোৱাৰে। ঈশ্বৰে যেতিয়া প্ৰপত্তিৰ দ্বাৰা সন্তুষ্ট হয় তেওঁ জীৱক ব্ৰহ্মজ্ঞান প্ৰদান কৰে। গতিকে ঈশ্বৰৰ কৃপা নহ'লে মোক্ষপ্ৰাপ্তি সম্ভৱ নহয়। ভগৱানৰ লগত একাকাৰ হোৱা স্থিতিয়ে প্ৰপত্তি। ভক্তি সাধন, প্ৰপত্তি সাধ্য। প্ৰপত্তিত জ্ঞান, ভক্তি আৰু কৰ্ম তিনিওৰে সমন্বয় সাধন হয়।

প্ৰপত্তিৰ ছয় অংগ— (১) অনুকুল সংকল্প— অৰ্থাৎ ঈশ্বৰৰ অনুকুল সংকল্প বিচাৰ আৰু কৰ্ম কৰা, (২) প্ৰতিকুল সংকল্প— অৰ্থাৎ ঈশ্বৰৰ প্ৰতিকুল বিচাৰ কৰ্ম নকৰা, (৩)

ৰক্ষিষ্যতীতি বিশ্বাস— অর্থাৎ এনে বিশ্বাস হ'ব লাগে যে ভগৱানে নিশ্চয় ৰক্ষা কৰিব, (৪) কর্ষণ্য— ঈশ্বৰত শৰণ লোৱা, (৫) স্বৰ্ণ— অর্থাৎ ভক্তই ঈশ্বৰেই একমাত্র পূজ্য আৰু আৰাধ্য ৰূপত স্বীকাৰ কৰা, (৬) কর্ষণ্য ঈশ্বৰৰ চৰণত শৰণ লোৱা আৰু (৭) আত্মনিৰপেক্ষ— অর্থাৎ দীন ভাৱত ঈশ্বৰত দৃঢ় বিশ্বাসৰে শৰণাগত হোৱা। এই ছয় ৰূপত ভক্তই যেতিয়া ঈশ্বৰত শৰণ লয়, তেতিয়া ঈশ্বৰে ভক্তৰ আত্মসমর্পণ তথা অনন্য প্রেমত অভিভূত হৈ প্রসন্ন হয় আৰু তেওঁক মুক্তি প্রদান কৰে। গতিকে ৰামানুজই বিশ্বাস কৰে যে ঐশ্বৰিক কৃপা অবিহনে জ্ঞান বা ভক্তিয়ে অকলে মোক্ষৰ পথ দেখুৱাব নোৱাৰে। ঐশ্বৰিক কৃপা বা প্রপত্তি সেয়েহে মোক্ষৰ পথত শ্রেষ্ঠ সাধন।



চিন্তা-চর্চা কৰক ঃ ১৩.১

ক) ৰামানুজই জ্ঞান, কর্ম আৰু ভক্তিৰ সমন্বয়ৰ ওপৰত বিশ্বাস কৰে। ব্যাখ্যা কৰক।

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ বন্ধন কি?

.....

.....

প্রশ্ন ২ ঃ অজ্ঞতাই বন্ধনৰ মূল কাৰণ (এইটো শুদ্ধ হয় নে?)

.....

প্রশ্ন ৩ ঃ ৰামানুজে জীৱনমুক্ত অৱস্থাটোক বিশ্বাস নকৰে এইটো শুদ্ধ হয় নে?

.....

প্রশ্ন ৪ ঃ ভাৰতীয় দর্শনে স্বীকৃতি দিয়া মুক্তিৰ প্রকাৰবোৰ কি কি?

.....

প্রশ্ন ৫ ঃ ভাৰতীয় দর্শনৰ মুক্তিৰ দিশটোলৈ নিয়া ভিন্ন পথবোৰ কি কি?

.....

প্রশ্ন ৬ ঃ স্মৃতি আৰু পূৰাণে স্বীকৃতি দিয়া মোক্ষৰ প্রকাৰবোৰ কি কি?

.....

প্ৰশ্ন ৭ ঃ প্ৰপত্তি মানে ঈশ্বৰ বা ভগবানৰ ওচৰত নিজকে আত্মসমৰ্পন কৰা- এইটো শুদ্ধ হয় নে?

.....

প্ৰশ্ন ৮ ঃ প্ৰপত্তি আৰু উপাসনাৰ মাধ্যমেদি মানুহে ভগৱানৰ কৃপা বা কৰুণা লাভ কৰিব পাৰে? এইটো শুদ্ধ হয় নে?

.....



১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ভাৰতীয় দৰ্শনৰ মতে মোক্ষ হৈছে জীৱনৰ শ্ৰেষ্ঠ লক্ষ্য। আস্তিক বা নাস্তিক সকলো সম্প্ৰদায়ে বিশ্বাস কৰে যে মোক্ষ বা মুক্তি মানুহৰ জীৱনৰ মূল উদ্দেশ্য। ৰামানুজৰ দৰ্শনতো মুক্তিক জীৱনৰ মূল উদ্দেশ্য হিচাপে গ্ৰহণ কৰা হয়। এই অধ্যায়টোত আপোনালোকে ৰামানুজৰ মুক্তিৰ ধাৰণাৰ বিষয়ে জানিব পাৰিলে। এই অধ্যায়টোত আপোনালোকে তলত দিয়া বিষয়বোৰ শিকিব পাৰিছে—

- মোক্ষ বা মুক্তি মানে জন্ম আৰু মৃত্যুৰ চক্ৰৰ পৰা মুক্তি পোৱা।
- মোক্ষৰ পথ বা উপায় তিনিটা— জ্ঞান, কৰ্ম আৰু ভক্তি।
- ৰামানুজৰ মতে জ্ঞান, কৰ্ম আৰু ভক্তিৰ সমন্বয়ৰ দ্বাৰা মুক্তি পাব পাৰি।
- মুক্তি লাভৰ উত্তম পন্থা হৈছে ভক্তি।
- মুক্তি পাঁচ প্ৰকাৰৰ— সালোক্য, শান্তি, সমীপ্য, সাৰোপ্য আৰু সাযুজ্য।
- ৰামানুজে বিদেহ মুক্তিত অৰ্থাৎ মৃত্যুৰ পিছত পোৱা মুক্তিত বিশ্বাস কৰে।
- ৰামানুজই প্ৰপত্তি অৰ্থাৎ ঈশ্বৰৰ ওচৰত আত্মসমৰ্পণত বিশ্বাস কৰে। সমৰ্পণ হৈছে মুক্তিৰ উৎকৃষ্ট পথ।
- ৰামানুজৰ মতে ঈশ্বৰৰ কৃপা অবিহনে মুক্তি সম্ভৱ নহয়।



১৩.৮ অধিক জানিবলৈ

1. Radhakrishnan S. Indian Philosophy, Vol.-II
2. Chatterjee S.C. and Dutta D.M. An Introduction to Indian Philosophy.
3. M. Hiriyana. Outlines of Indian Philosophy, Motilal Banarasidass.
4. C.D. Sharma. A Critical Survey of Indian Philosophy. Motilal Banarasidass.
5. Dr. Hridaya Narayan Misra. Bharatiya Darshan (Hindi). Sekhar Prakashan. Alahabad.



১৩.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ বন্ধন মানে জন্ম-মৃত্যুৰ প্রক্রিয়াৰ মাজত আৱদ্ধ এক অৱস্থা। এই ধাৰণাটোৱে জীৱনৰ অপূর্ণ অৱস্থাটোকে বুজায়।

২নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৩নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৪নং প্রশ্নৰ উত্তৰ ঃ দুই প্রকাৰ মুক্তি— জীৱন মুক্তি আৰু বিদেহ মুক্তি।

৫নং প্রশ্নৰ উত্তৰ ঃ ভাৰতীয় দর্শনত মুক্তিৰ পথ তিনি প্রকাৰৰ— জ্ঞান, কর্ম আৰু ভক্তি।

৬নং প্রশ্নৰ উত্তৰ ঃ স্মৃতি আৰু পুৰাণৰ মতে মোক্ষ পাঁচ প্রকাৰৰ— সালোক্য মুক্তি, সমীপ্য মুক্তি, শান্তি মুক্তি, সাৰুপ্য মুক্তি আৰু সাযুজ্য মুক্তি।

৭নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৮ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৯ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ



১৩.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ ৰামানুজৰ মতে পাঁচ প্রকাৰৰ মুক্তি কি কি?

প্রশ্ন ২ ঃ 'মোক্ষ' শব্দটোৱে কি বুজায়?

প্রশ্ন ৩ ঃ মুক্তিৰ বাবে থকা পথ তিনিটা কি কি?

প্রশ্ন ৪ ঃ বিদেহ মুক্তি কি?

(খ) চমু প্রশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখা ঃ

(ক) ভক্তি

(খ) বর্ণাশ্রম

(গ) ধ্রুৱ স্মৃতি

(ঘ) জীৱন মুক্তি

(ঙ) প্রপত্তি

প্রশ্ন ২ ঃ ৰামানুজৰ মতে মুক্তিৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ বিদেহ মুক্তি কি? চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ প্রপত্তি কি ? চমুকৈ ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ **টা শব্দৰ ভিতৰত উত্তৰ লিখক)**

প্ৰশ্ন ১ ঃ ৰামানুজৰ মতে মুক্তিৰ ধাৰণাটো কি ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতীয় দৰ্শনত থকা মুক্তিৰ ভিন্ন উপায় সম্পৰ্কে ব্যাখ্যা দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ জ্ঞান-কৰ্ম আৰু সমুচ্চ্যবাদৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ স্মৃতি আৰু পুৰাণৰ মতে পাঁচ প্ৰকাৰৰ মুক্তি কি কি? —ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ প্ৰপত্তি কি? ব্যাখ্যা কৰক।

****

অধ্যায় ১৪ ঃ মধ্ব— ব্রহ্মৰ ধাৰণা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ মধ্বৰ দ্বৈতবাদ

১৪.৪ ব্রহ্ম বা ঈশ্বৰৰ ধাৰণা

১৪.৫ ব্রহ্মৰ বৈশিষ্ট্য

১৪.৫.১ ঈশ্বৰ গুণসম্পন্ন (সগুণ)

১৪.৫.২ ঈশ্বৰ জগতৰ কাৰণ

১৪.৫.৩ ঈশ্বৰ জীৱৰ মূল কাৰণ

১৪.৫.৪ ঈশ্বৰ অবর্ণনীয়

১৪.৫.৫ ব্রহ্মাণ সর্বশক্তিমান ঈশ্বৰ

১৪.৫.৬ ঈশ্বৰৰ চাৰি অৱতাৰ

১৪.৫.৭ ঈশ্বৰ দয়াৰে পূর্ণ

১৪.৬ মধ্বৰ পঞ্চভেদ সিদ্ধান্ত

১৪.৬.১ ঈশ্বৰ আৰু জীৱৰ মাজত ভেদ

১৪.৬.২ ঈশ্বৰ আৰু জড়ৰ মাজত ভেদ

১৪.৬.৩ এক জীৱ আৰু আন জীৱৰ মাজত ভেদ

১৪.৬.৪ জীৱ আৰু জড়ৰ মাজত ভেদ

১৪.৬.৫ এক জড় আৰু আন জীৱৰ মাজত ভেদ

১৪.৭ মধ্বৰ ঈশ্বৰবাদ বহুসত্ত্বাবাদী

১৪.৮ মধ্বৰ ঈশ্বৰবাদ বাস্তববাদী

১৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.১০ অধিক জানিবলৈ

১৪.১১ অগ্রগতিৰ খতিয়ান

১৪.১২ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মধ্বৰ দ্বৈতবাদ সম্পর্কে ব্যাখ্যা আগবঢ়াব পাৰিব,
- মধ্বই ব্রহ্ম সম্পর্কে দিয়া ব্যাখ্যা আগবঢ়াব পাৰিব,
- ঈশ্বৰৰ তাৎপর্য সম্পর্কে ব্যাখ্যা আগবঢ়াব পাৰিব,

- মধ্বৰ পঞ্চভেদ সম্পর্কে থকা ধাৰণাৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব,
- মধ্বৰ ঈশ্বৰৰ বহুত্ববাদী দর্শন সম্পর্কে থকা ধাৰণাৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব,
- মধ্বৰ বাস্তৱ দর্শন সম্পকে ব্যাখ্যা আগবঢ়াব পাৰিব।

১৪.২ পৰিচয়

প্রাচীন ভাৰতৰ দ্বৈতবাদী দর্শনৰ আটাইতকৈ বিখ্যাত দ্বৈতবাদী দার্শনিক হৈছে মধ্ব। কর্ণাটকৰ ওচৰৰ উড্ডুপী গাঁৱত ১১৯৯ চনত তেওঁৰ জন্ম হৈছিল। ১২৭৮ চনত ৭৯ বছৰ বয়সত তেওঁৰ দেহাৱসান ঘটে। মধ্বৰ দর্শনৰ মূল উদ্দেশ্য হৈছে দ্বৈতবাদী দর্শন প্রতিষ্ঠা কৰা। বেদান্ত দর্শনৰ দুই মুখ্য সম্প্রদায়— শঙ্কৰৰ অদ্বৈতবেদান্ত আৰু ৰামানুজৰ বিশিষ্টদ্বৈত বেদান্তৰ বিপৰীতে তেওঁ দ্বৈতবাদ প্রতিষ্ঠা কৰিছিল। শঙ্কৰৰ অদ্বৈতবাদ মতে ব্রহ্মই হৈছে জগতৰ মূল কাৰণ আৰু জীৱজগত ব্রহ্মৰ লগত অভিন্ন। আনহাতে ৰামানুজই তেওঁৰ বিশিষ্ট দ্বৈতবাদত বিশ্বাস কৰে যে ব্রহ্ম বা ঈশ্বৰ হৈছে পৰম সত্ত্বা আৰু জীৱজগত ঈশ্বৰৰ পৰা পৃথক অথচ ঈশ্বৰৰ অবিচ্ছেদ্য অংশ।

মধ্বই প্রায় সাতত্রিশখন মূল্যবান গ্রন্থ ৰচনা কৰিছিল। তাৰ ভিতৰত উল্লেখযোগ্য গ্রন্থ হৈছে ব্রহ্মসূত্র ভাষ্য, যাক কোৱা হয় মধ্ব-ভাষ্য, অনুবাখ্যান, গীতা-ভাষা, ভাগৱত তাৎপর্য নির্ণয়, মহাভাৰত-তাৎপর্য-নির্ণয়, বিষ্ণু তত্ত্ব নির্ণয় আৰু বহুতো। তেওঁ ঋকবেদৰ প্রথম চল্লিশটা শ্লোকৰ ব্যাখ্যাও লিখিছিল। দেখা যায় যে তেওঁৰ গ্রন্থৰ মাজেৰে তেওঁ এইটো স্পষ্ট কৰিব বিচাৰিছিল যে তেওঁ প্রস্থানএয়তকৈ বেদ আৰু পুৰাণক বেছি বিশ্বাস কৰিছিল। প্রস্থানত্রয় হৈছে— উপনিষদ, ভাগবদগীতা আৰু ব্রহ্মসূত্র।

এই অধ্যায়টিৰ পৰা আপোনালোকে মধ্বৰ ব্রহ্ম সম্পর্কে জানিব পাৰিব। তলত আমি মধ্বৰ দ্বৈতবাদৰ বিষয়ে জানো আহক—

১৪.৩ মধ্বৰ দ্বৈতবাদী দর্শনৰ ধাৰণা

দ্বৈত এটা সংস্কৃত শব্দ, ইয়াৰ অর্থ হৈছে দুটা পৰম তত্ত্বক বিশ্বাস। দ্বৈতবেদান্ত সম্প্রদায়ৰ প্রতিষ্ঠাতা হৈছে মধ্ব। তেওঁ বৈষ্ণৱবাদৰ সমর্থক আৰু ভক্তি আন্দোলনৰ দ্বাৰা প্রভাৱিত। মধ্বক পূর্ণপ্রজ্ঞা আৰু আনন্দতীর্থ নামেৰেও জনা যায়। যুৱ অৱস্থাত তেওঁ সন্যাস গ্রহণ কৰিছিল আৰু ব্রাহ্ম সম্প্রদায়ত যোগদান কৰিছিল। তেওঁৰ গুৰুৰ নাম অচুতাপ্রেক্ষ। গুৰুৰ নির্দেশ মর্মে তেওঁ দ্বৈতবাদী দর্শন প্রতিষ্ঠা কৰিছিল। দেশৰ বিভিন্ন প্রান্তত তেওঁৰ বিষ্ণু ভক্ত বহুত অনুগামী আছিল। তেওঁ উডুপীত এটা বিষ্ণুমন্দিৰ প্রতিষ্ঠা কৰিছিল আৰু তাৰ পৰাই তেওঁৰ দ্বৈতবাদী দর্শনৰ প্রচাৰৰ কেন্দ্রবিন্দু কৰিছিল। মধ্বৰ দর্শনৰ বিশেষ অৱদান আছিল এয়ে যে তেওঁ পূজা উপাদানৰে নামত জীৱ হত্যা বন্ধ কৰিছিল।

মধ্বৰ দর্শনৰ মতে জগতত দুটা পৰম তত্ত্ব আছে— স্বতন্ত্র তত্ত্ব আৰু পৰতন্ত্র তত্ত্ব।

ঈশ্বৰ বিষ্ণু বা কৃষ্ণৰ ৰূপত জগতৰ স্বতন্ত্ৰ তত্ত্ব আৰু জীৱ আৰু জড়ৰে সমৃদ্ধ এই বহুধা জগত হৈছে পৰতন্ত্ৰ তত্ত্ব। জীৱজগত সচেতন আৰু জড় জগত হৈছে অচেতন তত্ত্ব। জীৱ আৰু জড় দুয়ো পৰম তত্ত্ব আৰু নিত্য, কিন্তু এইবোৰ সকলো ঈশ্বৰৰ অধীন আৰু ঈশ্বৰৰ দ্বাৰাই নিয়ন্ত্ৰিত।



চিন্তা-চৰ্চা কৰক ১৪.১

- মধ্বৰ দৰ্শন দ্বৈতবাদী, এই সম্পৰ্কে আলোচনা কৰক।

.....

- ঈশ্বৰ গুণসম্পন্ন, এই সম্পৰ্কে ব্যাখ্যা কৰক।

.....

১৪.৪ ব্ৰহ্মৰ অৱধাৰণা

মধ্বৰ মতে ঈশ্বৰ হৈছে পৰম তত্ত্ব। মধ্ব বৈষ্ণৱ দৰ্শনৰ সমৰ্থক। তেওঁ ঈশ্বৰক এক ব্যক্তিৰূপত আৰু গুণসম্পন্ন ৰূপত সমৰ্থন কৰা। ঈশ্বৰ সৰ্বগুণসম্পন্ন। তাত্ত্বিক অৰ্থত ব্ৰহ্মই হৈছে বিষ্ণু। বেদত উল্লিখিত পৰম সত্ত্বা ভগৱান বিষ্ণু পৰম তত্ত্ব। মধ্ব বিষ্ণুৰ উপাসক, তেওঁৰ দৰ্শনত বিষ্ণু হৈছে এক, অদ্বিতীয় স্বতন্ত্ৰ সত্ত্বা। জীৱজগত ভগৱান বিষ্ণুৰ অধীন।

১৪.৫ ঈশ্বৰৰ বৈশিষ্ট্য

মধ্বৰ দৰ্শনত ঈশ্বৰৰ কিছুমান বৈশিষ্ট্য দেখা যায়, যিবোৰ তলত উল্লেখ কৰা হ'ল।

১৪.৫.১ ঈশ্বৰ গুণসম্পন্ন (সগুণ)

মধ্বই সগুণ ব্ৰহ্মক বিশ্বাস কৰে। ঈশ্বৰ বা ব্ৰহ্মৰ গাত সকলো উৎকৃষ্ট গুণ বিদ্যমান। তেওঁ অনন্ত জ্ঞান, অনন্ত বীৰ্য, অনন্ত যশ আদি অলৌকিক গুণ সম্পন্ন। সেয়েহে মধ্বৰ ব্ৰহ্ম সৰ্বগুণসম্পন্ন। তেওঁ সত্য, জ্ঞান অনন্ত।

১৪.৫.২ ঈশ্বৰ জগতৰ মূল কাৰণ

মধ্বৰ মতে ঈশ্বৰ জগতৰ সৃষ্টিকৰ্ত্তা, ত্ৰাণকৰ্ত্তা আৰু সংহাৰ কৰ্ত্তা। ঈশ্বৰ হৈছে পৰম তত্ত্ব, তেঁৱেই এই জগত সৃষ্টি কৰিছে, সকলোকে ৰক্ষা কৰিছে আৰু কৰ্মফলৰ বিধান মতে ইয়াক সংহাৰ কৰিছে।

১৪.৫.৩ ঈশ্বৰ জীৱজগতৰ শাসন কৰ্ত্তা

ঈশ্বৰ জীৱৰ কৰ্মফলৰ নিয়ন্তা। তেওঁ হৈছে পূৰ্ণ সত্ত্বা, জীৱৰ কৰ্মৰ বিধান দিয়া

আৰু সেই অনুযায়ী কর্মফল প্রদান কর্ত্তা হৈছে ঈশ্বৰ। হিন্দু পৰম্পৰা অনুসৰি ঈশ্বৰ নৈতিক কর্মৰ বিধান দিওঁতা, তেওঁ কেতিয়াও স্বৈৰাচাৰী, অবিবেচক বা একপক্ষীয় বিধান নিদিয়ে। কোনো ধৰণৰ সজ্জনপ্রীতি বা তোষামোদেৰে তেওঁ প্রভাৱিত নহয়। কর্মফলৰ বিধান দিওঁতে তেওঁ সনাতন নৈতিক নিয়ম অনুযায়ী কর্মফল প্রদান কৰে।

১৪.৫.৪ ঈশ্বৰ অনির্বচনীয়

ঈশ্বৰ অনির্বচনীয় বা বর্ণনাতীত। ঈশ্বৰৰ সম্পূর্ণৰূপে বর্ণনা কৰিব নোৱাৰি। মধ্বৰ মতে ঈশ্বৰৰ কোনো সংজ্ঞা দিবও নোৱাৰি। বেদৰ অধ্যয়নৰ দ্বাৰাহে তেওঁক আমি জানিব পাৰোঁ। পৰম সত্ত্বাক অনির্বণীয় কোৱাৰ অর্থ হৈছে ঈশ্বৰৰ পূর্ণজ্ঞান লাভ কৰাটো অতি কঠিন।

১৪.৫.৫ ব্রহ্ম হৈছে পৰম ঈশ্বৰ

মধ্বৰ দর্শনত ব্রহ্ম আৰু ঈশ্বৰ অভিন্ন এক। সর্বব্যাপ্ত আৰু পূর্ণতত্ত্বই হৈছে ঈশ্বৰ যিজনা বিষ্ণু, কৃষ্ণ আদি নামেৰে জনা যায়। তেওঁ হৈছে পৰমাত্মা সর্বদ্রষ্টা, সর্বশক্তিমান, পূর্ণ, নিত্য, সূক্ষ্ম অপৰিবর্ত্তনীয় আৰু সর্বব্যাপ্ত পৰম সত্ত্বা।

১৪.৫.৬ ঈশ্বৰৰ চাৰিটা প্রকাশ (ব্যুহ)

ঈশ্বৰ চাৰিটা ৰূপত প্রকাশ হয়। বাসুদেব, সংকর্ষণ, প্রদুম্ন আৰু অনিৰুদ্ধ। ব্যুহ হৈছে ঈশ্বৰৰ অৱতাৰ। ভক্তৰ প্রতি সদয় হৈ ঈশ্বৰে অৱতাৰ লয়। ঈশ্বৰে নানা অৱতাৰ লৈ ভক্তৰ ওচৰত প্রকাশ হয় আৰু পবিত্র বিগ্রহ ৰূপত অধিষ্ঠিত হয়।

১৪.৫.৭ লক্ষ্মীদেৱী ঈশ্বৰৰ সংগী

ভগৱান বিষ্ণুৰ সংগী হৈছে লক্ষ্মী। তেওঁ ঈশ্বৰৰ দৰেই সর্ববপ্ত আৰু নিত্য। কিন্তু তেওঁৰ গুণসমূহ ভগৱান বিষ্ণুতকৈ কম। তেওঁ নিত্য মুক্ত আৰু দৈবশৰীৰ লাভ কৰে। তেওঁ বিষ্ণুৰ শক্তি। ঈশ্বৰৰ সৃষ্টিকামী শক্তিৰ মূর্ত্ত ৰূপ হৈছে লক্ষ্মী।

১৪.৫.৮ ঈশ্বৰ কৰুণাময়

মধ্বই মোক্ষ প্রাপ্তিৰ উপায় হিচাবে দয়া বা কৰুণাৰ পথ গ্রহণ কৰিছে। মধ্বৰ মতে ঈশ্বৰৰ কৰুণাৰ বাবেই জীৱই মোক্ষ লাভ কৰে। মোক্ষৰ বাবে জীৱই ঈশ্বৰৰ ওচৰত প্রেম, কৰুণা আৰু ভক্তিৰে নিজকে সমর্পণ কৰিব লাগিব তেতিয়াহে তেওঁ ঈশ্বৰৰ কৃপা লাভ কৰিব পাৰিব, কাৰণ ঈশ্বৰ সদায় কৰুণাময়।

১৪.৬ মধ্বৰ পঞ্চভেদ সিদ্ধান্ত

শঙ্কৰৰ অদ্বৈতবেদান্তৰ মতে ব্রহ্ম সকলো প্রকাৰৰ ভেদ ৰহিত। ব্রহ্ম সজাতিয় ভেদ বিজাতীয় ভেদ আৰু স্বগতঃ ভেদ বিহিত পৰম সত্তা। ইয়াৰ বিপৰীতে মধ্বই ব্রহ্মৰ মাজত ভেদ স্বীকাৰ কৰে। তেওঁ পাঁচ প্রকাৰৰ ভেদ স্বীকাৰ কৰে আৰু এইবোৰ নিত্য আৰু অনন্ত। তলত পঞ্চভেদ নীতিৰ বর্ণনা কৰা হ'ল—

১৪.৬.১ ঈশ্বৰ আৰু জীৱৰ মাজত ভেদ

ঈশ্বৰ আৰু জীৱৰ মাজত বিভিন্ন বিষয়তে ভেদ আছে। জীৱ সচেতন, কিন্তু ঈশ্বৰৰ অধীন। ঈশ্বৰ পূজ্য আৰু জীৱ পূজক। ঈশ্বৰ স্বাধীন, কিন্তু জীৱ ঈশ্বৰৰ অধীন। ঈশ্বৰ সর্বজ্ঞ, কিন্তু জীৱ অজ্ঞানতাৰে আৱৰা। ঈশ্বৰক বিভু কোৱা হয় আৰু জীৱ হৈছে অনু। ঈশ্বৰ এক কিন্তু জীৱ অনেক।

১৪.৬.২ ঈশ্বৰ আৰু জড়ত মাজত ভেদ

ঈশ্বৰ সচেতন, জড় অচেতন। অচেতন জড়, সচেতন জীৱৰ পৰা পৃথক।

১৪.৬.৩ এক জীৱৰ পৰা আন জীৱৰ মাজত ভেদ

জীৱ অসংখ্য আৰু অনু বিশেষ। সেয়েহে এটা জীৱৰ পৰা আন জীৱৰ মাজত ভেদ আছে। কেৱল সেয়ে নহয়, জীৱবোৰৰ মাজত স্বভাৱ, জাতি, বর্ণ আদিৰেও পার্থক্য আছে।

১৪.৬.৪ জীৱ আৰু জড়ৰ মাজত ভেদ

জীৱ চেতন আৰু জড় অচেতন। গতিকে চেতন আৰু অচেতনৰ মাজত থকা ভেদৰ বাবেই জীৱ আৰু জড়ৰ মাজত পার্থক্য বিদ্যমান।

১৪.৬.৫ এক জড় আৰু অন্য জড়ৰ মাজত ভেদ

প্রত্যেক পদার্থৰে নিজৰ অস্তিত্ব আছে আৰু প্রত্যেকৰে মাজত গুণগত পার্থক্য আছে। সেয়েহে স্বাভাৱিকতে প্রত্যেক পদার্থই এটা আনটোৰ পৰা পৃথক।

১৪.৭ মধ্বৰ দর্শন বহুসত্ত্বাবাদী ঈশ্বৰবাদ

মধ্বই তেওঁৰ দর্শনত পঞ্চভেদ সিদ্ধান্তৰ জৰিয়তে তেওঁৰ বহুসত্ত্বাবাদী ঈশ্বৰবাদ প্রতিষ্ঠা কৰিছিল। এই সমগ্র বিশ্বই বিভিন্ন তত্ত্বৰে পূর্ণ আৰু ঈশ্বৰ হৈছে সকলো তত্ত্বৰে নিয়ন্ত্রা। পদার্থ আৰু আত্মা ঈশ্বৰত বিলীণ নহ'ব, কিন্তু এইবোৰ সকলো ঈশ্বৰৰ অধীন।

১৪.৮ মধ্বৰ ঈশ্বৰ বাস্তববাদী

মধ্বৰ দর্শনত ঈশ্বৰ, আত্মা আৰু জগতৰ তাত্বিক সত্যতা স্বীকাৰ কৰা হয়। পঞ্চভেদ মতবাদৰ দ্বাৰা তেওঁ ঈশ্বৰ জীৱ, ঈশ্বৰ আৰু জড় পদার্থ, জীৱ আৰু জড়, এক জীৱ আৰু অন্য জীৱ, এক জড় পদার্থ আৰু অন্য জড় পদার্থৰ মাজত ভেদ স্বীকাৰ কৰে। যেতিয়া আমি কোনো বিষয়ক প্রত্যক্ষ কৰোঁ, তেতিয়া অন্য বিষয়ৰ লগত তাৰ সম্বন্ধ পার্থক্য, বৈশিষ্ট্য আদিও প্রত্যক্ষ কৰোঁ। গতিকে মধ্বই এক বহুসত্ত্বাবাদী বিশ্বক স্বীকাৰ কৰে আৰু ঈশ্বৰ হৈছে এই বিশ্বৰ সৃষ্টিকর্ত্তা, ত্রাণকর্ত্তা আৰু সংহাৰকর্ত্তা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ঃ দ্বৈত মানে কি বুজায়?

.....

.....

প্রশ্ন ২ ঃ মধ্বৰ মতে পৰম সত্ত্বা দুটা কি কি?

.....

.....

প্রশ্ন ৩ ঃ ঈশ্বৰৰ বিভিন্ন অৱতাৰ কি কি?

.....

.....

প্রশ্ন ৪ ঃ শুদ্ধ উত্তৰটো বাচি উলিৱাওঁক ঃ

(ক) মধ্ব দ্বৈতবাদী/অদ্বৈতবাদী/বিশিষ্টাদ্বৈতবাদী।

(খ) ঈশ্বৰৰ স্বজাতিয় ভেদ/বিজাতীয় ভেদ/স্বগত ভেদ/পঞ্চভেদ আছে।

(গ) জীৱ আৰু জড় পৰতন্ত্র সত্ত্বা/স্বতন্ত্র সত্ত্বা

প্রশ্ন ৫ ঃ মধ্বৰ পঞ্চভেদ মানে কি?

.....

.....

প্রশ্ন ৬ ঃ তলৰ বাক্যবোৰৰ পৰা শুদ্ধ উত্তৰটো বাচি উলিৱাওঁক ঃ

(ক) 'জীৱ চেতন' আৰু 'জড় অচেতন'- কথাটো শুদ্ধনে?

(খ) 'মধ্বৰ দর্শন বহুত্ববাদী নহয়'- কথাটো শুদ্ধনে?

(গ) ঈশ্বৰৰ দুটা / তিনিটা / চাৰিটা অৱতাৰ আছে।

(ঘ) মধ্বৰ ঈশ্বৰ বাস্তববাদী- কথাটো শুদ্ধনে?



১৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

মধ্বৰ ব্রহ্মৰ অবধাৰণাৰে অধ্যায়টিৰ পৰা আমি তলত দিয়া বিষয়সমূহ জানিব পাৰিলোঁ।

- মধ্ব হৈছে মধ্যযুগৰ এগৰাকী বিখ্যাত দ্বৈতবাদী দার্শনিক।
- মধ্বই দুটা পৰমতত্ত্বক স্বীকৃতি দিয়ে— সতন্ত্র তত্ত্ব আৰু পৰতন্ত্র তত্ত্ব।
- ব্রহ্ম বা ঈশ্বৰ স্বতন্ত্র তত্ত্ব আৰু জীৱ আৰু জড়জগত ঈশ্বৰৰ অধীন পৰতন্ত্র তত্ত্ব।
- জীৱ চেতন সত্ত্বা আৰু জড় অচেতন সত্ত্বা।
- জীৱ আৰু জড় ঈশ্বৰৰ অধীন।
- ঈশ্বৰ গুণসম্পন্ন (সগুণ)।
- ঈশ্বৰ সকলো জীৱৰ মূল শাসনকর্ত্তা।
- ঈশ্বৰ অনির্বচনীয়
- ঈশ্বৰেই পৰম ব্রহ্ম
- ঈশ্বৰৰ চাৰিটা অৱতাৰ আছে।
- লক্ষ্মী ঈশ্বৰৰ সংগী
- ঈশ্বৰ কৃপাময়
- মধ্বই ঈশ্বৰৰ পাঁচ প্রকাৰৰ ভেদ স্বীকাৰ কৰে, যেনে— ঈশ্বৰ আৰু জীৱৰ মাজত ভেদ, ঈশ্বৰ আৰু জড় পদার্থৰ মাজত ভেদ, জীৱ আৰু জড়ৰ মাজত ভেদ, এটা জীৱ আৰু আন এক জীৱৰ মাজত ভেদ, এক জড় পদার্থ আৰু আন এক জড় পদার্থৰ মাজত ভেদ।
- মধ্বৰ দর্শন বহুসত্ত্বাবাদী ঈশ্বৰবাদ।
- মধ্বই বাস্তববাদী ঈশ্বৰৰ ধাৰণা স্বীকাৰ কৰে।



১৪.১০ অধিক জানিবলৈ

1. Radhakrishnan S. Indian Philosophy, Vol.-V
2. M. Hiriyana. Outlines of Indian Philosophy, Motilal Banara Dass, Delhi.
3. Sharma, C.D. A Critical Survey of Indian Philosophy Motilal Baranasidass, Delhi, 1973.
4. মিশ্র হৃদয় নাৰায়ণ, ভাৰতীয় দর্শন (হিন্দী) শেখৰ প্রকাশন, এলাহবাদ, ২০০৬।
5. Bhattacharya Haridas (Editor). The Cultural Heritage of India, Voll.-III. The Ram Krishna Mission Institute of Culture, 2005.



১৪.১১ অগ্রগতিৰ খতিয়ান

১নং প্রশ্ন উত্তৰ ঃ দ্বৈত এটা সংস্কৃত শব্দ, যাৰ অর্থ হৈছে দুটা পৰমতত্ত্বক বিশ্বাস।

২নং প্রশ্ন উত্তৰ ঃ মধ্বৰ পৰমতত্ত্ব দুটা হ'ল— স্বতন্ত্র তত্ত্ব আৰু পৰতন্ত্র তত্ত্ব।

৩নং প্রশ্ন উত্তৰ ঃ ঈশ্বৰৰ চাৰি অৱতাৰ হ'ল— বাসুদেৱ, সংকর্ষণ, প্রদ্যুম্ন আৰু অনিৰুদ্ধ।

৪নং প্রশ্ন উত্তৰ ঃ (ক) মধ্ব দ্বৈতবাদী দার্শনিক।

(খ) ঈশ্বৰৰ পঞ্চভেদ আছে।

(গ) জীৱ আৰু জড় পৰতন্ত্র সত্ত্বা।

৫নং প্রশ্ন উত্তৰ ঃ পঞ্চভেদৰ অর্থ হৈছে— পাঁচ প্রকাৰৰ ভেদ, যেনে ঈশ্বৰ আৰু জীৱৰ মাজত ভেদ, ঈশ্বৰ আৰু জড়ৰ মাজত ভেদ, এক জীৱ আৰু আন জীৱৰ মাজত ভেদ, জীৱ আৰু জড়ৰ মাজত ভেদ আৰু জড় আৰু আন জড়ৰ মাজত ভেদ।

৬নং প্রশ্ন উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ

(গ) ঈশ্বৰৰ চাৰিটা অৱতাৰ আছে (ঘ) শুদ্ধ



১৪.১২ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন নং১ ঃ মধ্বই কেইখন কিতাপ ৰচনা কৰিছিল।

প্রশ্ন নং২ ঃ মধ্বৰ মতে, বাস্তৱবাদীৰ প্রকাৰ কেইটা?

প্রশ্ন নং৩ ঃ মধ্বৰ মতে, চুড়ান্ত সত্তা কেইটা কি কি?

প্রশ্ন নং৪ ঃ মধ্বৰ মতে, ঈশ্বৰৰ অৱতাৰ কেইটা কি কি?

(খ) চমু প্রশ্ন (১০০—১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং১ ঃ চমুটোকা লিখক ঃ

(ক) দ্বৈতবাদ

(খ) ঈশ্বৰৰ চাৰি অৱতাৰ

(গ) মধ্বৰ বহুত্ববাদী ঈশ্বৰবাদ

প্রশ্ন নং২ ঃ মধ্বৰ দ্বৈতবাদ সম্পর্কে চমু ব্যাখ্যা আগবঢ়াওক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০—৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং১ ঃ মধ্বৰ দ্বৈতবাদী দর্শন ব্যাখ্যা কৰক।

প্রশ্ন নং২ ঃ মধ্বৰ মতে ঈশ্বৰৰ বৈশিষ্ট্যবোৰ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১৫ ঃ শংকৰদেৱ — ভক্তিৰ ধাৰণা, ঈশ্বৰ আৰু মানুহৰ মাজৰ সম্পর্ক

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ ভক্তিৰ ধাৰণা

১৫.৩.১. ভক্তিৰ নটা ৰূপ

১৫.৩.২. ভক্তৰ প্রকৃতি

১৫.৩.৩. ভক্তিৰ তিনিটা শ্রেণী

১৫.৪ ঈশ্বৰ ধাৰণা

১৫.৫ ঈশ্বৰ আৰু মানুহৰ মাজৰ সম্পর্ক

১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৭ অধিক জানিবলৈ

১৫.৮ অগ্রগতিৰ খতিয়ান

১৫.৯ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নৱ-বৈষ্ণৱ বাদৰ এটা ৰূপ বুলি জনপ্রিয় শংকৰদেৱৰ ধর্মীয় দর্শনৰ স্বৰূপ বাখ্যা কৰিব পাৰিব,
- 'ভক্তি'ৰ অর্থ আলোচনা কৰিব পাৰিব,
- শংকৰদেৱৰ ভক্তিৰ ধাৰণাটোৰ আঁৰৰ ধর্মতাত্ত্বিক পটভূমিটো আলোচনা কৰিব পাৰিব,
- ভক্তিৰ প্রকাৰ সমূহ বাখ্যা কৰিব পাৰিব,
- শংকৰদেৱৰ বৈষ্ণৱবাদত ঈশ্বৰৰ ধাৰণাটো আলোচনা কৰিব পাৰিব,
- মানুহ আৰু ঈশ্বৰৰ মাজৰ সম্পর্ক বাখ্যা কৰিব পাৰিব।

১৫.২ পৰিচয়

খৃষ্টীয় পঞ্চদশ শতিকাৰ অন্তিম দশকত শংকৰদেৰে অসমত বৈষ্ণৱ আন্দোলনৰ পাতনি মেলিছিল। ই আছিল মধ্যযুগত সমগ্র ভাৰততে চলা বৈষ্ণৱ আন্দোলনৰ এটা অংশ। কিন্তু ব্যৱহাৰিক প্রয়োগ আৰু নীতিবোৰৰ কার্যসম্পাদনৰ দিশেৰে অসমত চলা আন্দোলনটোৱে এক অনন্য ৰূপ লাভ কৰিছিল। শংকৰদেৱ প্রণালীৱদ্ধ নাইৱা বিদ্যায়তনিক ব্যুৎপত্তি আহৰণ কৰা দার্শনিক নাছিল। তেওঁ পুৰাণৰ পৰা, বিশেষকৈ ভাগৱতম আৰু গীতাৰ পৰা তেওঁৰ

চিন্তাৰ আদর্শগত জুমুঠিটো গঢ় দি লৈছিল। শংকৰদেৱে প্রচাৰ কৰা ধর্মটোৰ জনপ্রিয় নাম হ'ল মহাপুৰুষীয়া ধর্ম। এই অভিধাটোৰ অর্থ এনেদৰে ব্যাখ্যা কৰা হয় ঃ "মহাপুৰুষীয়া" মানে হ'ল ভগৱান নাৰায়ণৰ বাবে ব্যৱহৃত এক গুণবাচক আখ্যা। ভাগৱতত কীর্ত্তণৰ দ্বাৰা ভগৱাণ কৃষ্ণৰ উপাসনা পদ্ধতিৰ উল্লেখ আছে। ভগৱাণ কৃষ্ণক 'মহাপুৰুষ' বুলি কোৱা হয়। আন এক জনপ্রিয় বিশ্বাস অনুসৰি 'মহাপুৰুষ' অভিধাটোৰ শংকৰদেৱক বুজোৱা হয়।

তেওঁৰ শিষ্যসকলে তেওঁক 'মহান' নাইবা 'মহত্তম সত্বা' বুলি বিবেচনা কৰিছিল। সেয়েহে তেওঁ প্রচাৰ কৰা ধর্মটোক 'মহাপুৰুষীয়া ধর্ম' বোলা হয়। শংকৰদেৱে 'এক শৰণ'ত সর্বাধিক গুৰুত্ব দিছিল। ইয়াৰ অর্থ হ'ল মাত্র এজনা ঈশ্বৰৰ ওচৰত আত্মসমর্পণ কৰা। সেয়েহে তেওঁ প্রচাৰ কৰা ধর্মটোক 'এক শৰণীয়া নাম ধর্ম' বুলিও কোৱা হয়।

ড ৰাধাকৃষ্ণণে শংকৰদেৱৰ ধর্মীয় দর্শনৰ মৌলিক ৰূপটো চাৰিটা প্রধান নীতিক কেন্দ্র কৰি বিকশিত হৈছিল বুলি মত পোষণ কৰে। এই নীতি চাৰিটা হ'ল —

১) নাৰায়ণ বুলি ধৰি লোৱা পৰম যথার্থতাৰ জ্ঞান।

২) কৃষ্ণৰ ৰূপ ধাৰণ কৰা এই পৰম সত্বাৰ সন্মুখত আত্মসমর্পণ।

৩) সৎ আত্মাৰ সংগ, সৎসংগ আৰু

৪) পৰম সত্বাৰ নামত প্রার্থনা আৰু জপ।

এই চাৰিওটা নীতিৰে আনুষ্ঠানিক প্রকাশ ঘটে সত্র আৰু নামঘৰ বোৰত। শংকৰদেৱৰ চিন্তা আছিল অসমীয়াৰ মানৱতাবাদ আৰু ধর্মনিৰপেক্ষ কল্যাণৰ বাবে এক মহান মুক্তিদায়িনী শক্তি। ই সাধাৰণ লোকৰ সামাজিক তথা আধ্যাত্মিক উন্নতিৰ কাৰকত পৰিণত হৈছিল।

১৫.৩ ভক্তিৰ ধাৰণা

শংকৰদেৱে তেওঁৰ বৈষ্ণৱবাদত ধ্যানশীল মেজাজ কর্ষণ কৰাৰ ওপৰত জোৰ দিছিল। ব্যক্তিৰ ধ্যানশীল মেজাজ হ'ল ধর্মীয় জীৱনৰ অবিচ্ছেদ্য অংশ। ভক্তিয়ে ঈশ্বৰৰ ওচৰত সমর্পিত জীৱন একোটাৰ কথা বুজায়।

'ভক্তি' শব্দটো আৰু ইয়াৰ সহযোগি শব্দ 'ভগৱৎ' (bhagavat and bhagavata / ভগৱৎ, ভাগৱত) ৰ মূল হ'ল সংস্কৃত শব্দ 'ভজ'। ইয়াৰ অর্থ হ'ল 'পূজা কৰ'। অর্থাৎ, ভক্তিৰ প্রধান অর্থ হ'ল পূজা/উপাসনা কৰা। 'ভগৱৎ' মানে হ'ল 'পূজ্য' আৰু ভাগৱত মানে হ'ল 'ঈশ্বৰত থাপিত প্রেম'। ইয়াত 'প্রেম' (অনুৰক্তি) মানে হ'ল এবিধ বিশেষ ধৰণৰ প্রীতিভাৱ (ৰক্তি) যিটো 'পূজ্যজনাৰ গুণ/বৈশিষ্ট) সম্পর্কে জ্ঞান লাভ কৰা'ৰ পাচত (অনু) ওপজে।

ভক্তি ৰত্নাকৰ গ্রন্থৰ পঞ্চম অধ্যায়ত শংকৰদেৱে কৈছে যে ভক্তিৰ জৰিয়তেহে ঈশ্বৰক উপলব্ধি কৰিব পাৰি। ভক্তি হ'ল 'যজ্ঞ'ৰ দৰে পুৰুষার্থৰ অন্য উপায়বোৰৰ উর্দ্ধত। ভাগৱতৰ উদ্ধৃতি মতেঃ "ভক্তি হ'ল সুফলৰ বাহক।" শংকৰদেৱে বুদ্ধিমত্তা, কার্য আৰু অনুভৱ নাইবা

আবেগৰ দৰে উপাদানবোৰৰ গুৰুত্ব বিশ্লেষণ কৰি এই কথা প্ৰতিষ্ঠা কৰিছিল যে ঈশ্বৰক উপলব্ধি কৰাৰ সৰ্বোৎকৃষ্ট উপায়টো হ'ল প্ৰেমৰ অনুভৱৰ ওপৰত আধাৰিত 'ভক্তি'।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ঃ শংকৰদেৱে কেতিয়া অসমত বৈষ্ণৱ আন্দোলনৰ পাতনি মেলিছিল?

.....

.....

প্ৰশ্ন ২ঃ শংকৰদেৱে প্ৰচাৰ কৰা ধৰ্মটোৰ জনপ্ৰিয় নামটো কি ? ইয়াৰ সৈতে জড়িত থকা অভিধাবোৰৰ (terms) অৰ্থ ব্যাখ্যা কৰক।

.....

.....

প্ৰশ্ন ৩ঃ শংকৰদেৱৰ বৈষ্ণৱবাদক কিয় 'এক শৰণীয়া নাম ধৰ্ম' বুলি কোৱা হয়? 'এক শৰণীয়া' বোলা অভিধাটোৰ অৰ্থ কি ?

.....

.....

প্ৰশ্ন ৪ঃ 'ভক্তি'ৰ অৰ্থ ব্যাখ্যা কৰক।

.....

.....

১৫.৩.১ ভক্তিৰ নটা ৰূপ

ভাগৱত-পুৰাণত ভক্তিৰ নটা ৰূপত জোৰ দিয়া হৈছে। ৰূপকেইটা হ'ল —

১) শ্ৰৱণ (ঈশ্বৰৰ নাম আৰু কাৰ্যকলাপৰ বৰ্ণনা শুনা কাৰ্য)

২) কীৰ্ত্তন (ঈশ্বৰৰ নাম আৰু কাৰ্যকলাপ বৰ্ণনা কৰি গোৱা প্ৰাৰ্থনা গীত জপ কৰা কাৰ্য)

৩) স্মৰণ (ঈশ্বৰৰ ৰূপ মনত পেলোৱা নাইবা ধ্যান কৰা কাৰ্য)

৪) অৰ্চনা (ফুল-ধূপ-নৈবেদ্য আদিৰে ঈশ্বৰৰ প্ৰতিমূৰ্তিক উপাসনা কৰা কাৰ্য)

৫) পদ-সেৱন (ব্যক্তিগত সেৱা আগবঢ়োৱা কাৰ্য)

৬) দাস্য (ভৃত্যৰ দৰে অহংভাৱ সম্পৰ্ণ কৰা কাৰ্য)

৭) সখীত্ব (বন্ধুসুলভ প্ৰীতি)

৮) বন্দনা (মূৰ দোঁৱাই সাষ্টাঙ্গেঁ প্রণিপাত কৰা কার্য)

৯) দেহ-অর্পণ (শৰীৰৰ সচেতনতা পৰিত্যাগ কৰা কার্য)

ভক্তিৰ এই নটা ৰূপৰ ভিতৰত শংকৰদেৱে কেৱল প্রথম চাৰিটা ৰূপৰহে ব্যাখ্যা আগবঢ়াইছে। _ ত তেওঁ শ্রৱণ-কীর্ত্তনত সর্বাধিক গুৰুত্ব দিছে। অবশ্যে শংকৰদেৱে ভক্তিৰ আনকেইটা ৰসক অৱজ্ঞা কৰা নাই।

১৫.৩.২ ভক্তৰ প্রকৃতি

শংকৰদেৱৰ ধর্মীয় দর্শনত 'ভক্তি' বোলা অভিধাটোৱে গূঢ়ার্থসূচক তাৎপর্য বহন কৰে। এগৰাকী ভক্তৰ প্রকৃতিত কেতবোৰ আৱশ্যকীয় বৈশিষ্ট্য নিহিত থাকিব লাগে। এগৰাকী ভক্তই আন আটাইবোৰ ৰিপুৰ লগতে কাম, ক্রোধ, লোভ, মোহ আৰু অহং নামৰ পঞ্চৰিপুৰ পৰা আঁতৰত থাকিব লাগে। ভক্তি এনে আশ্চর্যকৰভাৱে শক্তিশালী যে ই দুর্বল চৰিত্র (দুষ্ট চিত্ত) ৰ ব্যক্তিৰ পাপকো নিমিষতে পুৰি পেলাব পাৰে। ভক্তিয়ে পাপী আৰু চণ্ডালকো সকলো পাপৰ পৰা মুক্ত কৰিব পাৰে। ভক্তিৰ চর্ত এটাই। ভক্তই অন্য কোনো দেৱ-দেৱীৰ ওচৰত আত্মসমর্পণ নকৰি কেৱল একমাত্র পৰমেশ্বৰৰ ওচৰত আত্মসমর্পণ কৰিব লাগিব।


শংকৰদেৱৰ ভক্তিবাদত 'প্রেমৰ অনুভৱ' হ'ল সবাতোকৈ প্রভাৱশালী বিষয়। এই প্রেম লজ্জা, ভয় আৰু কামনা-বাসনা ৰহিত। পৰমেশ্বৰৰ ওচৰত এনে চৰম আত্মসমর্পণৰ মাজতহে প্রকৃত ভক্তি লুকাই থাকে।

১৫.৩.৩ ভক্তিৰ তিনিটা শ্রেণী

শংকৰদেৱে তেওঁৰ নিমি-নৱ-সিদ্ধ গ্রন্থত ভক্তৰ প্রকৃতি সম্পর্কে বহলাই বর্ণনা কৰাৰ লগতে ভক্তিৰ ৰূপকেইটাও আলোচনা কৰিছে। ইয়াৰ আলমতে তেওঁ ভক্তসকলক তিনিটা শ্রেণীত ভাগ কৰিছে। শ্রেণীকেইটা হ'ল - উত্তম, মধ্যম আৰু প্রকৃত। এগৰাকী প্রকৃত ভক্তই অন্য ভক্তৰ প্রতি (হৰিভকতসকল) প্রীতি প্রদর্শন নকৰে অথবা জীৱিত সত্বাবোৰক শ্রদ্ধা প্রদর্শন নকৰে। তেওঁ ঈশ্বৰ আৰু ঈশ্বৰৰ মূর্তিক উপাসনা কৰে। এনে ভক্তক ভক্তিৰ একেবাৰে শেষৰ শাৰীত ৰখা হয়। কিন্তু এনে ভক্ত এসময়ত ভক্তিৰ সর্বোচ্চ শিখৰত উপনিত হ'ব পাৰে। তেতিয়া তেওঁ আৰু মূর্তি উপাসক হৈ নাথাকে। ভক্তি ৰত্নাকৰ ৰ 'কৃষ্ণ-অর্চনা-মাহাত্ম্য' অধ্যায়ত ঈশ্বৰৰ আগ্রহী (সকামী) আৰু অনাগ্রহী (নিষ্কামী) উপাসকৰ মাজত থকা প্রভেদৰ উল্লেখ আছে। প্রথম বিধ ভক্তই বিভিন্ন প্রদত্ত দ্রব্যৰ সহায়ত ঈশ্বৰৰ প্রতিমূর্তিক উপাসনা কৰে। দ্বিতীয়বিধ ভক্তই হাততে পোৱা উপাসনা যোগ্য দ্রব্যেৰে ঈশ্বৰক সেৱা আগৱঢ়ায় নাইবা কোনো বাহিৰা দ্রব্য আগ নবঢ়োকৈ অন্তৰেৰে (হৃদি) কৃষ্ণৰ উপাসনা কৰে। শংকৰদেৱৰ চিন্তাৰ কেন্দ্র হ'ল

উপাসনাৰ সূক্ষ্ম দিশবোৰ । ইয়াত হৰিনামৰ শ্ৰৱণ-কীৰ্ত্তনৰ দৰে ধ্যানমুখী কার্যকলাপবোৰে প্রভাৱশীল ভূমিকা পালন কৰি আহিছে।

শংকৰদেৱে শ্ৰৱণ আৰু কীৰ্ত্তন (ঈশ্বৰৰ নাম শুনা আৰু জপ কৰা)ত সবাতোকৈ অধিক গুৰুত্ব দিছিল। তেওঁ ইয়াক ভক্তিৰ সর্বোত্তম প্রকাৰ বুলি বিবেচনা কৰিছিল। তেওঁৰ ধর্মীয় পৰম্পৰাত সেয়েহে অর্চনা (সাধাৰণ অর্থত মূর্তিৰ উপাসনা)ৰ দৰে ভক্তিৰ আন ৰূপবোৰক সিমান গুৰুত্ব দিয়া নহয়। অৱশ্যে পৰৱর্তী সময়ত প্রায় সকলোবোৰ সত্রতে মূর্তি স্থাপনা আৰু উপাসনাৰ প্রথা আৰম্ভ হ'ল যদিও শংকৰদেৱৰ জীৱন কালত বৈষ্ণৱ ধর্মত কোনো ধৰনৰ মূর্তি পূজাৰ প্রচলন নাছিল। শংকৰদেৱৰ চিন্তাধাৰাৰ এগৰাকী বিদগ্ধ বিশ্লেষকৰ মতে বহুতো সত্রত শাসকে বাধ্য কৰা বাবে, মূর্তি উপাসক (ব্রাহ্মণ) সকলৰ প্রভাৱত আৰু ৰজাঘৰীয়া অনুদান তথা অন্য সা-সুবিধা লাভৰ ইচ্ছাতহে মূর্তি (বিগ্রহ) স্থাপন কৰা হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ঃ শংকৰদেৱে ভক্তি-ৰত্নাকৰ গ্রন্থত অগ্রাধিকাৰ দিয়াৰ ভক্তিৰ ৰূপ দুটা কি কি ?

.....

.....

প্রশ্ন ৬ঃ ভক্তৰ আচল প্রকৃতি কেনে হোৱা উচিত বর্ণনা কৰক।

.....

.....

প্রশ্ন ৭ঃ শংকৰদেৱে ভক্তক কোন তিনিটা শ্রেণীত ভাগ কৰিছে?

.....

.....

১৫.৪ ঈশ্বৰৰ ধাৰণা

মানৱীয় অভিজ্ঞতাৰ এটা মৌলিক বৈশিষ্ট্য হ'ল অস্তিত্বৰ সংবেদনশীল মাত্রাটোৰ উর্দ্ধলৈ গৈ আন এক মাত্রাৰ সৈতে সংযোগ স্থাপন কৰা। অভিজ্ঞতাৰ এই মাত্রাটোতে মানুহে ঈশ্বৰৰ সত্যতা উপলব্ধি কৰে। শংকৰদেৱৰ ধর্মীয় দর্শনত ঈশ্বৰৰ ধাৰণাটোৱে অভিজ্ঞতাৰ এই মাত্রাটোৰ কথাকে বুজায়। শংকৰদেৱে লিখিছে, "ভগৱান নাৰায়ণ হ'ল পৰম আত্মা। তেঁৱেই এই বিশ্ব-ব্রহ্মাণ্ডৰ একমাত্র গৰাকী। নাৰায়ণ অবিহনে কোনো বস্তুৰেই অস্তিত্ব নাই। তেঁৱেই এই সৃষ্টি (কার্য)ৰ কাৰণ আৰু ফলাফল। সোণেৰে তৈয়াৰী আভূষণ যেনেকৈ সোণ ধাতুৰ

পৰা পৃথক নহয়, ঠিক তেনেদৰে ঈশ্বৰকো কাৰণ আৰু ফলাফলৰ পৰা পৃথক কৰিব নোৱাৰি।"

আন সকলোবোৰ অস্তিত্ববাদী ধৰ্মৰ দৰে শংকৰদেৱৰ ধৰ্মতো ঈশ্বৰক সৰ্বশক্তিমান, সৰ্বজ্ঞ আৰু সৰ্বময় সত্বা বুলি গণ্য কৰা হয়। কিন্তু শংকৰদেৱে জোৰ দি কৈছে যে এই সত্বাৰ আচল প্ৰকৃতি হ'ল বিবেক, চিত নাইবা চৈতন্য ৰ দৰে। শংকৰদেৱৰ মতে ঈশ্বৰ হ'ল এটা আধ্যাত্মিক উপস্থিতি, এক সৃজনাত্মক শক্তি আৰু ন্যায়পৰায়ণতা, কৰ্তব্য তথা প্ৰেমৰ উদাহৰণ। তলত শংকৰদেৱৰ ধৰ্মীয় দৰ্শনত ঈশ্বৰৰ প্ৰকৃতি কেনেদৰে বৰ্ণনা কৰা হৈছে সেয়া আলোচনা কৰা হ'ল। এই প্ৰকৃতি যিবোৰ শিৰোনামৰ অধীনত আলোচনা কৰা হৈছে সেইবোৰৰ অপৰিসীম অধিভৌতিক আৰু ধৰ্মীয় গুৰুত্ব আছে।

১) ঈশ্বৰৰ ঐক্য ঃ একেশ্বৰবাদ

শংকৰদেৱে নদি কৈছিল যে ভগৱান নাৰায়ণেই হ'ল পৰমাত্মা। তেঁৱেই এই বিশ্ব চৰাচৰৰ একমাত্ৰ গৰাকী। 'ঈশ্বৰৰ ঐক্য' সম্পৰ্কে বুজাবলৈ যাওঁতে শংকৰদেৱে এই কথাত জোৰ দিছিল যে ঈশ্বৰৰ যথাৰ্থতা আৰু অন্য যথাৰ্থতাৰ মাজত এটা স্পষ্ট প্ৰভেদ আছে। অন্য যথাৰ্থতাৰ এটা উদাহৰণ হ'ল এই পৃথিৱীখন। শংকৰদেৱৰ ধৰ্ম অনুসৰি মাত্ৰ এজনা ঈশ্বৰক বিশ্বাস কৰা মানে হ'ল 'একাধিক ঈশ্বৰ' নাইবা অন্য শক্তিৰ সৈতে জড়িত অন্য বিশ্বাস, আশা-আকাংক্ষা, ভয় আৰু পৰম্পৰা পৰিত্যাগ কৰা। ইয়াৰ স্থান অথবা মৰ্যাদা 'একেশ্বৰ' ক দিব লাগে আৰু এই স্থান অলৰ-অচল কৰি ৰাখিব লাগে। এজনা ঈশ্বৰৰ প্ৰতি ভক্তিভাৱ প্ৰদৰ্শন নকৰাবোৰৰ ভাগ্য কেনে হ'ব পাৰে সেয়া শংকৰদেৱে ভাগৱত ত বহলাই বৰ্ণনা কৰিছে।

অৰ্থাৎ, শংকৰদেৱৰ ধৰ্মীয় দৰ্শনৰ মূল কথা হ'ল ঈশ্বৰৰ 'একত্ব' ত থকা অচলা আৰু দৃঢ় বিশ্বাস। ইয়াকে একেশ্বৰবাদ বোলে। একেশ্বৰবাদ বুজোৱা ইংৰাজী শব্দ 'monotheism' মূল হ'ল গ্ৰীক শব্দ 'monos' আৰু 'theos' যাৰ অৰ্থ হ'ল এজনা ঈশ্বৰত থকা বিশ্বাস।

২) এগৰাকী ব্যক্তিৰ ৰূপত ঈশ্বৰ

শংকৰদেৱৰ ঈশ্বৰ সম্পৰ্কীয় ধাৰণাৰে এটা অবিচ্ছেদ্য অংশ হ'ল ঈশ্বৰক এগৰাকী ব্যক্তি নাইবা এক ব্যক্তিত্ব হিচাপে ধৰি লোৱাটো। এই কথাই ভক্ত আৰু ভগৱানৰ মাজত উপাসনা, আস্থা আৰু প্ৰেমৰ ব্যক্তিগত সম্পৰ্ক গঢ় লৈ উঠাৰ সম্ভাৱনাক সূচিত কৰে। শংকৰদেৱৰ ভাষাত, "তুমি মোৰ বাবে সবাতোকৈ মৰমৰ; হে উদ্ধৱ, তোমাৰ দৰে সখা আন কোনোৱেই নাই।" ঈশ্বৰৰ ব্যক্তিত্বই ঈশ্বৰৰ প্ৰকৃতিৰ আন এক গুৰুত্বপূৰ্ণ দিশ আলোচনা কৰাৰ সমল যোগায়। ইয়াৰ দ্বাৰা বুজা যায় যে যদিও ঈশ্বৰ আমাৰ ধাৰণাৰ উৰ্দ্ধত, তথাপিও ঈশ্বৰ কেতিয়াও 'তৃতীয় পুৰুষ' (it) নহয়। ঈশ্বৰ সদায় এক শীৰ্ষতম আৰু অতীন্দ্ৰিয় সৱগীয় 'দ্বিতীয় পুৰুষ' (than/তুমি)।

৩) এক সৃজনাত্মক শক্তিৰূপে ঈশ্বৰ

শংকৰদেৱৰ বৈষ্ণৱবাদত ঈশ্বৰক এই বিশ্ব ব্রহ্মাণ্ডৰ স্রষ্টা বুলি ধৰা হয়। ইয়াৰ উপৰি ঈশ্বৰ হ'ল এই পৃথিৱীৰ এক বৈষয়িক আৰু ফলপ্রসূ কাৰণ। এক সৃজনাত্মক শক্তিৰূপে ঈশ্বৰৰ ধাৰণাটোৰ কিছুমান দার্শনিক তাৎপর্য আছে। প্রথমতে, ই ঈশ্বৰ আৰু পৃথিৱীৰ মাজত থকা সম্পর্কক লৈ উত্থাপিত প্রশ্নটোৰ উত্তৰ আগবঢ়ায়। দ্বিতীয়তে, ই বিশ্বৰ স্থিতি সম্পর্কীয় প্রশ্নৰ উত্তৰ লাভতো সহায় কৰে। শংকৰদেৱৰ বৈষ্ণৱবাদে এনে আহুকলীয়া সমস্যাবোৰৰ একোটা সাধাৰণ সমাধান আগৰঢ়ায়। শংকৰদেৱে তেওঁৰ অনাদি পাতন গ্রন্থত সৃষ্টিৰ এক অস্তিত্ববাদী বাখ্যা আগবঢ়াইছে। অৱশ্যে ব্যাখ্যাটো অধ্যয়ন কৰি চালে ইয়াত সৃষ্টিৰ সাংখ্যবাদী তত্ত্বৰ প্রভাৱ পৰিলক্ষিত হয়।

৪) মনোনিহিত আৰু অতীন্দ্রিয় উভয় ৰূপতে ঈশ্বৰ

ঈশ্বৰক 'ব্যক্তিগত' বুলি গণ্য কৰা ধাৰণাটোৱে এই কথাটোলৈ আঙুলিয়াই দেখুৱায় যে ঈশ্বৰ মনোনিহিত (immanent) আৰু অতীন্দ্রিয় (transcendent) দুয়োটাই। অতীন্দ্রিয় ঈশ্বৰ এই বিশ্বৰ উর্দ্ধত। বৈষয়িক পৃথিৱীৰ বাহিৰত এই ঈশ্বৰৰ অস্তিত্ব থাকে। মনোনিহিত মানে ঈশ্বৰ পৃথিৱীত বিৰাজমান আৰু তেওঁৰ মহিমা অপাৰ। ঈশ্বৰেই এই পৃথিৱী সৃষ্টি কৰিছে আৰু তেওঁৰ ইচ্ছা শক্তি অনুসৰিয়েই পৃথিৱীৰ অস্তিত্ব বর্তি আছে।

মনোনিহিত আৰু অতীন্দ্রিয় - এই দুয়োটা ধাৰনাই চৰম। কিন্তু দুয়োটা ধাৰণাই ভক্ত আৰু ঈশ্বৰৰ মাজত স্থাপন হ'ব পৰা সম্পর্কৰ সম্ভাৱনাক মানি লয়। সেয়েহে ক'ব পাৰি যে শংকৰদেৱৰ ধর্মীয় দর্শনত ব্যক্তিগত ঈশ্বৰৰ সৈতে এগৰাকী ভক্তই মনোনিহিত আৰু অতীন্দ্রিয় দয়োধৰণে জীৱন্ত সংযোগ স্থাপন কৰিব পাৰে।

৫) ঈশ্বৰৰ দুটা দিশ - নিগুর্ণ আৰু সগুণ

শংকৰদেৱে ঈশ্বৰৰ দুটা দিশ আলোচনা কৰিছে। এটা হ'ল ঈশ্বৰ নিগুর্ণী (কোনো আৰোপিত গুণ নথকা) বুলি থকা ধাৰণাটো আৰু আনটো হ'ল এক সগুণী (আৰোপিত গুণবিশিষ্ট) ঈশ্বৰৰ ধাৰণা। শংকৰদেৱে কীর্ত্তন ঘোষা ৰ সর্বপ্রথম পদটোৰ জৰিয়তে ঈশ্বৰৰ নিগুর্ণ দিশটোক প্রণিপাত জনাইছে আৰু কৈছে: "ব্রহ্মৰূপী সনাতন নাৰায়ণ।" শংকৰদেৱৰ ৰচনাত আমি ঈশ্বৰে বহন কৰা অধিভৌতিক গুণ, যেনে- অ-দ্বৈতবাদ, (non-drality), সর্বশক্তিমান, (omnipotence), সর্বজ্ঞ (omnisience) আদিৰ উল্লেখ পঢ়িবলৈ পাওঁ। তেওঁৰ ৰচনাত উল্লেখ থকা ঈশ্বৰৰ নৈতিক গুণ কেইটামান হ'ল দয়া (mercy), প্রেম (love) আৰু কৰুণা (compassin)। ঈশ্বৰে নিজ ভক্তক সহায় কৰিবলৈ আৰু ভক্তৰ পাপমোচন কৰিবলৈ বহুতো অৱতাৰ লৈ পৃথিৱীত জন্মগ্রহণ কৰে। নিগুর্ণ বৈশিষ্ট অনুসৰি ঈশ্বৰ নিৰাকাৰ, সাধাৰণ মানৱৰ চকুত ধৰা নপৰাকৈ থকা এক অদৃশ্য শক্তি, চিৰন্তন, অজাত, নির্ভীক, বোধাতীত, স্ব-অস্তিত্বধাৰী ইত্যাদি। ঈশ্বৰ আদি সত্বা, অসীম, আদি অন্তহীন।

শংকৰদেৱে ঈশ্বৰৰ প্রকৃতি বিশুদ্ধ চেতনাৰ দৰে বুলি কৈছিল। ইয়াৰ দ্বাৰা তেওঁৰ চিন্তাত ভাগৱত পুৰাণ আৰু গীতা ৰ প্রভাৱ সম্পর্কে অনুমান কৰিব পাৰি।

এইখিনিতে এটা কথা উনুকিয়াই থোৱা ভাল হ'ব যে শংকৰদেৱে পৰমাত্মাক কৃষ্ণ, নাৰায়ণ, হৰি আদি অনেক নামেৰে সম্বোধন কৰিছিল যদিও ঈশ্বৰ কোনো এক নিদিষ্ট নামত সীমাৱদ্ধ নহয় । তেওঁ সমগ্র মানৱ জাতিৰ সার্বজনীন ঈশ্বৰ। মানুহে অন্তৰতহে ঈশ্বৰৰ অভিজ্ঞতা লাভ কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ঃ খালী ঠাই পূৰণ কৰক —

(ক) ..... গ্রন্থত শংকৰদেৱে সৃষ্টিৰ এক অস্তিত্ববাদী ব্যাখ্যা আগবঢ়াইছে।

(খ) শংকৰদেৱে ..... ৰ সর্বপ্রথম পদটিত ঈশ্বৰৰ নিগুর্ণ দিশটোক প্রণিপাত কৰিছে।

১৫.৫ ঈশ্বৰ আৰু মানুহৰ মাজৰ সম্পর্ক

শংকৰদেৱে তেওঁৰ সমগ্র ধর্মীয় সাহিত্যতে এই কথা স্পষ্ট কৰি দিছে যে ধর্মৰ খাতিৰত ধর্মৰ সৃষ্টি নহয়। তেওঁৰ ধর্মীয় দর্শনৰ সবাতোকৈ গুৰুত্বপূর্ণ আৰু অনুপ্রেৰণাদায়ী কাৰকটো হ'ল মানুহ। শংকৰদেৱৰ ধর্মীয় দর্শনত ঈশ্বৰ আৰু মানুহৰ সম্পর্কটো তলত দিয়া ধৰণে বিশ্লেষণ কৰিব পাৰি।

শংকৰদেৱৰ বৈষ্ণৱবাদত ঐশ্বৰিক আৰু মানৱ সম্পর্কটোক এটা জীৱন্ত সম্পর্ক বুলি ধৰা হয়। ঈশ্বৰে এই পৃথিৱীখন মানুহৰ আধ্যাত্মিক বিকাশৰ এক উপায় ৰূপে সৃষ্টি কৰিছে। মানুহে নিজৰ শৰীৰ আৰু তেওঁৰ মালিকীস্বত্ব থকা সকলো সামগ্রীৰে ঈশ্বৰৰ উপাসনাৰ লগতে ঈশ্বৰ সৃষ্ট সকলো প্রাণীৰ সেৱা কৰিব লাগে।

কিন্তু ঈশ্বৰৰ ওচৰত নিজকে সর্ম্পণ কৰা মানুহেও এক ধৰনৰ প্রাচীন বান্ধোনত বান্ধ খাই থকা যেন অনুভৱ কৰে। মানুহৰ তীব্র অহংবোধ আৰু গৌৰৱে এই বান্ধোনৰ অনুভৱ সৃষ্টি কৰে। মানুহে পৃথিৱীৰ মৰণশীল বস্তুবোৰক অমৰ সত্বা বুলি ভুলকৈ চিনি লোৱাৰ ফলতেই এনে হয়। এই মিছা নাইবা অহংকাৰেই হ'ল আমাৰ সকলো দুখৰ মূল। ই আমাৰ চিন্তা, কথা, কাম আৰু অনুভৱক এক ভুল অভিবিন্যাস দিয়ে। শংকৰদেৱে কৈছিল যে সকলোবোৰ আধ্যাত্মিক ৰোগৰ ভিতৰত সবাতোকৈ অসহনীয় ৰোগটো হ'ল 'অহংকাৰ'। ই হ'ল কেৱল নিজত সমাপ্ত হোৱা চলাহী কথাৰ সমষ্টি। ঐশ্বৰিক দয়া অবিহনে এই ৰোগৰ পৰা মুক্ত হ'ব নোৱাৰি। চমুকৈ এয়াই হ'ল বৈষয়িক পৃথিৱীখনৰ বাসিন্দাৰ স্থিতি। আমি সকলো মায়া-মোহত বন্দী। শংকৰদেৱে কৈছিল যে মানুহৰ 'অহংভাৱ' এ ঈশ্বৰ আৰু মানুহৰ মাজত বিচ্ছিন্নতা

সৃষ্টিকাৰী শক্তিৰূপে কাম কৰে। ইয়াক ভক্তিৰে আঁতৰ কৰা উচিত। প্রহ্লাদ চৰিত গ্রন্থত শংকৰদেৱে হিৰণ্যকশিপুৰ চৰিত্রটোৰ জৰিয়তে ইয়াকে বুজাব খুজিছিল। প্রহ্লাদ নামৰ পুনৰুজ্জীৱিত আত্মাটোৱে হিৰণ্যকশিপুৰ দৰে পুনৰজ্জীৱিত হ'ব নোৱাৰা মানুহজনক শুদ্ধ পথৰ সন্ধান দিয়াৰ চেষ্টা চলাইছিল।

মানুহে এই পৃথিৱীত ভৰি দিয়াৰ লগে লগে মৌলিক ঐশ্বৰিক উৎসৰ পৰা বিচ্ছিন্ন হৈ পৰা এক অধ:পতিত অৱস্থা লাভ কৰে। মায়া-মোহ, গর্ব, অহংভাৱ আদিৰ বাবে মানুহৰ অধ:পতন ঘটে। শংকৰদেৱৰ মতে মানুহৰ গাত থকা ক্রুটিবোৰৰ বাবেই পাপ নামৰ সমস্যাটোৰ উদ্ভৱ হয়। এক আধ্যাত্মিক প্রয়াসত ৰত মানুহ সেয়েহে এনে এক পথৰ যাত্রী যিটো পথে মানুহক তুলনামূলক প্রয়োজনীয়তাৰ পৰা মোক্ষ লাভৰ এক বিৱর্তনশীল আন্দোলনৰ সন্ধান দিয়ে। মানুহে নিজকে যিমানেই বদঅভ্যাসৰ পৰা মুক্ত কৰিব সিমানেই ঈশ্বৰৰ ওচৰ চাপিব পাৰিব।

ইয়াৰ বাবে এগৰাকী সাধাৰণ মানুহৰ (প্রকৃত ভক্ত) প্রকৃতার্থত সর্বশ্রেষ্ঠ ভক্ত (উত্তম ভক্ত) ৰ পর্যায়লৈ উধাব লাগিব। শংকৰদেৱে ভক্তিমার্গৰ সন্ধান দিছে। মানুহে এই মার্গ বাছি লৈ জীৱনৰ সর্বোচ্চ লক্ষ্যত উপনীত হ'ব পাৰে। ভক্তি এক জীৱন যাত্রা হৈ পৰিলে মানুহ স্থিৰগতিৰে শুদ্ধ পথেৰে আগবাঢ়ি যাব পাৰে। এনে এক জীৱন যাত্রাত মানুহৰ জীৱন অসীমৰ সৈতে একাকাৰ হৈ পৰে।

এই দর্শনেই হ'ল ব্যক্তিগতকৃত একেশ্বৰবাদ (personalistic monotheism) । ইয়াত মানুহ নিজৰ গৰাকী ঈশ্বৰৰ ওপৰত নির্ভৰশীল ঈশ্বৰ হ'ল এক প্রতিভূ, মুক্ত পছন্দ কৰিব পৰা এক সত্বা। মানুহে ধর্মীয় অন্বেষণেৰে সর্বোচ্চ জীৱনৰ সৈতে সংযোগ স্থাপন কৰিব পাৰে। এনে মানুহে সাধাৰণ মৰণশীল মানুহতকৈ বাস্তৱক গভীৰভাৱে অনুধাৱন কৰিব পাৰে। এনে মানুহৰ বাবে সমগ্র পৃথিৱীখন আধ্যাত্মিক তাৎপর্যেৰে ভৰা হৈ পৰে। ভক্তি মার্গে মানৱ চৈতন্যক ঈশ্বৰৰ সংস্পর্শ লাভত সহায় কৰে।

ঈশ্বৰৰ দয়া আৰু মানুহ

শংকৰদেৱে তেওঁৰ সমগ্র ৰচনাৰাজিত ঈশ্বৰিক দয়াৰ দিশটো প্রায়েই উল্লেখ কৰিছিল। ঈশ্বৰৰ দয়া হ'ল ঈশ্বৰৰ এটা চেনেহপূর্ণ ইচ্ছা। ইয়েই হ'ল ঈশ্বৰৰ অস্তিত্ব গঢ় দিয়াৰ প্রধান উপাদান। ঈশ্বৰৰ দয়া তেওঁৰ অৱতাৰ, ভক্তৰ সন্মুখত প্রকট হোৱাৰ উদাহৰণ, দৈৱ, মানুহৰ পাপী প্রকৃতি মোচন আৰু প্রয়োজনৰ সময়ত মানুহৰ থৰক-বৰক হোৱা নৈতিকতা পুনৰ দৃঢ়কৰণ আদিৰ জৰিয়তে প্রকাশিত হয়। ঈশ্বৰৰ দয়া হ'ল ঈশ্বৰৰ পৰিত্রাণ ক্ষমতা। মানুহে ইয়াক চৈতন্যৰ দ্বাৰা দেখে আৰু অনুভৱ কৰিব পাৰে। মানুহে গম পায় যে ন্যায়পৰায়ণ ঈশ্বৰে তেওঁৰ পৰা সমর্ম্পণ বিচাৰিছে, ঈশ্বৰৰ সৈতে এক হৈ পৰাটো কামনা কৰিছে, তেওঁৰ ন্যায়পৰায়ণতাত মিলি গৈ ঈশ্বৰিক জগতখনৰ উদ্দেশ্য পূৰণ কৰাটো বিচাৰিছে। দয়াৰ ওচৰত আত্মসমর্পণ, অর্থাৎ ঈশ্বৰৰ চেনেহপুর্ণ ইচ্ছাৰ আগত নতিস্বীকাৰ কৰাটো হ'ল গ্রহণশীলতা

আৰু স্বাধীনতাৰ মিলনক অনুভৱ কৰাৰ পৰম অভিজ্ঞতা। ই হ'ল সকলো নৈতিক জীৱনৰ মৌলিক আধাৰ।

ঈশ্বৰে মানুহক সত্যৰ সৈতে মিলি যোৱাত সহায় কৰে। সত্যৰ অন্বেষণত মানুহৰ ব্যক্তিগত প্ৰচেষ্টা প্ৰয়োজনীয় কিন্তু ই মানুহক অকলে উপনীত হোৱাত সহায় নকৰে। ঈশ্বৰৰ দয়াইহে মানুহক কৰ্মফলৰ পৰা মুক্ত কৰিব পাৰে।

দয়াৰ সূত্ৰটোতে ব্যক্তিগত একেশ্বৰবাদৰ ধাৰণাটো বিচাৰি পোৱা যায়। ভক্তি ধৰ্মৰ ই এক প্ৰধান বৈশিষ্ট্য।

দয়াৰ সুত্ৰটোৰ জৰিয়তে ঈশ্বৰৰ সত্বা যে মানুহৰ সত্বাত ক্ৰিয়াশীল আৰু মানৰ সত্বাৰ জৰিয়তে যে ঈশ্বৰৰ সত্বা প্ৰকট হয় সেয়া উপলব্ধি কৰিব পাৰি। ঐশ্বৰিক প্ৰভাৱক কোনো যান্ত্ৰিক শক্তি বুলি ধৰিব নোৱাৰি। কাৰণ, ঈশ্বৰেই প্ৰেম বোলা ধাৰণাটোৰ সৈতে যান্ত্ৰিক শক্তিক কোনো ধৰণে তুলনা কৰিব নোৱাৰি।

শংকৰদেৱে প্ৰচাৰ কৰা বৈষ্ণৱবাদে যথা ঈশ্বৰ (God as such) আৰু যথা নৰ ৰ মিলনৰ কথা কয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৯ঃ শংকৰদেৱৰ মতে মানুহ মৌলিকভাৱে কি বান্ধোনত বান্ধ খাই থাকে?

.....

.....

প্ৰশ্ন ১০ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) শংকৰদেৱৰ মতে মানুহৰ গাত থকা..... বোৰৰ বাবেই পাপ নামৰ সমস্যাটোৰ উদ্ভৱ হয়।

খ) মানুহক অসীমৰ সৈতে একাকাৰ কৰিবলৈ শংকৰদেৱে..... মাৰ্গৰ সন্ধান দিছে।



১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- শংকৰদেৱৰ বৈষ্ণৱবাদে এক একত্ববাদী দৰ্শনৰ পোষকতা কৰে। এই দৰ্শনৰ ধৰ্মীয় দিশটোৱে এক পৰম সত্বাৰ ওচৰত ভক্তৰ সম্পূৰ্ণ দাবী কৰে।
- এই পৰম সত্বাটো ব্যক্তিগত আৰু এই সত্বাটোৱে ভক্তৰ পৰা এক সম্পূৰ্ণ আৰু চৰ্তহীন সঁহাৰি বিচাৰে। ইয়াকেই একেশ্বৰবাদ বোলা হয়।

- এই দর্শনে কোনো এক নির্দিষ্ট দেৱতাক বিশ্বাস নকৰে।
- এই দর্শনে এনে এক সার্বজনীন সত্বাৰ কথা কয় যিটো একে সময়তে মনোনিহিত আৰু বিশ্ব ব্রহ্মাণ্ডৰ অভিজ্ঞতাৰ উর্দ্ধৰ এক অতীন্দ্রিয় অনুভৱ।
- শংকৰদেৱে এই আদৰণীয় সত্বাটোক কৃষ্ণ, নাৰায়ণ, হৰি আদি নামেৰে সম্বোধন কৰিছিল যদিও ঈশ্বৰক কোনো নিদিষ্ট নামেৰে সীমাৱদ্ধ কৰিব পৰা নাযায়।
- ঈশ্বৰ হ'ল সমগ্র মানৱ জাতিৰ সার্বজনীন ঈশ্বৰ। এনে ঈশ্বৰক কেৱল ভক্তিৰ অনুশীলনৰ জৰিয়তেহে উপলব্ধি কৰিব পাৰি।
- শংকৰদেৱে মানৱ সত্বাত আৰু মানৱ সত্বাৰ জৰিয়তে ঈশ্বৰ ক্রিয়াশীল বুলি মত পোষণ কৰিছিল।
- শংকৰদেৱৰ মতে মানুহৰ অহংভাৱে মানুহক ঈশ্বৰৰ পৰা আঁতৰাই ৰাখে আৰু ইয়াক মানুহে বশ কৰা উচিত।
- শংকৰদেৱে তেওঁৰ ৰচনাৰাজিত বিৰতিহীনভাৱে ঈশ্বৰৰ ঐশ্বৰিক দয়াৰ বিষয়ে উল্লেখ কৰিছে।
- ঐশ্বৰিক দয়া হ'ল ঈশ্বৰৰ চেনেহপূর্ণ ইচ্ছা আৰু ইয়েই ঈশ্বৰৰ সত্বাক গঢ় দিয়ে।
- ঈশ্বৰৰ দয়া তেওঁৰ অৱতাৰ, ভক্তৰ সন্মুখত প্রকট হোৱাৰ উদাহৰণ, দৈৱ, মানুহৰ পাপী প্রকৃতি মোচন আৰু প্রয়োজনৰ সময়ত মানুহৰ থৰক-বৰক হোৱা নৈতিকতা পুনৰ দৃঢ়কৰণ আদিৰ জৰিয়তে প্রকাশিত হয়।
- দয়াৰ ওচৰত আত্মসমর্পণ, অর্থাৎ ঈশ্বৰৰ চেনেহপূর্ণ ইচ্ছাৰ আগত নতিস্বীকাৰ কৰাটো হ'ল গ্রহণশীলতা আৰু স্বাধীনতাৰ মিলনক অনুভৱ কৰাৰ পৰম অভিজ্ঞতা। ই হ'ল সকলো নৈতিক জীৱনৰ মৌলিক আধাৰ।



১৫.৭ অধিক জানিবলৈ

১) শংকৰদেৱ ঃ কীর্ত্তন, দত্তবৰুৱা ব্রাদার্ছ, নলবাৰী, **১৯৮৪**

২) শংকৰদেৱ ঃ নিমিনৱসিদ্ধ সংবাদ, তীর্থনাথ গোস্বামী (প্রকাশক), গোলাঘাট

৩) Sarma. S.N. ঃ The Neo-Vaishnavite Movement and the satra Institution of Assam. Published by Dr. Maheswar Neog for the Depertment of Publication, Gauhati University, Edition 1966

৪) নেওঁগ, মহেশ্বৰ (সম্পাদিত) ঃ গুৰু চৰিত কথা, গুৱাহাটী বিশ্ববিদ্যালয় **১৯৮০**

৫) বেজবৰুৱা, লক্ষ্মীনাথ ঃ শংকৰদেৱ, যোৰহাট, **১৯৩৬**

৬) মহন্ত, বাপচন্দ্র ঃ মহাপুৰুষ শংকৰদেৱ, প্রকাশক বাপচন্দ্র মহন্ত, যোৰহাট, **১৯৬৪**



১৫.৮ অগ্রগতি খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ খৃষ্টীয় পঞ্চদশ শতিকাৰ অন্তিম দশকত শংকৰদেৱে অসমত বৈষ্ণৱ আন্দোলনৰ পাতনি মেলিছিল।

২নং প্রশ্নৰ উত্তৰ ঃ শংকৰদেৱে প্রচাৰ কৰা ধর্মটোৰ জনপ্রিয় নাম হ'ল 'মহাপুৰুষীয়া ধর্ম'। এই অভিধাটোৰ অর্থ এনেদৰে ব্যাখ্যা কৰা হয় ঃ 'মহাপুৰুষীয়া' মানে হ'ল ভগৱান নাৰায়ণৰ বাবে ব্যৱহৃত এক গুণবাচক আখ্যা। ভাগৱত ত কীর্ত্তনৰ দ্বাৰা ভগৱান কৃষ্ণৰ উপাসনা পদ্ধতিৰ উল্লেখ আছে। ভগৱান কৃষ্ণক মহাপুৰুষ বুলি কোৱা হয়। আন এক জনপ্রিয় বিশ্বাস অনুসৰি 'মহাপুৰুষ' অভিধাটোৰে শংকৰদেৱক বুজোৱা হয়। তেওঁৰ শিষ্যসকলে তেওঁক 'মহান' নাইবা 'মহত্বম সত্বা' বুলি বিবেচনা কৰিছিল। সেয়েহে তেওঁ প্রচাৰ কৰা ধর্মটোক 'মহাপুৰুষীয়া ধর্ম' বোলা হয়।

৩নং প্রশ্নৰ উত্তৰ ঃ শংকৰদেৱে 'এক-শৰণ' ত সর্বাধিক গুৰুত্ব দিছিল। ইয়াৰ অর্থ হ'ল মাত্র এজনা ঈশ্বৰৰ ওচৰত আত্মসমর্পণ কৰা। সেয়েহে তেওঁ প্রচাৰ কৰা ধর্মটোক 'এক শৰণীয়া নাম ধর্ম' বুলিও কোৱা হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ 'ভক্তি' শব্দটো আৰু ইয়াৰ সহযোগী শব্দ 'ভগৱৎ' (ভগৱৎ/ভাগৱত)ৰ মূল হ'ল সংস্কৃত শব্দ 'ভজ'। ইয়াৰ অর্থ হ'ল 'পূজা কৰ' অর্থাৎ, ভক্তিৰ প্রধান অর্থ হ'ল পূজা/উপাসনা কৰা।'ভগৱৎ' মানে হ'ল 'পূজ্য' আৰু ভাগৱত মানে হ'ল 'পূজাৰ উপাসক'। ধর্মীয় অর্থ অনুসৰি 'ভক্তি' মানে হ'ল 'ঈশ্বৰত থাপিত প্রেম'। ইয়াত 'প্রেম' (অনুৰক্তি) মানে হ'ল এবিধ বিশেষ ধৰনৰ প্রীতিভাৱ (ৰক্তি) যিটো 'পূজ্যজনাৰ গুণ/ বৈশিষ্ট্য সম্পর্কে জ্ঞান লাভ কৰা'ৰ পাচতহে (অনু) ওপজে।

৫নং প্রশ্নৰ উত্তৰ ঃ শ্রৱণ আৰু কীর্ত্তন।

৬নং প্রশ্নৰ উত্তৰ ঃ শংকৰদেৱৰ ধর্মীয় দর্শনত 'ভক্তি' বোলা অভিধাটোৱে গুণার্থসূচক তাৎপর্য বহন কৰে। এগৰাকী ভক্তৰ প্রকৃতিত কেতবোৰ আৱশ্যকীয় বৈশিষ্ট্য নিহিত থাকিব লাগে। এগৰাকী ভক্তই আন আটাইবোৰ ৰিপুৰ লগতে কাম, ক্রোধ, লোভ, মোহ আৰু অহংনামৰ পঞ্চৰিপুৰ পৰা আঁতৰত থাকিব লাগে।

৭নং প্রশ্নৰ উত্তৰ ঃ উত্তম, মধ্যম আৰু প্রকৃত ভক্ত।

৮নং প্রশ্নৰ উত্তৰ ঃ (ক) নিমি নৰসিদ্ধ সংবাদ

(খ) কীর্ত্তন ঘোষা

৯নং প্রশ্নৰ উত্তৰ ঃ ঈশ্বৰৰ ওচৰত নিজকে সমর্পণ কৰা মানুহেও এক ধৰণৰ প্রাচীন বান্ধোনত বান্ধ খাই থকা যেনঅনুভৱ কৰে। মানুহৰ তীব্র অহংবোধ আৰু গৌৰৱে এই বান্ধোনৰ অনুভৱ সৃষ্টি কৰে। মানুহে পৃথিৱীৰ মৰণশীল বস্তুবোৰক অমৰ সত্বা বুলি ভুলকৈ চিনি লোৱাৰ ফলতেই এনে হয়। এই মিছা নাই বা অহংকাৰেই হ'ল আমাৰ সকলো দুখৰ মূল।

২নং প্রশ্নৰ উত্তৰ ঃ (ক) ত্রুটি

(খ) ভক্তি



১৫.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন —

প্রশ্ন ১ ঃ শংকৰদেৱৰ ধর্মীয় দর্শনত 'ভক্তি'য়ে কেনে তাৎপর্য বহন কৰে?

প্রশ্ন ২ ঃ মহাপুৰুষীয়া ধর্ম মানে কি?

প্রশ্ন ৩ ঃ 'এক শৰনীয়া' অভিধাটোৰ অর্থ কি?

প্রশ্ন ৪ ঃ 'একেশ্বৰবাদ'ৰ ব্যুৎপত্তিগত অর্থটো কি?

খ) চুটি প্রশ্ন (প্রায় ১৫০-২০০ টা শব্দত উত্তৰ দিয়ক) —

প্রশ্ন ১ ঃ 'ঈশ্বৰৰ দয়া' সম্পর্কে এটি চমুটোকা লিখক।

প্রশ্ন ২ ঃ শংকৰদেৱৰ ধর্মীয় দর্শনৰ এক মৌলিক ৰূপৰেখা দাঙি ধৰক।

প্রশ্ন ৩ ঃ শংকৰদেৱৰ ভক্তিৰ ধাৰণাটোৰ বিষয়ে এটি চমুটোকা লিখক।

গ) ৰচনাধর্মী প্রশ্ন (প্রায় ৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক) —

প্রশ্ন ১ ঃ শংকৰদেৱৰ ভক্তিৰ ধাৰণাটো ব্যাখ্যা কৰক। ইয়াৰ সৈতে সংগতি ৰাখি ভক্তিৰ পথ নটা আলোচনা কৰক।

প্রশ্ন ২ ঃ শংকৰদেৱৰ ঈশ্বৰ বিষয়ক ধাৰণাটোৰ এক চমু ৰূপৰেখা উপস্থাপন কৰক।

প্রশ্ন ৩ ঃ শংকৰদেৱৰ ধর্মীয় দর্শনে আগবঢ়োৱা মানুহ আৰু ঈশ্বৰৰ মাজৰ সম্পর্কটো বিশ্লেষণ কৰক।

*** ***** ***